# হজৰত মছীহ মাওউদ (আঃ)
# আৰু
# খলিফাসকলৰ আল্লাহৰ সৈতে সম্পৰ্কিত ঘটনাসমূহ

প্ৰকাশক

নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

# হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফাসকলৰ আল্লাহৰ সৈতে সম্পৰ্কিত ঘটনাসমূহ

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

নাম কিতাপ ঃ হজৰত মছীহ্ মাওউদ (আঃ) আৰু খলিফাসকলৰ আল্লাহৰ সৈতে সম্পৰ্কিত ঘটনাসমূহ
মূল কিতাপ ঃ হজৰত মছীহ্ মাওউদ (আঃ) আৰু খুলফা কৰাম কে তালুক বিল্লাহ্ কে ওৱাকিয়াত
অনুবাদক ঃ মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)
প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান
প্ৰথম প্ৰকাশ ঃ চন ২০২২ ইং, ৫০০ কপি
মূদ্ৰণে ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ ১৪৩৫১৬ পঞ্জাৱ

---

Name Book : Hazrat Mashi Maood aru Khalifahakalar Allahar hoite Hamparkito Ghatonahamu
Original Book : Hazrat Mashi Maood aur Khulfa karam keTaluk billah ke waqiyat
Translated by : Mozibar Rahman ( Muballighe Silsila) (Incharge Assamese Desk)
Published by : Nazarat Nashr-O-Ishaat Qadian
First Published : 2022, 500 Copies
Printed at : Fazle Umar Printing Press Qadian Dist: Gurdaspur, 143516 (Punjab)

# প্ৰকাশকৰ কথা

ইছলামত উপাসনাৰ বুনিয়াদী উদ্দেশ্য এয়া যে মানুহৰ জীৱন আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জনাৰ্থে আৰু সেইজনাৰ নিৰ্দেশ অনুযায়ী যেন নিৰ্বাহ কৰে আৰু খোদাক প্ৰাপ্ত কৰে। অৰ্থাৎ এজন মোমিনৰ বাবে জৰুৰী যে তেওঁ নিজৰ জন্মৰ উদ্দেশ্যক বুজি পোৱা আৰু আল্লাহৰ তা'লাৰ সৈতে সঠিক সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা যেন কৰে আৰু এয়াই মানুহৰ জীৱনৰ উদ্দেশ্য হয় যে তেওঁ আল্লাহ তা'লাৰ সৈতে যেন সঠিক সম্পৰ্ক গঢ়ি তোলে। অৰ্থাৎ যেতিয়াই কোনো প্ৰত্যাদিষ্ট আল্লাহৰ তৰফৰ পৰা দুনিয়াত প্ৰেৰণ হৈছে তেতিয়া তেখেতৰ আগমনৰ মূল উদ্দেশ্য এয়াই হয় যে লোকসকলক খোদা তা'লাৰ সৈতে সম্পৰ্ক গঢ়ি তুলোৱা। আল্লাহ তা'লাৰ অস্তিত্ব গুপ্তৰ পৰা গুপ্ত হয় মানুহৰ জ্ঞানে তালৈ যাব নোৱাৰে কাৰণ কোৰাণত আছে,

لَا تُدۡرِكُهُ الۡاَبۡصَارُ وَهُوَ يُدۡرِكُ الۡاَبۡصَارَ وَهُوَ اللَّطِيۡفُ الۡخَبِيۡرُ ۝١٠٤ **(6:104)**

আল্লাহক চিনাক্ত কৰাৰ মছলাসমূহ বৰ সূক্ষ্ম আৰু সংক্ষিপ্ত শব্দাৱলীত বৰ্ণনা কৰা হৈছে।

অৰ্থাৎ আল্লাহ তা'লাক চিনাক্ত কৰা আৰু তাৰ সৈতে সম্পৰ্ক গঢ়ি তোলাৰ প্ৰথম মাধ্যম আনাল মজুদ (মই উপস্থিত আছো)ৰ সাক্ষী প্ৰদান কৰা। যেনেকুৱা আল্লাহ তা'লাই বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিৰ কাৰণ হজৰত মহম্মদ (ছাঃ)ৰ বিষয়ে কৈছে,(93:8) وَوَجَدَكَ ضَآلًّا فَهَدٰى অৰ্থাৎ হে গৃহীত ৰছুল আমি তোমাক নিজৰ সন্ধানত দুনিয়া আৰু তাৰ মাজত যি আছে তাৰ পৰা তোমাক গায়েব পাইছো তেতিয়া আমি আগবাঢ়ি গৈ নিজেই হিদায়তৰ সামগ্ৰী প্ৰদান কৰিলোঁ।

এইদৰে অদৃশ্যৰ বাহ্যিকতা আৰু কুদৰতৰ অস্তিত্বৰ জ্ঞান আৰু অধ্যয়ন

আৰু খোদাৰ বিশেষ গুণাৱলী আৰু সুন্দৰ কাৰ্যকলাপৰ বাহ্যিকতা আৰু জ্যোতিৰবিদ্যা গ্ৰহৰ ওপৰত সত্য উপাসকৰ ভাল নিয়ন্ত্ৰণ এইসকলোবোৰ আল্লাহ্ তা'লাক চিনাক্ত কৰণৰ মাধ্যম হয় আৰু খোদাৰ সৈতে সম্পৰ্ক সৃষ্টি কৰাৰ উন্নতমান আৰু উৰ্দ্ধতমানৰ মাধ্যম হয়। আৰু যিসকল লোকসকলে আল্লাহক চিনাক্ত কৰাত উন্নতি লাভ কৰে আৰু নিজৰ সৃষ্টিৰ মূল উদ্দেশ্যক (51:57)وَمَا خَلَقْتُ الْجِنَّ وَالْإِنْسَ إِلَّا لِيَعْبُدُوْنِ পূৰ্ণ কৰে। আল্লাহ তা'লা সিহঁতৰ লালন-পালন কৰোঁতা আৰু সিহঁতৰ গৃহীত নিদৰ্শনসমূহ দুনিয়াত প্ৰকাশ কৰে,আৰু সিহঁতক দোৱা গৃহীত হোৱাৰ অলৌকিক ঘটনাসমূহ প্ৰদান কৰে। সৰ্বদা নিজৰ সুৰক্ষাৰ বন্ধনত ৰাখে। সিহঁতৰ হাতক নিজৰ হাত বুলি নিৰ্ণয় কৰে যেনেকুৱা কৈছে যে,

مَا رَمَيْتَ إِذْ رَمَيْتَ وَلٰكِنَّ اللّٰهَ رَمٰى(8:18)

আৰু

مَنْ عَادَىٰ لِيْ وَلِيًّا فَقَدْ اٰذَنْتُهٗ بِالْحَرْبِ

(বুখাৰী কিতাবুৰ ৰিকাক,বাবুততাৱাজে হাদীছ নম্বৰ ৬৫০২)

অৰ্থাৎ যিয়ে মোৰ ওলীৰ শত্ৰু হয় তাক কওঁ যে এতিয়া মোৰ সৈতে যুদ্ধৰ বাবে থিয় হৈ যোৱা।

ছৈয়দিনা হুজুৰ আনোৱাৰ (আইঃ)ৰ ফালৰ পৰা অনুমোদিত মজলিছে শ্বুৰা (পৰামৰ্শ সভা) চন ২০১৫ ৰ পৰামৰ্শ অনুযায়ী হজৰত মছীহ মাওউদ (আঃ)আৰু খলিফা সকলৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ঘটনাৱলীৰ বিষয়সমূহৰ ওপৰত এই কিতাপখনক নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ানৰ অধীনত প্ৰস্তুত কৰি উলিওৱা হৈছে। এই কিতাপৰ লিখক মৌলবী মনচুৰ আহমদ চাহাব মছৰুৰ এডিটৰ সাপ্তাহিক বদৰ কাদিয়ান আৰু মাননীয় আব্দুৰ ৰাশিদ চাহাব মুবাল্লিগ দাওৱাত ইলাল্লাহ শমালি হিন্দে প্ৰকাশ কৰাত সহায় সহযোগীতা আগবঢ়াইছে। আল্লাহ তা'লা তেখেতসকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক।

এই কিতাপখনত জামাতৰ সদস্যৰ তৰফৰ পৰা ঈমান বৃদ্ধিৰ বাবে

হজৰত মছীহ মাওউদ (আঃ)আৰু জামাতে আহমদীয়াৰ খলিফাসকলৰ কিছু ঈমান উদ্দীপক ঘটনাসমূহ উল্লেখ কৰা হৈছে। এই ঘটনাসমূহৰ পৰা স্বোৱাদ প্ৰাপ্ত কৰি আমি আল্লাহ তা'লাৰ অতি নৈকট্য প্ৰাপ্তৰ বাবে চেষ্টা-প্ৰচেষ্টা কৰা উচিত। গতিকে ইয়াৰ বাবে নমাজ আৰু আল্লাহৰ স্মৰণৰ অভ্যাস হোৱা উচিত আৰু আল্লাহ তা'লাই কোৱা মতে আদেশসমূহৰ ওপৰত কাৰ্যকৰী হোৱা উচিত যাতে তাৰ পথত দ্ৰুত হৈ আমি আমাৰ জীৱনৰ আচল উদ্দেশ্যক প্ৰাপ্ত কৰিব পাৰো আৰু তাৰ দুৱাৰৰ ভিক্ষাৰী হৈ তাৰ নৈকট্য প্ৰাপ্ত হ'ব পাৰো। যেতিয়া আমি খোদা তা'লাৰ হৈ যাম তেতিয়া কোনো বস্তুৱেই আমাৰ উন্নতিৰ পথত বাধা হৈ থিয় হ'ব নোৱাৰে। ইনশা আল্লাহ-

এই কিতাপখন উৰ্দুৰ পৰা অসমীয়া ভাষাত অনুবাদ কৰিছে মাননীয় মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক)। ৰিভিউ কৰিছে মাননীয় আব্দুৰ ৰহিম মাষ্টাৰ চাহাব তাপাজুলি,মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা (মেম্বাৰ ৰিভিউ কমিটি),মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা (মেম্বাৰ ৰিভিউ কমিটি),মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা (ছেক্ৰেটাৰী ৰিভিউ কমিটি),মামনীয় আব্দুল আউৱাল মোল্লা চাহাব শিক্ষক মজলীয়া বিদ্যালয় আৰু আমিৰ জিলা বঙাইগাওঁ; আল্লাহ তা'লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমীন-

**নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

# পৰিচয়

ছৈয়দিনা হজৰত মিৰ্জা গোলাম আহমদ কাদিয়ানী প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)ৰ জন্ম কাদিয়ান দাৰুল আমানত ১৩ ফেব্ৰুৱাৰী ১৮৩৫ খ্ৰীঃব্দত জুমাৰ দিনা ফজৰৰ নমাজৰ সময়ত হয়। আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী আল্লাহ তা'লাই তেখেতক এই যুগৰ ইমাম, প্ৰতিশ্ৰুত মছীহ ও মাহদী হিচাপে প্ৰেৰণ কৰিছে।

ইয়াত এয়া কোৱা আৱশ্যকৰণীয় যে জামাত আহমদীয়াৰ আকিদা মতে মছীহ ও মাহদী দুজন পৃথক পৃথক অস্তিত্ব নহয় যেনেকুৱা আমাৰ অআহমদী ভাতৃসকলৰ আকিদা হয় অৰ্থাৎ এটা অস্তিত্বক আল্লাহ তা'লাই দুটা মৰ্যাদাৰ কাৰণে দুটা নাম প্ৰদান কৰিছে। যেনেকুৱা আঁ-হজৰত (ছাঃ)য়ে কৈছে (ইবনে মাজা,বাব শ্বিদ্দাতুজ জমান)لَا الْمَهْدِیُّ اِلَّا عِیْسٰی ঈছা আৰু মাহদী একেই অস্তিত্ব হয়। তেখেত (আঃ)ক আল্লাহ তা'লাই মছীহ নাম এই কাৰণে প্ৰদান কৰিছে যে তেখেত (আঃ)য়ে খ্ৰীষ্টান সকলৰ সৈতে বিশেষ কৰি মোকাবিলা কৰিব লগীয়া আছিল আৰু সিহঁতৰ ভুল আকিদাক সিহঁতৰ সন্মুখত যুক্তি-প্ৰমাণৰ সৈতে উত্থাপন কৰিবলগীয়া আছিল। মাহদীৰ অৰ্থ হয় আল্লাহৰ পৰা হিদায়ত প্ৰাপ্ত। মাহদী নাম এই কাৰণে দিয়া হৈছে যে তেখেত (আঃ)য়ে আল্লাহ তা'লাৰ পৰা হিদায়তপ্ৰাপ্ত হৈ জনসাধাৰণক হিদায়ৎ দিবলগীয়া আছিল।

তেখেত (আঃ) আল্লাহৰ নবী আছিল। আল্লাহ তা'লাই তেখেত (আঃ)ক নবীৰ লকব আৰু খিতাপ প্ৰদান কৰিছে। নে কেৱল তেখেতক নবীৰ মহান আধ্যাত্মিক মৰ্যাদা প্ৰদান কৰিছে অৰ্থাৎ আন কিছুমান নবীৰ নাম তেখেতক প্ৰদান কৰিছে এই কাৰণে তেখেতসকলৰ গুণাৱলী তেখেত (আঃ)ৰ মাজত মজুদ আছে। অৰ্থাৎ আল্লাহ তা'লা তেখেত (আঃ)ক প্ৰত্যাদিষ্ট কৰিছে যে,

جَرِیُّ اللّٰہِ فِیْ حُلَلِ الْاَنْبِیَآءِ

ইয়াৰ অৰ্থ এয়া যে এইজন আল্লাহৰ বলবান হয় যিয়ে নবীৰ বস্ত্ৰ পৰিধান কৰিছে। তেখেত (আঃ)য়ে কৈছে ঃ

میں کبھی آدم کبھی موسیٰ کبھی یعقوب ہوں
نیز ابراہیم ہوں نسلیں ہیں میری بے شمار

**অৰ্থ ঃ** মই কেতিয়াবা আদম,কেতিয়াবা মুছা,কেতিয়াবা ইয়াকুব হওঁ,ইব্ৰাহিম হওঁ, বংশ হয় মোৰ অসংখ্য।

আঁ-হজৰত (ছাঃ)ৰ পৰিপূৰ্ণ দাসত্ব, অনুসৰণৰ ফলত আল্লাহ তা'লাই তেখেতক নবীৰ পদ প্ৰদান কৰিছে। তেখেত আঁ-হজৰত (ছাঃ)ৰ অনুসাৰী নবী আছিল। আঁ-হজৰত (ছাঃ)ৰ দাসত্বৰ ওপৰত তেখেত (আঃ)ৰ গৌৰব আছিল। আল্লাহ তা'লাই তেখেত (আঃ)ক আঁ-হজৰত (ছাঃ)ৰ অনুসাৰী নবী হিচাপে প্ৰেৰণ কৰিছে যে তেখেত (আঃ)ৰ মাধ্যমে শেষ যুগত অধঃপতন হৈ যোৱা ইছলামক যেন জীৱিত কৰে। গতিকে তেখেত (আঃ)য়ে ইছলাম ধৰ্মৰ সেৱা এনেকুৱা সৌন্দৰ্যতাৰ সৈতে আগবঢ়াইছে যাৰ দৃষ্টান্ত যোৱা চৌধ্য শ বছৰত পোৱা নাযায়।

যেতিয়া তেখেত (আঃ)ৰ আগমন ঘটে সেই সময়ত নিৰ্যাতন আৰু অন্ধকাৰ শীৰ্ষ স্থানলৈ গৈ পাইছিল। তেখেত (আঃ)য়ে এজন পুণ্যবান আৰু পৱিত্ৰ জামাতৰ বুনিয়াদ ৰাখে। এই পুণ্য আৰু পৱিত্ৰ জামাত লাহে লাহে বৃদ্ধি হৈ এতিয়া দুনিয়াৰ ২০১২ খন ৰাষ্ট্ৰত বিস্তাৰ লাভ কৰিছে যিয়ে স্বকীয় পুণ্য,খোদা ভীতি,কোৰবাণী আৰু ইছলামৰ প্ৰচাৰ-প্ৰসাৰৰ কাৰণে মুছলমানসকলৰ আন আন ফিৰকাৰ পৰা পৃথক হয়।

২৬ মে ১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যু হয়। তেখেত (আঃ)ৰ মৃত্যুৰ পিছত জামাত আহমদীয়াৰ মাজত খলিফাৰ শৃঙ্খলা আৰম্ভ হয়। এই খলিফাৰ শৃঙ্খলাও আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী প্ৰতিষ্ঠিত হয়। তেখেত (আঃ)ৰ খলিফাসকলৰ নাম নিম্নত এইদৰে ঃ

১) হজৰত মাউলানা হাকিম নুৰউদ্দিন খলিফাতুল মছীহ আউৱাল (ৰাঃ)।
২) হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ খলিফাতুল মছীহ ছানি (ৰাঃ)।
৩) হজৰত মিৰ্জা নাচিৰ আহমদ খলিফাতুল মছীহ ছালিছ (ৰহঃ)।

৪) হজৰত মিৰ্জা তাহিৰ আহমদ খলিফাতুল মছীহ ৰাৱে (ৰহঃ)

৫) হজৰত মিৰ্জা মছ্ৰুৰ আহমদ (আইঃ) চন ২০০৩ ত তেখেত (আঃ) পঞ্চম খলিফা (প্ৰতিনিধি) নিৰ্বাচিত হয়।বৰ্তমান তেখেতৰ খিলাফত অব্যাহত আছে।

খিলাফৎ আল্লাহ তা'লাৰ এক মহান অনুগ্ৰহ হয়। জামাত আহমদীয়াত পুণ্য আৰু তাকৱা (খোদা ভীতি),ঐক্যবদ্ধতা,দৃষ্টান্তমূলক কোৰবাণী,ইছলামৰ সুন্দৰ পদ্ধতিত পৃথিৱীবাসীক পয়গাম আৰু মানৱ সেৱা এই সকলোবোৰ খলিফাৰ কাৰণে হৈ আছে য'ৰ পৰা আজি আন আন মুছলমান সকল বঞ্চিত।

এই কিতাপৰ বিষয় হজৰত মছীহ মাওউদ (আঃ)আৰু খলিফাসকলৰ আল্লাহৰ সৈতে সম্বন্ধ স্থাপন কৰাৰ ঘটনাৱলী হয়। গতিকে নিম্নত হজৰত মছীহ মাওউদ (আঃ) আৰু তেখেত (আঃ)ৰ খলিফাসকলৰ আল্লাহৰ সৈতে সম্বন্ধ স্থাপিত কৰাৰ ঘটনাৱলী উল্লেখ কৰা হৈ আছে।

**নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান**

# হজৰত মিৰ্জা গোলাম আহমদ চাহাব কাদিয়ানী প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)ক

আল্লাহ তা'লাই যিবিলাক স্ৰষ্টাৰ সংশোধনৰ বাবে নবী হিচাপে প্ৰেৰণ কৰিছে সেইজন দুনিয়াত সকলোতকৈ বেছি নিজৰ সৃজনকৰ্তা আৰু মালিক আৰু নিজকে প্ৰেৰণ কৰ্তাৰ সৈতে ভালপোৱা ৰাখে। ছৈয়দিনা হজৰত মছীহ মাওউদ (আঃ)ৰ নিজৰ সৃজনকৰ্তা আৰু মালিক, এক খোদাৰ প্ৰতি বৰ প্ৰেম আছিল। আমি তেখেত (আঃ)ৰ লিখনীৰ আৰু বিভিন্ন ঘটনাসমূহক পঢ়ি কেৱল এক ধাৰণা কৰো যে তেখেত (আঃ) স্বকীয় খোদাৰ সৈতে বৰ ভালপোৱা আছিল। কিন্তু সঁচা এয়া যে তেখেত (আঃ)ৰ হৃদয়ত আল্লাহ তা'লাৰ প্ৰতি কিমান ভালপোৱা আছিল? আৰু কেনেকুৱা প্ৰেমৰ উৎসাবোৰ তেখেত (আঃ)ৰ হৃদয়ত আছিল,ইয়াৰ সঠিক ধাৰণা কাৰো পক্ষে সম্ভৱপৰ নহয়? তেখেত (আঃ)ৰ গোটেই জীৱন আল্লাহ তা'লাৰ সকলোবোৰ আদেশৰ অনুকৰণত আছিল। গোটেই সেইবোৰ কথাৰ পৰা তেখেত (আঃ)য়ে আঁতৰত থাকিছে কোৰাণ মজীদে যিবোৰ কথাসমূহৰ পৰা আঁতৰত থাকিবলৈ কৈছে; আৰু সেইবোৰ আদেশসমূহ পালন কৰিছে যিবোৰক আল্লাহ তা'লাই আদেশ দিছে। নিজৰ খোদাৰ ওপৰত পৰিপূৰ্ণ ভৰসাশীল আছিল। অলপ সময়ৰ বাবেও কোনো মানুহৰ ওপৰত,কোনো পাৰ্থিৱ বস্তুৰ ওপৰত ভৰসা কৰা নাছিল আৰু নে খোদাৰ বাহিৰে অইন কোনোবাক সহায়ৰ যোগ্য বুলি ভাৱিছে। যেতিয়া তেখেত (আঃ)ৰ দেউতাৰ মৃত্যু হয় যিজন মোৰ সহায়ক আছিল। এয়া এক প্ৰাকৃতিক ধাৰণা আছিল। ইয়াৰ অৰ্থ এয়া নহয় যে তেখেতৰ মস্তিষ্কত সেই সময়ত আল্লাহৰ অস্তিত্বৰ কল্যাণৰ ধাৰণা উপজা নাছিল। তেখেত (আঃ) য়ে বাল্যকালৰ পৰাই নিজৰ খোদাৰ প্ৰেমত মগ্ন থাকিছে আৰু সেইজনাৰ হৈয়ে ৰৈ গৈছিল। যেতিয়া এই ধাৰণা উপজিল (অৰ্থাৎ তেখেতৰ দেউতাৰ মৃত্যু ঘটে তেতিয়া নিৰাশা হৈ পৰিছিল) তেতিয়া আল্লাহৰ তৰফৰ পৰা ইলহাম হয় যে,

اَلَيۡسَ اللّٰہُ بِکَافٍ عَبۡدَہٗ

আল্লাহ নিজৰ ভৃত্যৰ বাবে যথেষ্ট নহয় নে ? এই ইলহামে তেখেতক আল্লাহৰ প্ৰেমত আৰু বেছি প্ৰগাঢ় কৰিলে আৰু খোদাৰ সৈতে সম্পৰ্ক আৰু বেছি শক্তিশালী হৈ কৰি তোলে। আল্লাহ তা'লাৰ সৈতে তেখেতৰ ভালপোৱা এনেকুৱা আছিল যে আল্লাহ তা'লা তেখেত (আঃ)ৰ হৈ গৈছিল আৰু তেখেত (আঃ)আল্লাহ তা'লাৰ হৈ গৈছিল। আল্লাহ তা'লাই জাৰিউল্লাৰ খিতাপ প্ৰদান কৰে,অৰ্থাৎ আল্লাহৰ বলবান; আৰু তেখেত (আঃ)য়ে নিজকে খোদাৰ সিংহ বুলি কলে। অৰ্থাৎ তেখেত (আঃ)য়ে নিজৰ এটা কবিতাত নিজৰ বিৰোধীসকলক সম্বোধন কৰি লিখিছে,

جو خدا کا ہے اُسے للکارنا اچھا نہیں

ہاتھ شیروں پر نہ ڈال اَے رُوبہٗ زار و نزار

অনুবাদ ঃ যি খোদাৰ হয় তাৰ সৈতে চেলেঞ্জ কৰা ঠিক নহয়;
হাত সিংহৰ ওপৰত নাৰাখিবা হে দুৰ্বলকাৰী।

খোদাৰ তা'লাৰ সৈতে তেখেত (আঃ)ৰ ভালপোৱা নিম্নৰ লিখনীৰ পৰা জানিব পৰা যায় যে কেনেকুৱা তেখেতৰ হৃদয়ত উৎসা আছিল যাৰ ফলত খোদাক মই প্ৰাপ্ত কৰিছোঁ,সম্ভৱত দুনিয়া তাক চিনিব পাৰিল হয়; তাৰ সৈতে মন লগোৱাই তাৰ ওপৰত বিশ্বাস কৰি লোৱা, অৰ্থাৎ তেখেত (আঃ)য়ে কৈছে,

কিমান দুৰ্ভাগ্যপূৰ্ণ সেই ব্যক্তি যিয়ে এতিয়ালৈকে এয়া নেজানে যে তাৰ এজন খোদা আছে যিয়ে প্ৰত্যেক বস্তুৰ ওপৰত ক্ষমতাবান; আমাৰ বেহেস্ত আমাৰ খোদা হয় আমাৰ উন্নত ধৰণৰ সোৱাদ আমাৰ খোদাত আছে কাৰণ আমি সেইজনাক দেখিছো আৰু প্ৰত্যেক ধৰণৰ সৌন্দৰ্যতা তাৰ মাজত পাইছো; এই মুকুতা প্ৰাপ্ত কৰাৰ যোগ্য যদিওবা প্ৰাণৰ বিনিময়ত অৰ্জিত হয় আৰু এই মুকুতা ক্ৰয় কৰাৰ যোগ্য যদিওবা গোটেই অস্তিত্ব সমাপ্তৰ পৰিৱৰ্তে অৰ্জিত হয়।

হে বঞ্চিতকাৰী ! সেই নিজৰাৰ ফালে দৌৰি যোৱা সেইটোৱে তোমাক

প্লাৱিত কৰিব,এয়া জীৱনৰ নিজৰা হয় যিয়ে তোমাক বচাব। মই কি কৰো আৰু কেনেকৈ এই শুভ সংবাদক হৃদয়ত স্থান দিওঁ; কেনেকুৱা ঢোলৰ দ্বাৰা মই বজাৰত ঘোষণা কৰো যে তোমালোকৰ এয়া খোদা হয় যাতে লোকসকলে শ্ৰৱণ কৰিব পাৰে,আৰু কেনেকুৱা ঔষধৰ দ্বাৰা চিকিৎসা কৰো যাক শ্ৰৱণ কৰাৰ বাবে মানুহৰ কৰ্ণ খুলে।

যদি তুমি খোদাৰ হৈ যোৱা তেতিয়া নিশ্চত ভাৱে ভৰা যে খোদা তোমাৰ হয়,তুমি শুই থকা অৱস্থাত খোদা তোমাৰ বাবে জাগ্ৰত থাকিব,তুমি শত্ৰুৰ পৰা সতৰ্কতা অৱলম্বন কৰা নাছিলা আৰু খোদাই সেয়া দেখি সেই কৌশলক ভাঙি পেলাব; এতিয়ালৈকে  তুমি নেজানা যে তোমাৰ খোদাৰ মাজত কিমান ক্ষমতা আছে। যদি তুমি জানিলা হয় তেতিয়া তোমাৰ ওপৰত এনেকুৱা দিন নাহিল হয় যে যাৰ ফলত দুনিয়া কঠোৰ দুঃখিত হৈ গ'ল হয়; এজন ব্যক্তি যিয়ে এক খাজানা নিজৰ ওচৰত ৰাখে  তেওঁৰ এক পইচা বিনষ্ট হৈ যোৱাৰ ফলত ক্ৰন্দন কৰেনে ? চিঞৰ-বাখৰ কৰেনে আৰু ধ্বংস হ'ব ধৰেনে ? যদি তোমাৰ সেই খাজানাৰ সংবাদ হৈ যায় যে খোদা তোমাৰ প্ৰত্যেক প্ৰয়োজনীয়তাৰ সময়ত কামত আহিব,তেতিয়াহলে তুমি পাৰ্থিৱতাৰ ফালে কিয় অগ্ৰসৰ হোৱা, খোদা এক প্ৰিয় খাজানা হয় তাৰ শ্ৰোদ্ধা কৰা,সেইজনা তোমাৰ প্ৰত্যেক খোজৰ সহায়ক হয়,সেইজনা অবিহনে তুমি একোৱেই নোহোৱা আৰু নে তোমাৰ কাৰণসমূহ আৰু কৌশলসমূহ কোনো বস্তু হয়।

(কিশতি নুহ পৃঃ ১৯,২০,ৰুহানি খজাইন জিলদ ১৯ পৃঃ ২১,২২)

তেখেত (আঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ কিছু ঈমান বৰ্দ্ধক ঘটনাসমূহ নিম্নত উল্লেখ কৰা হৈ আছে ঃ

## নমাজৰ প্ৰতি মহব্বত

বাল্যকালৰ পৰাই তেখেত (আঃ)নমাজৰ প্ৰতি আকৃষ্ট আছিল। নমাজৰ প্ৰতি মহব্বতো প্ৰকৃতাৰ্থে আল্লাহৰ সৈতে মহব্বত কৰাৰ ফলত সৃষ্টি হয়। তেখেতে দিনতে মছজিদত বেছি থাকিছে আৰু ইছলামৰ কিতাপসমূহৰ অধ্যয়নত

ডুবি থাকিছে। বেছিৰ ভাগ সময় মছজিদত অতিবাহিত কৰাৰ কাৰণে লোকসকলৰ মাজত **মুছতায়েৰ** নামেৰে বিখ্যাত আছিল। অতি কম বয়সতে নমাজৰ প্ৰতি ধ্যান আৰু আকৃষ্টৰ এটা ঘটনা যি আচলতে তেখেতৰ খোদা প্ৰেমী আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ প্ৰমাণ দাঙি ধৰে; এইদৰে হজৰত আকদছ (আঃ)ক আৰম্ভণীৰ পৰাই নমাজৰ প্ৰতি প্ৰগাঢ় সম্পৰ্ক আছিল আৰু প্ৰাকৃতিক ভাৱে লাগি আছিল যি বয়সৰ শেষ মুহূৰ্তলৈকে এক নিচাৰ নিচিনা তেখেতৰ হৃদয়ত আৰু মস্তিষ্কত আছিল। জামাত আহমদীয়াৰ প্ৰথম ইতিহাসবিদ হজৰত শেখ ইয়াকুব আলি চাহাব ইৰফানি (ৰাঃ)য়ে তেখেতৰ আৰম্ভণীৰ ইতিহাসত এই আশ্চৰ্যমূলক ঘটনা উল্লেখ কৰিছে যে যেতিয়া তেখেতৰ বয়স অতি কম আছিল তেতিয়া নিজৰ ছোৱালীক কৈছিল যে প্ৰচুৰ দোৱা কৰা যে খোদা মোক নমাজৰ প্ৰতি যেন আকৃষ্ট  কৰে। এই বাক্য দেখাত অতি সংক্ষিপ্ত  কিন্তু তাৰ পৰা খোদাৰ প্ৰতি প্ৰেমৰ সেই স্ৰোতক জানিব পৰা যায় যি অসাধাৰণ ৰূপত আৰম্ভণীৰ পৰা তেখেতৰ অস্তিত্বত অৱতীৰ্ণ হৈ আছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ এই প্ৰকৃত প্ৰবণতাৰ মানচিত্ৰ আকি এঠাইত লিখিছে যে,

اَلْمَسْجِدُ مَكَانِىْ وَالصَّالِحُوْنَ اِخْوَانِىْ

وَذِكْرُ اللهِ مَالِىْ وَ خَلْقُ اللهِ عَيَالِىْ

প্ৰথমেৰে পৰাই মছজিদ আমাৰ ঘৰ,পুণ্যতা মোৰ ভাতৃ,খোদাৰ স্মৰণ মোৰ সম্পত্তি আৰু খোদাৰ স্ৰষ্টা মোৰ বংশধৰ হয়।

(তাৰিখে আহমদীয়ত জিলদ আউৱাল পৃঃ ৫৩)

কঠিনৰ পৰা কঠিন অৱস্থাত নমাজক বিনষ্ট হ'বলৈ দিয়া নাই অৰ্থাৎ নিৰ্ধাৰিত সময়ত নমাজ আদায় কৰিছে। নমাজ প্ৰকৃততে আল্লাহক স্মৰণ কৰাৰ নাম হয় যেনেকুৱা আল্লাহ তা'লাই কৈছে,

وَاَقِمِ الصَّلٰوةَ لِذِكْرِىْ ۝١٥ (20:15)

আৰু মোক স্মৰণ কৰাৰ বাবে নমাজ প্ৰতিষ্ঠা কৰা। গতিকে নমাজ সকলো

অৱস্থাতে প্ৰাধান্য দিয়া তেখেত (আঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ডাঙৰ চিহ্ন হয়। এই সম্পৰ্কে দুটা ঘটনা উত্থাপন কৰা হৈ আছে ঃ-

অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ জীৱনত বিভিন্ন সময়ত মোকৰ্দমাৰ অনুসৰণ কৰি আদালতত উপস্থিত হৈছে গতিকে নিম্নত দুটা ঘটনা এনেকুৱা সময়ৰ উল্লেখ কৰা হৈ আছে,

মুৱাৰৰিখ আহমদীয়ত মাউলানা দোস্ত মহম্মদ শ্বাহিদ চাহাব মৰহুম ও মগফুৰে লিখিছে,

মোকৰ্দমা যিমানেই জটিল হওঁক,গুৰুত্বপূৰ্ণ হওঁক আৰু তেখেত নিজস্ব ভাৱে বা তেখেতৰ বংশধৰৰ বাবে দুঃখজনক ফলাফল নহওঁক কিয় তেখেত নমাজক প্ৰত্যেক ক্ষেত্ৰত প্ৰাধান্য দিছিল। অৰ্থাৎ তেখেতৰ ৰিকাৰ্ড আছে যে তেখেত সেই মোকৰ্দমা চলি থকা অৱস্থাতো কোনো নমাজ কাজা হ'বলৈ দিয়া নাই। নিৰ্ধাৰিত সময়ত নমাজৰ সময় যেতিয়া আহিছিল তেতিয়া পৰিপূৰ্ণ মগ্ন আৰু উৎসাৰ সৈতে নমাজত মগ্ন থাকিছে এনেকুৱা লাগিছে যে তেখেত মাথোঁ নমাজ পঢ়াৰ বাবেই আহিছে,ইয়াৰ বাহিৰে আন কোনো কাম সেই সময়ত তেখেতৰ দৃষ্টিত নাছিল। মাজে সময়ে এনেকুৱা হৈছিল যে খোদা তা'লাৰ চৰণত থিয় হৈ বিনম্ৰতা দেখুৱাইছিল আৰু সেই সময়ত মোকৰ্দমাও আছিল তথাপি তেখেতৰ মগ্ন,আল্লাহৰ ওপৰত ভৰসা আৰু হৃদয়ৰ পৰিস্থিতি এনেকুৱা আছিল যে যেতিয়ালৈকে আল্লাহৰ আস্থানত পৰিপূৰ্ণ হৃদয়ৰ সৈতে মগ্ন নহৈছিল তেতিয়ালৈকে তাৰ আস্থানৰ পৰা ওভতি অহাৰ কল্পনাও কৰা নাছিল। অৰ্থাৎ তেখেতে কৈছে ঃ-

মই বাটালালৈ এটা মোকৰ্দমাৰ অনুসৰণত গলো। নমাজৰ সময় হৈ গৈছিল আৰু মই নমাজ পঢ়িব ধৰিলো। চপড়াছী (গোপনীয় অৱস্থাত যিজনে মুখত কাপোৰেৰে ঢাকে)য়ে মাত লগায় তেতিয়া নমাজৰ অৱস্থাতেই আছিলো দ্বিতীয় দল উত্থাপন হয় আৰু তেওঁ এফলীয়া কাৰ্যকলাপেৰে লাভ উঠাব বিচাৰিলে আৰু এই কথাৰ ওপৰত বহু জোৰ লগালে কিন্তু আদালতে তাৰ ভ্ৰূক্ষেপ নকৰিলে আৰু মোকৰ্দমা তেওঁৰ বিৰুদ্ধে কৰি দিলে আৰু মোক মুক্ত

কৰি দিলে,মই যেতিয়া নমাজ সমাপ্ত কৰি গলো তেতিয়া মোৰ ধাৰণা আছিল যে সম্ভৱত হাকিমে আইন অনুযায়ী মোৰ অনুপস্থিতিৰ ফালে ধ্যান দিছে, কিন্তু যেতিয়া মই উপস্থিত হলো আৰু মই কলো যে মই নমাজ পঢ়ি আছিলো তেতিয়া তেওঁ কলে যে মইতো আপোনাক মুক্ত কৰি দিছো।

আদালতৰ পৰা অনুপস্থিতি হোৱা সত্বেও তেখেতৰ পক্ষত সিদ্ধান্ত হৈ যোৱা এটা ডাঙৰ ঐশ্বৰিক নিদৰ্শন আছিল যি তেখেত অনুপস্থিত থকা সত্বেও প্ৰকাশ পালে। (তাৰিখে আহমদীয়ত জিলদ আউৱাল পৃঃ ৭৭)

## এই ল'ৰা নবুয়তৰ যোগ্য হয়

যেনেকুৱা উল্লেখ কৰা হৈছে যে হজৰত মছীহ মাওউদ (আঃ)বাল্যকালৰে পৰাই বৰ পৱিত্ৰ অভ্যাসৰ আৰু খোদা ভীতি আছিল। তেখেত (আঃ)ৰ খোদা প্ৰেমীক অভ্যাসৰ প্ৰতি সকলো নম্ৰ শ্ৰেণীৰ মানুহ উন্মাদ আছিল।

নিম্নত উল্লেখ কৰা ঘটনাই তেখেত (আঃ)ৰ বাল্যকালৰ পৰাই পুণ্য আৰু খোদা ভীতি হোৱাৰ প্ৰতি আলোকপাত কৰে ঃ-

মিঞা মহম্মদ ইয়াছিন চাহাব আহমদী শিক্ষক বলুচিস্থানৰ পৰা বৰ্ণিত যে,

মোক মৌলবী বুৰহান উদ্দিন চাহাব (ৰাঃ)য়ে কৈছে যে এবাৰ হজৰত মছীহ মাওউদ (আঃ)য়ে গোলাম ৰছুল চাহাব কিলা মিঞা শিংৰ ওচৰত যায় আৰু সেই সময়ত হুজুৰ শিশুৱেই আছিল। এই সভাত কিছু কথা হৈ আছিল। কথা কথাত মৌলবী গোলাম ৰছুল চাহাবে যিয়ে অলীউল্লাহ আছিল, কৈছে যে যদি এই যুগত কোনো নবী হ'ল হয় তেতিয়া এই ল'ৰা নবীৰ যোগ্য হ'ল হয়। সিহঁতে এই কথা হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰতি ভালপোৱা প্ৰকাশ কৰি কৈছিল,মৌলবী বুৰহান উদ্দিন চাহাবে কৈছে যে মই নিজেই এই সভাত উপস্থিত আছিলো। মাননীয় মৌলবী গোলাম মহম্মদ চাহাব বাসিন্দা বেগু ৱালা জিলা ছিয়ালকোটে কৈছে যে মই এই কথা নিজৰ দেউতা মহম্মদ কাছিম চাহাবৰ পৰা এইদৰেই শুনিছো। (তাৰিখে আহমদীয়ত জিলদ আউৱাল পৃঃ ৫৩)

# মইতো দাস হৈ গৈছো

হজৰত মছীহ্ মাওউদ (আঃ)ৰ দেউতা তেওঁৰ প্ৰতি বৰ চিন্তা-ভাৱনাত আছিল যে মোৰ সৰু ল'ৰা গোটেই দিন মছজিদতেই থাকে,কেৱল নমাজ আৰু কোৰাণ পঢ়ি থাকে অৱশেষত তেওঁ নিজৰ সন্তান আৰু স্ত্ৰীক কেনেকৈ লালিত-পালিত কৰিব ? ঘৰৰ মালিকৰ যোগ্য কেতিয়া হ'ব। অৰ্থাৎ এই চিন্তা-চেতনাত তেখেত (আঃ)ৰ দেউতাই এবাৰ চৰকাৰী চাকৰিত লগাব বিচাৰিলে। হজৰত মছীহ্ মাওউদ (আঃ)য়ে উত্তৰত নিজৰ দেউতাক কলে যে মই য'ত চাকৰি কৰিব লগা আছিল কৰি লৈছো মইতো দাস হৈ গৈছো। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)য়ে বয়ান কৰিছে যে,

ঝান্ডা শিং বাসিন্দা কানুহাই বৰ্ণনা কৰিছে যে মই মিৰ্জা চাহাবৰ ওচৰত অহা যোৱা কৰিছিলোঁ। এবাৰ মোক মিৰ্জা চাহাবে কয় যে যোৱা গোলাম আহমদ চাহাবক মাতি অনা,এজন ইংৰাজ হাকিম মোৰ অৱগত এই জিলাত আহিছে আৰু তেওঁৰ ইচ্ছা হয় যদি কোনো পদবীত দাসত্ব কৰি দিও,ঝাণ্ডা শিংয়ে কৈছিল যে মই মিৰ্জা চাহাবৰ ওচৰলৈ গলো আৰু দেখিবলৈ পাওঁ যে চাৰিওফলে কিতাসমূহৰ স্তুপ লগাই তাৰ মাজত বহি কিছু অধ্যয়ন কৰি আছে। মই ডাঙৰ মিৰ্জা চাহাবক পয়গাম পৌচাই দিলো,মিৰ্জা চাহাব আহি উত্তৰ দিলে,"মইতো দাস হৈ গৈছো" ডাঙৰ মিৰ্জা চাহাবে কলে যে সঁচাকৈয়ে দাস হৈ গৈছে নে ? মিৰ্জা চাহাবে কলে হয়,হৈ গৈছো। ইয়াৰ ওপৰত ডাঙৰ মিৰ্জা চাহাবে কলে, ভাল, দাস হৈ গৈছা যদি উত্তম।

মই কলো যে কালহুৱা কাদিয়ানৰ পৰা দক্ষিণ ফালে দুই মাইল দূৰত্বত অৱস্থিত এখন গাঁও হয়, আৰু দাস হোৱাৰ অৰ্থ খোদাৰ দাসত্ব হয়; আৰু মই কলো যে ঝাণ্ডা শিং কেইবাবাৰ এই ৰিৱায়ত বৰ্ণনা কৰিছে আৰু তেওঁ কাদিয়ানৰ বৰ্তমান উন্নতিক দেখি হজৰত মছীহ্ মাওউদ (আঃ)ৰ কথা বহুত বাৰ উল্লেখ কৰিছিল আৰু তেওঁৰ সৈতে বৰ ভালপোৱা ৰাখিছিল।

(ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা আউৱাল লিখক হজৰত মিৰ্জা বশিৰ আহমদ এম,এ (ৰাঃ)পৃঃ নম্বৰ ৪৩ ৰিৱায়ত নম্বৰ ৫২)

## যেতিয়া তেখেত (আঃ) য়ে কৈছে বৰ গৰম তেতিয়া বৰষুণ হৈ পৰিছে

**হজৰত মির্জা বশিৰ আহমদ এম,এ (ৰাঃ)য়ে বর্ণনা কৰিছে যে,**

আমাৰ পৰা বর্ণনা কৰিছে কাজী আমিৰ হুছেইন চাহাবে যে হজৰত মছীহ মাওউদ (আঃ)ৰ যুগ আচৰিত ধৰণৰ আছিল কাদিয়ানত দুই দিন গৰম হোৱাই নাছিল তৃতীয় দিন বৰষুণ হৈ পৰিছিল,যেতিয়া গৰম পৰিছিল আৰু আমি হজৰত চাহাবক কৈছিলো যে হুজুৰ বহুত গৰম হয় তেতিয়া দ্বিতীয় দিনতেই বৰষুণ হৈ গৈছিল। মৌলবী ছৈয়দ ছৰৱাৰ শ্বাহ চাহাবে বর্ণনা কৰিছে যে সেই যুগত শস্য সম্পৰ্কেও কোনো অভিযোগ উত্থাপন হোৱা নাই। মই ঘৰত গৈ দেউতাক এই কথাষাৰ উল্লেখ কৰো তেতিয়া তেওঁ কয় যে হজৰত চাহাব যেতিয়া কৈছিল আজি বৰ গৰম তেতিয়া বেছিৰ ভাগ সময় সেই দিনতেই বা দ্বিতীয় দিনতেই বৰষুণ হৈছিল,আৰু তেখেতৰ পিছত ন মাহ অগ্নিৰ উত্তপ্ত হয় আৰু বৰষুণ হোৱা নাছিল।

(ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা আউৱাল লিখক হজৰত মির্জা বশিৰ আহমদ এম,এ (ৰাঃ) পৃঃ ৫১-৫২ ৰিৱায়ত নম্বৰ ৭০)

## মোক কোনোবাই অগ্নিত নিক্ষেপ কৰি চাওঁক

হজৰত মির্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ) য়ে বর্ণনা কৰিছে মোৰ পৰা চৌধৰী হাকিম আলি চাহাবে যে এবাৰ কোনো হিন্দুই অভিযোগ কৰে যে হজৰত ইব্রাহিম (আঃ)ৰ ওপৰত জুই কেনেকৈ ঠাণ্ডা হৈ গ'ল ? এই অভিযোগৰ উত্তৰ হজৰত মৌলবী চাহাব খলিফাতুল মছীহ প্ৰথমে লিখিছে যে অগ্নিৰ অর্থ যুদ্ধ আৰু শত্রুতাৰ অগ্নি হয়। এই দিনবোৰতে এদিন হজৰত মছীহ মাওউদ (আঃ)এখন সৰু মছজিদত বহি আছিল আৰু আমি তেখেতৰ ভৰি টিপি আছিলো,আৰু হজৰত মৌলবী চাহাবেও কাষতেই বহি আছিল যে কোনোবাই হজৰত চাহাবক এই অভিযোগ আৰু ইয়াৰ উত্তৰ যি মৌলবী চাহাবে লিখিছিল সেয়া শুনালে। হজৰত চাহাবে কৈছে এনে কষ্টৰ কিয়

প্ৰয়োজন আছে আমি উপস্থিত আছো আমাক কোনোবাই অগ্নিত নিক্ষেপ কৰি চাওঁক যে অগ্নি বাগান হৈ যায় নে নহয়। মই কলো যে এই অভিযোগ ধৰম পাল আৰ্য ইছলাম ধৰ্ম ত্যাগে কৰিছিল আৰু হজৰত মৌলবী চাহাবে এই কিতাপ "তৰকে ইছলাম" ৰ উত্তৰত "নুৰউদ্দিন" কিতাপ লিখিছিল,ইয়াতে তেখেতে এই উত্তৰ দিছিল যে জুইৰ অৰ্থ বিৰোধীসকলৰ শত্ৰুতাৰ জুই হয় কিন্তু হজৰত চাহাবলৈ যেতিয়া এই কথা পৌচায় তেতিয়া ইয়াক অপছন্দ কৰে আৰু কয় এই বৰ্ণনাৰ প্ৰয়োজন নাই এই যুগত আমি উপস্থিত আছো কোনো বিৰুদ্ধবাদীক শত্ৰুতাৰ কাৰণে জুইত নিক্ষেপ কৰি চাওঁক খোদা সেই জুইক ঠাণ্ডা কৰি দিয়ে নে নাই। অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)য়ে আন এঠাইত এই ব্যাখ্যাক নিজৰ এটা কবিতাত বৰ্ণনা কৰি কৈছে ঃ-

ترے مکروں سے اے جاہل مرا نقصاں نہیں ہرگز
کہ یہ جاں آگ میں پڑکر سلامت آنے والی ہے

**অৰ্থ ঃ** হে অজ্ঞ ঃ তোমাৰ কৌশলে মোৰ কেতিয়াও ক্ষতি কৰিব নোৱাৰে
এই প্ৰাণ অগ্নিত সোমাইয়ো শান্তিৰ সৈতে ওভতি আহিবলগীয়া হয়।

আৰু তেখেতৰ এটা ইলহামও এই ব্যাখ্যাক প্ৰকাশ কৰে য'ত খোদা তা'লা তেখেতক কৈছে যে তুমি লোকসকলক কয় দিয়া যে আমাক ভয় নেদেখুৱাবা জুই আমাৰ গোলাম অৰ্থাৎ গোলামৰো গোলাম হয়। মই কলো যে চৌধৰী হাকিম আলী চাহাবে এই ঘটনাও বৰ্ণনা কৰিছে যে এবাৰ কোনো ব্যক্তিয়ে এই তামাচা দেখুওৱা আৰম্ভ কৰিলে যে অগ্নিত সোমাই গৈছিল আৰু জুই তেওঁৰ কোনো ক্ষতি কৰা নাছিল। এই ব্যক্তিয়ে বিৰোধীতা কৰি হজৰত চাহাবৰ নাম লৈ কলে যে তেওঁ মছীহ হোৱাৰ দাবী কৰে, যদি সত্য হয় তেন্তে ইয়াত আহি যাওঁক আৰু মোৰ সৈতে জুইত সোমাই যাওঁক,কোনো ব্যক্তিয়ে এই কথা বাহিৰৰ পৰা চিঠিত মোলৈ লিখিলে আৰু মই সেই চিঠি হজৰত চাহাবৰ সন্মুখত উত্থাপন কৰিলোঁ। তেওঁ কৈছিল যে এইটো এটা কুহক হয় আমি তালৈ যাব নোৱাৰো কিন্তু আপুনি লিখি দিয়ক যে তেওঁ ইয়ালৈ আহি

যাওঁক। যদি মোৰ সন্মুখত তেওঁ জুইত সোমাই যায় তেতিয়া জীৱিত অৱস্থাত তাৰ পৰা ওলাব নোৱাৰিব।

(ছিৰতুল মাহদী জিলদ আউৱাল হিচ্ছা আউৱাল লিখক হজৰত মিৰ্জা বশিৰ আহমদ এম,এ (ৰাঃ) পৃঃ ১৩৬-১৩৮ ৰিৱায়ত নম্বৰ ১৪৭)

## জুই আপোনাক জ্বলাব নোৱাৰিলে

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আমাক জুইত নিক্ষেপ কৰি চাওঁক যে জুই বাগিচা হৈ যায় নে নাই এই দাবীৰ সত্যায়ন আন এটা ঘটনাৰ পৰা প্ৰতীয়মান হয় যে জুই আপোনাক নিশ্চিত ৰূপত জ্বলাব নোৱাৰিলে। হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,

"মই কলো যে হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে এদিনৰ ঘটনা যেতিয়া মই ছিয়ালকোটত আছিলো,এদিন বৰষুণ হৈ আছিল যি কোঠালিৰ ভিতৰত বহি আছিলো তাতে বিদ্যুত আহিলে,গোটেই কোঠালি ধুঁৱাৰ নিচিনা হৈ গ'ল আৰু গন্ধক (হালধীয়া বৰণৰ এক পদাৰ্থ যি মাটিৰ পৰা ওলায়)ৰ গন্ধ আহে যাৰ পৰা মোৰ কোনো ক্ষতি সাধিত নহ'ল,সেই সময়ত সেই বিদ্যুৎ এটা মন্দিৰত গৈ পৰিল যি তিখা শিংৰ মন্দিৰ আছিল আৰু তাতে হিন্দুসকলৰ প্ৰথা অনুযায়ী প্ৰদিক্ষণৰ কাৰণে মজলীয়া ভাগৰ ওচৰা-ওচৰি দিৱাল বনোৱা আছিল আৰু ভিতৰত এজন ব্যক্তি বহি আছিল,বিদ্যুৎ চাৰিওফালে ঘূৰি ভিতৰত গৈ তেওঁৰ ওপৰত পৰিলে আৰু তেওঁ জ্বলি কয়লাৰ নিচিনা ক'লা হৈ গ'ল। চোৱা সেই বিদ্যুৎ জুই আছিল যিয়ে তাক জ্বলাই দিলে কিন্তু মোৰ একোৱে ক্ষতি সাধন কৰিব নোৱাৰিলে কাৰণ খোদাই আমাক সুৰক্ষিত কৰিছে"

(ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্ছা আউৱাল লিখক হজৰত মিৰ্জা বশিৰ আহমদ এম,এ (ৰাঃ)পৃঃ২১৬ ৰিৱায়ত নম্বৰ ২৩৬)

## তেখেত সত্যবাদী হোৱাৰ ওপৰত পূৰ্ণ বিশ্বাস

হজৰত মছীহ মাওউদ (আঃ)ক আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ফলত নিজৰ আকা আৰু মুতাআ হজৰত ৰছুলে কৰিম (ছাঃ)ৰ নিচিনা নিজে সত্যবাদী

হোৱাত পৰিপূৰ্ণ বিশ্বাস আছিল, অৰ্থাৎ এই ক্ষেত্ৰত নিম্ন লিখিত ঈমান উদ্দীপক ঘটনা এই কামৰ স্পষ্ট প্ৰমাণ হয় ঃ-

হজৰত মিৰ্জা বশিৰ আহমদ এম,এ (ৰাঃ)য়ে বৰ্ণনা কৰিছে,

হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত মছীহ মাওউদ (আঃ)ৰ যুগত জামাত আহমদীয়া কপুৰথলা আৰু অআহমদীসকলৰ তাতে থকা মছজিদৰ সম্পৰ্কে এটা মোকৰ্দমা হৈ যায়। যি জজ (ন্যায়াধীশ)ৰ ওচৰত এই মোকৰ্দমা যায় তেওঁ নিজে অআহমদী আছিল আৰু বিৰুদ্ধবাদী আছিল। তেওঁ এই মোকৰ্দমাত বিৰোধীতা কৰিব আৰম্ভ কৰিলে। এই পৰিস্থিতিত কপুৰথলাৰ জামাত ভীতিগ্ৰস্ত হৈ হজৰত মছীহ মাওউদ (আঃ)ক চিঠি লিখিলে আৰু দোৱাৰ বাবে আবেদন জনালে। হজৰত চাহাবে তেওঁক উত্তৰত লিখিলে যে মই সত্যবাদী হওঁ মছজিদ তুমি পাই যাবা কিন্তু জজ (ন্যায়াধীশে) বিৰোধীতা আৰম্ভ কৰি দিছে,অৱশেষত তেওঁ আহমদীৰ বিৰুদ্ধে সিদ্ধান্ত লিখিলে,যিদিনা তেওঁ ফয়চালা শুনাব লগীয়া আছিল সেই দিন ৰাতিপুৱাৰ সময়ত কাপোৰ পৰিধান কৰি কোঠালিৰ চোতাললৈ ওলালে আৰু নিজৰ দাসক কৈ জুতা পিন্ধোৱালে আৰু তেওঁ এটা চিয়াৰত বহি গ'ল। দাস জনে ফিতা বান্ধিবলৈ আৰম্ভ কৰিলে যে হঠাৎ কৰি তাৰ পৰা এটা খট্ শব্দ আহিলে তেতিয়া তেওঁ ওপৰলৈ দৃষ্টি নিক্ষেপ কৰি দেখিবলৈ পায় তেওঁৰ আকা অসহায় হৈ চিয়াৰৰ ওপৰত উলটা হৈ পৰি আছে। তেওঁ তেওঁক স্পৰ্শ কৰি জানিব পাৰিলে যে তেওঁৰ মৃত্যু হৈ গৈছে। অৰ্থাৎ হঠাৎ কৰি তেওঁৰ হৃদয় কাম কৰা বন্ধ হৈ তেওঁৰ প্ৰাণ হানি হৈ যায়। ইয়াৰ কায়েম মকাম (উপ প্ৰতিনিধি) এজন হিন্দু নিযুক্ত হয় যিয়ে এয়া লিখিলে যে, সিদ্ধান্তক কাটি আহমদীৰ পক্ষত সিদ্ধান্ত কৰি দিলে।

(ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা আউৱাল পৃঃ ৫৭ ৰিৱায়ত নম্বৰ ৭৯)

# আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন আৰু ঐশ্বৰিক সুৰক্ষাৰ ঈমান উদ্দীপক ঘটনা,

ছৈয়দিনা হজৰত মছীহ মাওউদ (আঃ)ক ১৮৮৪ চনত ছিয়ালকোটত কিছু বছৰ চৰকাৰী চাকৰি কৰিব লগা হ'ল। এই চাকৰিৰ কাৰণে তেখেত চাৰি বছৰ ছিয়ালকোটত অবস্থান কৰিলে।

আৰম্ভণীত তেখেত (আঃ)ক এলেকা ঝাণ্ডা নৱালাত এটা কাঠেৰে নিৰ্মাণ কৰা কোঠালিত অৱস্থান কৰিব লগা হ'ল,সেই কাঠেৰে নিৰ্মাণ কৰা কোঠালিখন পৰি যোৱা আৰু অলৌকিক ঘটনা হিচাপে তেখেত (আঃ)ৰ মাধ্যম হৈ তাৰ ভিতৰত থকা সকলো সদস্যই সুৰক্ষিত থকাৰ ঘটনা তেখেত (আঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ এক উজ্জ্বল আৰু ঈমান উদ্দীপক ঘটনা নিম্নত উল্লেখ কৰা হ'ল,তেখেত (আঃ)য়ে কৈছে,

এবাৰ ৰাতিত মই এখন ঘৰত দ্বিতীয় মহলাত শুই আছিলো আৰু সেই কোঠালিত মোৰ সৈতে ১৫ বা ১৬ জন মানুহ আৰু আছিল। ৰাতিৰ সময় ছাদৰ পৰা টক্ টক্ শব্দ আহিল। মই মানুহবিলাকক সাৰ কৰালো যে ছাদ ভয়ঙ্কৰ অৱস্থাত আছে বুলি জানিব পৰা গ'ল গতিকে ইয়াৰ পৰা ওলাই যোৱা উচিত। সিহঁতে কলে কোনো নিগনি হ'ব, ভয়ৰ কোনো কথা নহয় এয়া কৈ শুই পৰিলে। কিছু সময় পিছত তেনেকুৱাই শব্দ আহিলে তেতিয়া মই দ্বিতীয়বাৰ সিহঁতক সাৰ কৰালো তথাপি সিহঁতে কোনো ভ্ৰূক্ষেপই নকৰিলে। আকৌ তৃতীয়বাৰ আচ্ছাদানৰ পৰা শব্দ আহিলে তেতিয়া মই সিহঁতক কঠোৰতা প্ৰয়োগ কৰি সাৰ কৰালো আৰু সকলোকে ঘৰৰ পৰা ওলোৱাই দিলো আৰু যেতিয়া সকলোৱে ওলাই গ'ল আৰু মইয়ো তাৰ পৰা ওলাই পৰিলো ইমানতে দ্বিতীয় খট্খটীত আছিলো ইমানখিনিতেই সেই আচ্ছাদান পৰি গৈ দ্বিতীয় আচ্ছাদানক লৈ তলত পৰি যায় আৰু সকলোৱে বাচি যায়। (ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা আউৱাল পৃঃ ২১৬,২১৭ ৰিৱায়ত নম্বৰ ২৩৬)

## সকলোৱে আচৰিত আছিল যে এয়া কি ঘটনা হ'ল

খোদা তা'লা নিজৰ পুণ্য ভৃত্যক সদায় সুৰক্ষিত ৰাখে আৰু সিহঁতক অপমান, অসন্মানী আৰু শত্ৰুৰ বিৰোধীতাৰ পৰা ৰক্ষা কৰে। অৰ্থাৎ তেখেত (আঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ এটা ঘটনা নিম্নত উল্লেখ কৰা হ'ল ঃ-

হজৰত মৌলবী নুৰউদ্দিন চাহাব প্ৰথম খলিফা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে এবাৰ কোনো যুক্তি-তৰ্ক চলি থকা অৱস্থাত হজৰত মছীহ মাওউদ (আঃ)ৰ পৰা কোনো বিৰুদ্ধবাদীয়ে কোনো উদ্ধৃতি খুজিলে সেই সময়ত সেই উদ্ধৃতি হজৰতৰ মনত নাছিল আৰু নে তেখেতৰ সেৱককাৰীৰ মাজৰ পৰা কোনোবাৰ মনত আছিল,যাৰ ফলত শত্ৰুতাৰ শংকা সৃষ্টি হ'ল কিন্তু হজৰত মছীহ মাওউদ (আঃ)য়ে বুখাৰী শ্বৰীফৰ এটা উদ্ধৃতি উত্থাপন কৰিলে আৰু তাৰ পৃষ্ঠাবোৰ উলটাব ধৰিলে আৰু ততাতৈয়াকৈ এটা এটা পৃষ্ঠা উলটাব আৰম্ভ কৰিলে অৱশেষত এঠাইত গৈ তেখেত ৰৈ গলে আৰু কলে এয়া চাই লোৱা, দেখোঁতাসকলে আচৰিত হৈ কৈছিল যে এয়া কি ঘটনা। কোনোবাই হজৰত চাহাবক উদ্ধৃতি খুজিলে যাৰ ফলত হজৰত চাহাবে কলে যে যেতিয়া মই কিতাপ হাতত লৈ পৃষ্ঠাসমূহ উলটাব ধৰিলো তেতিয়া কিতাপৰ পৃষ্ঠাবোৰ খালি দেখিবলৈ পালো আৰু তাতে একোৱে লিখা নাছিল আৰু মই সেইবোৰ ততাতৈয়াকৈ উলটাব ধৰিলো অৱশেষত এটা পৃষ্ঠা পালো য'ত কিছু লিখা আছিল আৰু মোৰ দৃঢ় বিশ্বাস হৈ গ'ল যে এইটোৱে সেই উদ্ধৃতি হয় যাৰ সন্ধান মই কৰি আছিলো। অৰ্থাৎ আল্লাহ তা'লাই এনেকুৱা নিষ্পত্তি কৰিলে যে সেই ঠাইখিনিৰ বাহিৰে য'ত উদ্ধৃতি আছিল বাকী সকলোবোৰ পৃষ্ঠা খালি দেখিবলৈ পালো। (ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা দ্বিতীয় লিখক হজৰত মিৰ্জা বশিৰ আহমদ এম.এ (ৰাঃ)পৃঃ নম্বৰ ২৮২ ৰিৱায়ত নম্বৰ ৩০৬)

## আমাৰ কাম শিৰকক (বহু ঈশ্বৰবাদীক) সমাপ্ত কৰা

যেনেকৈ খোদা তা'লাৰ নিজৰ তৌহিদ অতি প্ৰিয় হয় এইদৰে নবীসকলক

দুনিয়াত এক খোদাৰ তৌহিদৰ সৈতে ভালপোৱা সৃষ্টি হৈ যায়। নবীসকল পৃথিৱীত তৌহিদ প্ৰতিষ্ঠাৰ বাবে প্ৰেৰণ হয়। শিৰক (বহু ঈশ্বৰবাদী)ক সমাপ্ত কৰা আৰু তৌহিদক প্ৰতিষ্ঠা কৰা তেখেতসকলৰ প্ৰথম ফৰজ হয়। এই সম্পৰ্কে এটা মনোহৰ ৰিৱায়ত উত্থাপন কৰা হৈ আছে ; হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে ঃ কাজী মহম্মদ ইউচুফ চাহাব পেশাৱৰীয়ে মোক চিঠিৰ মাধ্যমে  সংবাদ দিছে যে মই যেতিয়া প্ৰথম অৱস্থাত কাদিয়ান গলো তেতিয়া এজন ব্যক্তিয়ে নিজৰ ল'ৰাক লৈ হজৰত চাহাবৰ সন্মুখত সাক্ষাতৰ বাবে উপস্থিত হয়। যি সময়ত সেই ল'ৰা হজৰত চাহাবৰ কৰমৰ্দনৰ বাবে আগবাঢ়িলে সন্মানৰ খাতিৰত তেওঁ হজৰতৰ ভৰিত হাত লগাব ধৰিলে,তেতিয়া হজৰত চাহাবে তেখেতৰ কল্যাণমণ্ডিত হাতৰ দ্বাৰা এনেকুৱা কৰাৰ পৰা বিৰত ৰাখিলে আৰু দেখিবলৈ পালো যে তেখেতৰ চেহেৰা ৰঙা হৈ পৰিছে আৰু তেখেতে বৰ উৎসাৰ সৈতে কলে যে নবীসকল দুনিয়াত শিৰক সমাপ্ত ঘটাবৰ বাবে আহে আৰু আমাৰ কামো শিৰকক সমাপ্ত ঘটোৱা, নে শিৰকক প্ৰতিষ্ঠিত কৰা! (ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা দ্বিতীয় লিখক হজৰত মিৰ্জা বশিৰ আহমদ এম,এ (ৰাঃ) পৃঃ ২৯৫ ৰিৱায়ত নম্বৰ ৩১৯)

## কেৱল এটা দোৱাৰ প্ৰয়োজন আছিল

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,

মৌলবী শেৰ আলি চাহাবে মোলৈ বৰ্ণনা কৰিছে যে এবাৰ হজৰত মছীহ মাওউদ (আঃ)য়ে বয়ান কৰিছে যে আমাৰ এই ধাৰণা উপজিল যে তবলিগ (প্ৰচাৰ)ৰ বাবে ইংৰাজী শিকাৰ ফালে ধ্যান দিয়া উচিত আৰু মোৰ বিশ্বাস আছিল যে আল্লাহ তা'লাৰ বিশেষ কৃপাত আমাক ইয়াৰ শিক্ষা প্ৰদান কৰা হ'ব। কেৱল মাথোঁ দোৱাৰ প্ৰয়োজন আছিল। তথাপি ধাৰণা উপজিল যে মৌলবী মহম্মদ চাহাব এই কামত মগ্ন হৈ আছে আৰু তেওঁৰ ইংৰাজী প্ৰশংসনীয়। এই কাৰণে মোৰ ধ্যান এই কামৰ পৰা আনফালে আঁতৰি যায়। (ছিৰাতুল মাহদী জিলদ আউৱাল হিচ্চা দ্বিতীয় লিখক হজৰত মিৰ্জা বশিৰ আহমদ চাহাব

এম,এ পৃঃ ৩৫৭ ৰিৱায়ত নম্বৰ ৩৯৫)

## আৰু ডকাইত গুচি গ'ল

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,

হজৰত মহম্মদ ইউচুফ চাহাব পেশাৱৰীয়ে মোক লিখনীৰ মাধ্যমে বয়ান কৰিছে যে, খাজা কামাল উদ্দিন চাহাবৰ পৰা মই শ্ৰৱণ কৰিছোঁ যে মৌলবী কৰম দ্বীন বাসিন্দা ভীৰ মোকৰ্দমাৰ সময়ত এবাৰ হজৰত চাহাব বাটালাৰ পথ গুৰদাছপুৰৰ ফালে যাত্ৰা কৰিলে,তেখেতৰ সৈতে ৰথত খাজা চাহাব আৰু মৌলবী মহম্মদ আহ্ছন চাহাব মৰহুম আছিল আৰু আন আন লোকসকলে ঘোঁৰাৰ গাড়ীত পিছত আহি আছিল। হঠাৎ কৰি ঘোঁৰাৰ গাড়ী বেছি দূৰত্বত থাকি যায় আৰু ৰথ অকলেই বৈ যায়। ৰাতিৰ সময় আছিল আকাশ ধূলি-কণাৰে ভৰ্তি আছিল আৰু চাৰিওফালে বৰ অন্ধকাৰ হৈ পৰিছিল। যেতিয়া ৰথ ডালাৰ পৰা বাটালাৰ ফালে আগবাঢ়িলে তেতিয়া কেইবাজন ডকাইত আৰু দুৰ্ভিক্ষই তৰোৱালৰ সৈতে বাটত আহি গ'ল আৰু হজৰত চাহাবৰ ৰথক ঘেৰাও কৰিলে আৰু পৰস্পৰৰ মাজত এয়া তৰ্ক-বিতৰ্ক হৈ আছিল যে প্ৰত্যেক ব্যক্তি এজনে আনজনক কৈ আছিল যে তুমি আগবাঢ়ি গৈ আক্ৰমণ কৰা কিন্তু কোনোবাই আগবাঢ়ি অহা নাছিল আৰু এনেকুৱা তৰ্ক-বিতৰ্কৰে কিছু সময় অতিবাহিত কৰিলে ইমানখিনিতে পিছফালে বৈ যোৱা ঘোঁৰাৰ গাড়ী আহি পায় আৰু ডকাইতসকলে গুচি যায়। কাজী চাহাবে লিখিছে যে খাজা চাহাবে বয়ান কৰিছে যে এতিয়া অৰ্থাৎ যি সময়ত ডকাইতসকলে আক্ৰমণ কৰিব আহিছিল, দেখিব পাৰিলো যে হজৰত চাহাবৰ কপালৰ পৰা এক বিশেষ ধৰণৰ পোহৰ নিৰ্গত হৈ আছে যাৰ ফলত তেখেতৰ চেহেৰা উজ্জ্বল হৈ উঠিছে। মই কলো যে কাদিয়ান আৰু বাটালাৰ মাজভগীয়া বাটত বেছিৰ ভাগ চুৰি আৰু ডকাইতি হৈ থাকে কিন্তু এতিয়া খোদা তা'লাৰ বিশেষ কৃপা আছিল যে ডাকু নিজেই ভয়াতুৰ হৈ গ'ল আৰু কোনোবাই আগবাঢ়ি অহাৰ ক্ষমতা দেখুৱাব নোৱাৰিলে। কাজী চাহাবে বয়ান কৰিছে যে মই এই ঘটনা খাজা চাহাবৰ পৰা সেই দিনবোৰতে পেশাৱৰত শুনিছিলো। (ছিৰাতুল

মাহ্‌দী জিলদ আউৱাল হিচ্চা দ্বিতীয় লিখক হজৰত মির্জা বশিৰ আহমদ চাহাব এম,এ (ৰাঃ)পৃঃ ৪৩৩ ৰিৱায়ত নম্বৰ ৪৫৪)

# হজৰত মাউলানা হাকিম নুৰ উদ্দিন চাহাব ভেৰোৱী খলিফাতুল মছীহ প্ৰথম (ৰাঃ)

২৬ মে ১৯০৮ চনত হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যুৰ পিছত আগদিনা ২৭ মে তাৰিখত তেখেত (আঃ)ৰ প্ৰথম খলিফা নিৰ্বাচিত হয়। তেখেত (ৰাঃ)য়ে হজৰত মছীহ মাওউদ (আঃ)ৰ সকলোতকৈ প্ৰিয় বন্ধু,সকলোতকৈ বেছি প্ৰেমিক,সকলোতকৈ বেছি পছন্দনীয়,সকলোতকৈ বেছি অনুসাৰী, সকলোতকৈ বেছি আৰ্থিক কোৰবাণী কৰোঁতা,সকলোতকৈ বেছি সহায় সহযোগিতা আগবঢ়োৱা আছিল।

আহমদীয়া জামাতৰ প্ৰতিষ্ঠাতাই যেতিয়া প্ৰত্যাদিষ্ট হোৱাৰ দাবী কৰে তেতিয়া তেখেতে সদায় এই দোৱা কৰিছিল,

يَا رَبِّ مَنْ اَنْصَارِىْ يَا رَبِّ مَنْ اَنْصَارِىْ

হে মোৰ প্ৰতিপালক ! এই মহান কাম যি তুমি মোৰ অধীনত ন্যস্ত কৰিছা কোনে আছে যিয়ে মোৰ সহায় কৰিব। আল্লাহ তা'লাই কাশ্মিৰৰ পৰা হজৰত মাউলানা হাকিম নুৰউদ্দিন (ৰাঃ)ৰ নিচিনা মানৱক পঠাই দিলে।

এই কথা বৰ্ণনা কৰি হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে,

যেতিয়া মই আল্লাহ তা'লাৰ তৰফৰ পৰা প্ৰত্যাদিষ্ট হলো আৰু **হায়য়ুন** আৰু **কায়য়ুমৰ** তৰফৰ পৰা ধৰ্মক সঞ্জীৱিত কৰাৰ বাবে সহায়ৰ উৎসা প্ৰদান কৰিলে আৰু এই উৎসা সেই উৎসাতকৈয়ো অধিক বেছি আছিল যিয়ে এক পিয়াতুৰ পানীৰ ফালে ধাৱিত হয়; আৰু মই দিনে ৰাতি খোদা তা'লাৰ চৰণত উপস্থিত হৈছিলো আৰু কৈছিলো যে হে মোৰ প্ৰতিপালক ! মোৰ সহায়কাৰী কোন হয়,মই অকলশৰীয়া আৰু অপমান হৈছো,অৰ্থাৎ যেতিয়া দোৱাৰ বাবে হাত লগাতাৰ উঠিলে আৰু আকাশৰ বাতাবৰণ মোৰ দোৱাৰ সৈতে ভৰি পৰে তেতিয়া আল্লাহ তা'লাই মোৰ বিনম্ৰতাৰ সৈতে কৰা দোৱা গৃহীত কৰে আৰু বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিপালকৰ ৰহম উৎফুল্লিত হয়,আৰু আল্লাহ তা'লাই মোক এক বিশুদ্ধ সত্যবাদী প্ৰদান কৰে যিয়ে মোৰ সহযোগীতাৰ দৃষ্টি আছিল আৰু

মোৰ সেই বিশুদ্ধ বন্ধুৰ সাৰাংশ হয় যিয়ে ধৰ্মৰ ক্ষেত্ৰত মোৰ বন্ধু হয়। তেওঁৰ নাম তাৰ জ্যোতিৰময় গুণাৱলীৰ নিচিনা নুৰউদ্দিন (ধৰ্মৰ বাবে জেউতি) হয়। তেওঁৰ জন্মস্থান ভেৰোৱী আৰু বংশ হিচাপে কুৰাইশী হাশমী হয়, যিয়ে ইছলামৰ চৰ্দাৰৰ মাজৰ পৰা আৰু শ্বৰিফুদ্দিনৰ সন্তান হয়। অৰ্থাৎ মই তেওঁৰ সৈতে সাক্ষাৎ কৰাত এনেকুৱা আনন্দিত হৈছো যে কোনো হেৰাই যোৱা অংগ যেন পাই গৈছো আৰু এনেকুৱা উৎফুল্লিত হৈছো যেনেকুৱা নবী কৰীম (ছাঃ)য়ে হজৰত ফাৰুক (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰাত আনন্দিত হৈছিল।

আৰু যেতিয়া তেওঁ মোৰ ওচৰলৈ আহে আৰু মোৰ সৈতে সাক্ষাৎ হয় আৰু মোৰ দৃষ্টি তেওঁৰ ওপৰত পৰে তেতিয়া মই তেওঁক দেখিব পাৰিলো যে তেওঁ মোৰ প্ৰতিপালকৰ নিদৰ্শনৰ মাজৰ এক নিদৰ্শন হয়; আৰু মোৰ বিশ্বাস হৈ গ'ল যে মোৰ সেই দোৱাৰ ফলাফল হয় যাৰ ওপৰত মই ভৰসা কৰিছিলোঁ আৰু মোৰ প্ৰবৃত্তিয়ে মোক কৈ দিলে যে আল্লাহ তা'লাৰ নিৰ্বাচিত ভৃত্যৰ মাজৰ এজন হয়। (হায়াতে নুৰ বাব তৃতীয় পৃঃ ১১৩)

হজৰত মছীহ মাওউদ (আঃ)য়ে তেখেত (ৰাঃ)ৰ আৰ্থিক কোৰবাণী আৰু তেখেতৰ অনুসৰণৰ বৰ প্ৰশংসা কৰিছে আৰু ইচ্ছুক প্ৰকাশ কৰিছে যে যদি মোৰ উম্মতৰ প্ৰত্যেক ব্যক্তি নুৰউদ্দিন হ'ল হয় তেতিয়া ভাল হ'ল হয়। তেখেতৰ পুণ্য আৰু খোদা ভীতি আৰু বুজুৰ্গীৰ ফালে লক্ষ্য কৰি মোমিন জামাতে হঠাৎ কৰি তেখেত (ৰাঃ)ক হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰথম খলিফা হিচাপে বাছি লয়।

তেখেত কোৰাণ কৰীম,হাদীছ আৰু ইছলামী শিক্ষাৰ বহুত ডাঙৰ আলিম আৰু উন্নত ধৰণৰ দৃশ্য আছিল,ইয়াৰ বাহিৰে তেখেত (ৰাঃ)বহুত ডাঙৰ ভিজ্ঞ ডাক্তৰ আছিল। গোটেই ভাৰতবৰ্ষত তেখেতৰ চিকিৎসা বিখ্যাত আছিল ইয়াৰ কাৰণ এয়া যে মহাৰাজা জম্মুৱে তেখেতক নিজৰ ডাক্তৰ বুলি গণ্য কৰিছিল। সেই যুগত হাজাৰ টকা খৰচ কৰিও তেখেতক স্বাগতম জনাইছিল। কিন্তু যেতিয়া হজৰত মছীহ মাওউদ (আঃ)য়ে কয় যে মৌলবী চাহাব আপুনি দুনিয়া বহু দেখিছে এতিয়া আপুনি ইয়াতেই ৰৈ যাওঁক। এই কথা কাৰ্যকৰী হৈ

তেওঁ কাদিয়ানৰ হৈ থাকি গ'ল আৰু কেতিয়াও নিজৰ দেশৰ কল্পনাও হৃদয়ত অনা নাছিল।

তেখেতৰ আল্লাহ্‌ৰ ওপৰত ভৰসা আৰু আল্লাহ্‌ৰ সৈতে সম্পৰ্ক স্থাপনৰ কৰাৰ উদাহৰণ উত্থাপন কৰা হৈ আছে। আল্লাহ্‌ৰ ওপৰত নিৰ্ভৰশীল আছিল। তেখেতে নিজেই কৈছে যে আল্লাহৰ সৈতে মোৰ বিশেষ সম্পৰ্ক আছে।

তেখেতৰ ডাঙৰ ডাঙৰ কাৰ্যকলাপৰ মাজৰ এক মহান কাৰ্যকলাপ খলিফাৰ ওপৰত অধিষ্ঠিত। তেখেত (ৰাঃ)য়ে খলিফা হোৱাৰ পিছত অতি সোনকালে প্ৰবৃত্তিৰ ইচ্ছুকত ডুবি যোৱা এটা দলে খিলাফতৰ বুনিয়াদক বিনষ্ট কৰাৰ,আৰু তাত হস্তক্ষেপ কৰাৰ কোনো পৰিকপল্পনা এৰা নাই, কিন্তু তেখেতে সিহঁতৰ পৰিকল্পনা বিফল কৰিছে আৰু খিলাফতক এনেকুৱা শক্তিশালী কৰি তুলিলে যাক দুনিয়া থকা অৱস্থালৈকে স্মৰণ কৰা হ'ব। তেখেতৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন হোৱাৰ কিছু ঘটনা নিম্নত উল্লেখ কৰা হ'ল।

## ৰোয়া (দিব্যদৰ্শন)ত কাশ্মিৰৰ ভ্ৰমণ

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে এটা দিব্য দৰ্শনত কাশ্মিৰৰ ভ্ৰমণ কৰে, অৰ্থাৎ তেখেতে কৈছে,

....হুজুৰ (অৰ্থাৎ হজৰত ৰছুলে কৰিম ছাঃয়ে হাঁহি উঠে; আৰু তেখেতক কয় তুমি কাশ্মিৰ চাব খোজানে ? তেখেতে কলে হয় ! ইয়া ৰছুলুল্লাহ (ছাঃ)। ইমানখিনি কৈ হুজুৰ আগবাঢ়িব ধৰিলে আৰু তেখেত পিছত আছিল। বানিহালৰ বাট ধৰি কাশ্মিৰলৈ যায়। (হায়াতে নুৰ বাব দ্বিতীয় পৃঃ ৯৭)

## ভীতিগ্ৰস্ত হৈ মোৰ ৰং হালধীয়া হৈ যায়

হজৰত আকদছ্ খলিফাতুল মছীহ্ প্ৰথম (ৰাঃ)মদিনাত অৱস্থান কৰাৰ সময়ত নিজৰ এটা ঘটনা বৰ্ণনা কৰি কয় ঃ-

যি দিনবোৰতে শ্বাহ আব্দুল গনি চাহাবৰ পৰা শিক্ষা অৰ্জন কৰিছিল। এদিন জোহৰৰ নমাজ জামাতৰ সৈতে নাপালো। জামাত হৈ গৈছিল আৰু মই কোনো কাৰণতে বৈ গৈছিলো। মই এনেকুৱা ধাৰণা কৰিলোঁ যে এয়া বহু

ডাঙৰ পাপ হয় যি ক্ষমাৰ যোগ্য নহয়। ভীতিগ্রস্ত হৈ মোৰ চেহেৰা হালধীয়া বৰণৰ হৈ যায়; মছজিদৰ ভিতৰলৈ সোমাওতেই ভয় কৰিছিলোঁ; তাতে এটা ৰহমতৰ বাব আছে তাতে লিখা আছে,

قُلْ يٰعِبَادِيَ الَّذِيْنَ اَسْرَفُوْا عَلٰٓى اَنْفُسِهِمْ لَا تَقْنَطُوْا مِنْ رَّحْمَةِ اللّٰهِ

اِنَّ اللّٰهَ يَغْفِرُ الذُّنُوْبَ جَمِيْعًا ؕ اِنَّهٗ هُوَ الْغَفُوْرُ الرَّحِيْمُ ۝ (39:54)

**অনুবাদ ঃ** কোৱা,হে মোৰ ভৃত্যসকল ! যিয়ে নিজৰ আত্মাৰ বিৰুদ্ধে পাপ কৰিছে, আল্লাহৰ কৰুণাৰ বিষয়ে হতাশ ভাৱ নেৰাখিবা,নিশ্চয়েই আল্লাহ সকলো পাপ ক্ষমা কৰে। প্ৰকৃততে সেইজনা অতিশয় ক্ষমাদায়ক,সৰ্বদা কৰুণাময়। (চুৰা জুমৰ আয়াত ৫৪)

উক্ত আয়াত পঢ়া সত্বেও বহু ভয় পাই মছজিদলৈ প্ৰৱেশ কৰিলোঁ আৰু বহু ভীতিগ্ৰস্ত হলো। যেতিয়া মই মেম্বৰ আৰু পৱিত্ৰ কোঠালিৰ মাজত গৈ পালো আৰু নমাজ পঢ়িব ধৰিলো তেতিয়া ৰুকু অৱস্থাত যি ধাৰণাই মোক বহু জোৰ দিছিল সেয়া ছহী হাদীছত আছে,

مابَيْنَ بَيْتِيْ وَ مِنْبَرِى روضة من رياض الجنة

জান্নাত সেই স্থান য'ত যি বিচৰা হয় সেয়া পোৱা যায়;অৰ্থাৎ মই দোৱা কৰিলোঁ যে খোদা মোৰ এই ভুল ক্ষমা কৰি দিয়া হওঁক। ( মিৰকাতুল ইয়াকিন ফি হায়াতুননুৰউদ্দিন সংকলন আকবৰ শ্বাহ খান নজিব আবাদি পৃঃ ১২৫-১২৬)

## দুই ছিজদাৰ মাজৰ দূৰত্বত বিশাল শিক্ষা প্ৰদান কৰা হৈছে

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে নিজেই বৰ্ণনা কৰিছে যে,

কাশ্মিৰত এজন মৌলবী আব্দুল কাদিৰ চাহাব অৱস্থান কৰিছিল। তেওঁ বৰ বুজুৰ্গ মানুহ আছিল। আৰু মোৰ বুজৰ্গ ভাই আছিল।কাৰণ তেওঁ শ্বা জী আব্দুল গনি চাহাবৰ শিষ্য আছিল আৰু মইয়ো শ্বাহ চাহাবৰ শিষ্য আছিলো। তেওঁৰ মোৰ সৈতে বৰ ভালপোৱা আছিল। দুৰ্বল বুজৰ্গ হোৱা সত্বেও মোৰ ঘৰত তিৰমিজি হাদীছসমূহ পঢ়িবলৈ আহিছিল। মই এটা দিব্য দৰ্শনত দেখিলো

যে তেওঁৰ কোলাত সৰু সৰু শিশু আছে। মই এটা ভাবুকি দিলো আৰু সকলোবিলাক শিশুক নিজৰ কোলাত লৈ তাৰ পৰা গুচি যাব ধৰিলে। বাটত সেই শিশুবিলাকক সুধিলো তোমালোকে কোনে হয় ? সিহঁতে উত্তৰত কলে আমাৰ নাম كٓهٰيٰعٓصٓ হয়। মই নিজৰ দিব্য দৰ্শন আশ্চৰ্যমূলক দেখিছিলো। যেতিয়া মই হজৰত মিৰ্জা চাহাবৰ শিষ্য হলো তেতিয়া মই এই কথাষাৰ উল্লেখ কৰিলোঁ। মিৰ্জা চাহাবে কলে যে আপোনাক ইয়াৰ জ্ঞান প্ৰদান কৰা হ'ব আৰু সেইজন ল'ৰা ফিৰিস্তা আছিল। ধৰমপালে যেতিয়া "তৰকে ইছলাম" কিতাপখন লিখিলে তাৰ পূৰ্বতে মই এটা সপোন দেখিবলৈ পাইছিলো যে আল্লাহ তা'লাই মোক কৈছে যে "যদি কোনোবাই তোমাৰ পৰা কোৰাণ শ্বৰীফৰ আয়াত সম্পৰ্কে সুধে আৰু সেয়া তুমি নেজানা আৰু সুধাজন কোৰাণৰ অস্বীকাৰী হয় তেতিয়া মই নিজেই তোমাক কোৰাণ কৰিমৰ আয়াত সম্পৰ্কে জ্ঞান প্ৰদান কৰিম" যেতিয়া ধৰম পালৰ কিতাপ আহিলে আৰু খোদা তা'লাই মোক ইয়াৰ উত্তৰ দিয়াৰ সৌভাগ্য প্ৰদান কৰিলে। আখৰ ইফাল-সিফাল হোৱা সম্পৰ্কে অভিযোগ উত্থাপন কৰি এদিনাখন মগৰিবৰ নমাজত দুই ছিজদাৰ মাজত কেৱল ইমানখিনি ধাৰণা কৰিলে যে মাউলা ! এইজন কোৰাণৰ অস্বীকাৰী হয়,অৰ্থাৎ মোৰ সন্মুখত নহয়,এইজন আঁতৰত থাকি প্ৰশ্ন উত্থাপন কৰে। সেই সময় অৰ্থাৎ দুই ছিজদাৰ সংক্ষিপ্ত সময়ত মোক দূৰত্বৰ বিশাল জ্ঞান প্ৰদান কৰা হ'ল; যাৰ কিছু মই ৰিছালা নুৰউদ্দিনত মুকাতিয়াতৰ (সংক্ষিপ্ত আকাৰত থকা আখৰসমূহৰ) উত্তৰত লিখিছো আৰু সেয়া লিখি মই নিজেই আচৰিত হৈছো। (মৰকাতুল ইয়াকিন ফি হায়াত নুৰ উদ্দিন পৃঃ ১৭২-১৭৩)

## খোদা আপোনাক আৰু এজন ল'ৰা দান কৰিব

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে

মোৰ এজনী ভনী আছিল। তাইৰ এজন ল'ৰা আছিল। তেওঁ আমাশায় ৰোগত আক্ৰান্ত আছিল যাৰ ফলত মৃত্যু বৰণ কৰে। তাৰ কিছু দিন পিছত মই গলো; মোৰ হাতৰ দ্বাৰা কোনো আমাশয় ৰোগীক ভাল হোৱা দেখিছে,মোক ক'ব ধৰিলে যে ভাই তুমি যদি আহি গ'লা হয় তেতিয়া মোৰ ল'ৰা বাচি গ'ল

হয়। মই তাইক কলো তোমাৰ এজন ল'ৰা হ'ব আৰু তেওঁ আমাশয় ৰোগত আক্ৰান্ত হৈ মোৰ সন্মুখত মৃত্যু বৰণ কৰিব। অৰ্থাৎ তাই গৰ্ভধাৰণ কৰিলে আৰু এজন ধুনীয়া ল'ৰা জন্ম ললে,যেতিয়া তেওঁ আমাশয় ৰোগত আক্ৰান্ত হ'ল; তাইৰ মোৰ কথা মনত আছিল,মোক ক'ব ধৰিলে যে ঠিক আছে দোৱা কৰি দিয়ক। মই কলো যে খোদা তা'লা তেওঁক ইয়াৰ পৰিৱৰ্তে আৰু এজন ল'ৰা দান কৰিব,এতিয়া এই কথাষাৰ এৰি দিয়ক। অৰ্থাৎ সেই ল'ৰা মৃত্যু বৰণ কৰিলে আৰু তাৰ পিছত আৰু এজন ল'ৰা জন্ম হ'ল যিজন জীৱিত থাকিলে এতিয়ালৈকে জীৱিত কাম-কাজ কৰি আছে;এয়া ঐশ্বৰিক গৰ্ব আছিল। (মিৰকাতুল ইয়াকিন ফি হায়াতে নুৰ উদ্দিন পৃঃ ১৯৯)

## খোদা তা'লা উত্তম প্ৰতিদান দিব

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,

মোৰ বহুকেইজন ল'ৰা মৃত্যু বৰণ কৰিছে। যেতিয়া কোনো ল'ৰাৰ মৃত্যু হয় তেতিয়া মই এয়াই ভাৱো যে ইয়াত কোনো দুৰ্বলতা আছিল। খোদা তা'লা ইয়াৰ পৰিৱৰ্তে উন্নত ধৰণৰ প্ৰতিদান দিব। খোদা তা'লাৰ অনুগ্ৰহৰ পৰা হতাশ হোৱা কাফিৰৰ কাম হয়। খোদা তা'লাৰ অনুগ্ৰহক যেতিয়া সন্মান কৰা নহয় তেতিয়া সেই অনুগ্ৰহক কাঢ়ি লোৱা হয়। আল্লাহ তা'লাৰ অনুগ্ৰহ নেযায় কিন্তু ধন্যবাদ জ্ঞাপন নকৰাৰ ফলত। যেতিয়া অনুগ্ৰহ গুচি যায় তেতিয়া মানুহে হতাশ হ'ব নেলাগে।(মৰকাতুল ইয়াকিন ফি হায়াতে নুৰ উদ্দিন পৃঃ ২০৭)

## ডিপলোমাৰ ভৰসা নাই

হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)য়ে কৈছে যে,

এয়া এক শিৰক হয় যে মানুহে ডিপলোমাৰ ওপৰত ভৰসা কৰিব। এবাৰ এজন ব্যক্তিয়ে যিজন মাদ্ৰাছাৰ অফিচাৰ আছিল আৰু মইয়ো পিণ্ডাদানখাত মুদাৰিছ (শিক্ষক) আছিলো। মোক কোনো কথাত কলে যে আপোনাৰ ডিপলোমাৰ গৌৰৱ আছে। মই নিজৰ মানুহক কলো,ডিপলোমা লৈ অহা

যাক এইজনে খোদা বুলি ভাৱি লৈছে সেয়া মোৰ ওচৰতেই এটা আছে। খুজি আনি সেই সময়ত তাক টুকুৰা টুকুৰ কৰি পেলালে। সেই ব্যক্তিজনে বৰ আচৰিত হৈ মোক কলে, আপুনি উত্তপ্ত হৈছে নে ? মই কলো নহয়। তেওঁ কলে কোনো দুঃখ হৈছে নে ? মই কলো নহয়। তেখেতে সেয়া গৌৰৱৰ কাৰণ বুলি ভৱাৰ পৰিৱৰ্তে সামান্য বস্তু বুলি ভাৱিলে। মই ইয়াক টুকুৰা টুকুৰ কৰি দেখোৱালো সকলো প্ৰশংসা আল্লাহৰ সেইবোৰৰ ওপৰত কোনো ভৰসা নাই। (মৰকাতুল ইয়াকিন ফি হায়াতে নুৰ উদ্দিন পৃঃ ২০৯)

## ঐশ্বৰিক নিমন্ত্ৰণ

মাননীয় আব্দুল কাদিৰ চাহাব লিখক হায়াতে নুৰে লিখিছে যে আল্লাহ তা'লাৰ তৰফৰ পৰা খাদ্য খোৱাৰ এটা ঘটনা আখিম মাননীয় হাকিম মহম্মদ ছিদ্দিক চাহাব আফ মিয়ানি জিলা ছৰগুদানে শুনাইছে যে হজৰত খলিফাতুল মছীহে কৈছে,

এবাৰ মই ভাল শিক্ষকৰ সন্ধানত নিজৰ দেশৰ পৰা দূৰলৈ গুচি গলো। তিনি দিন ভুকাতুৰ আছিলো কিন্তু কাৰো পৰা খোজা নাই। মই মগৰিবৰ সময়ত এটা মছজিদলৈ যাওঁ কিন্তু তাতেও কোনোবাই মোক নুসুধে আৰু নমাজ পঢ়ি সকলোৱে গুচি যায়। যেতিয়া মই অকলেই আছিলো তেতিয়া বাহিৰৰ পৰা শব্দ আহিলে নুৰ উদ্দিন ! নুৰ উদ্দিন ! এয়া খাদ্য, আহি সোনকালে ধৰি লোৱা। মই গলো তেতিয়া সেই বস্তুটোত অতি কম খাদ্য আছিল,মই ধৰি ললো, মই এয়া নুসুধিলো যে এই খাদ্য ক'ৰ পৰা আহিছে কাৰণ মই জানিব পাৰিছিলো যে খোদা তা'লাই পঠাইছে। মই বহু খালো আৰু বৰ্তন মছজিদৰ এটা দিৱালৰ সৈতে খুঁটাৰ সৈতে উলমাই ৰাখিলো। যেতিয়া মই ৮/১০ দিন পিছত ওভতি আহিলো সেই বৰ্তনবোৰ তাতেই উলমি আছিল; যাৰ পৰা মোৰ দৃঢ় বিশ্বাস হৈ গ'ল যে খাদ্য গাঁওৰ কোনো ব্যক্তিয়ে পঠোৱা নাছিল,খোদা তা'লাইহে পঠাইছিল। (হায়াতে নুৰ বাব আউৱাল আজ আব্দুল কাদিৰ ছৌদাগৰমল পৃঃ ২৪-২৫)

## বৰষুণ বন্ধ হৈ যোৱাৰ দোৱা

মাননীয় চৌধুৰী গোলাম মহম্মদ চাহাব বি,এ ৰ বয়ান যে,

১৯০৯ চনত বাৰিষাৰ বতৰত এবাৰ ধাৰাবাহিক ভাৱে ৮ দিন বৰষুণ হৈ আছিল,যাৰ ফলত কাদিয়ানৰ বহু ঘৰ খহি পৰিছিল। হজৰত নৱাব মহম্মদ আলি খান চাহাব মৰহুমে কাদিয়ানৰ বাহিৰত নতুন কোঠা নিৰ্মাণ কৰিছিল সেয়াও খহি পৰে। ৮ ৱা দিন বা ৯ ৱা দিন হজৰত খলিফাতুল মছীহ্ প্ৰথম (ৰাঃ)য়ে জোহৰৰ নমাজৰ পিছত কয় যে মই দোৱা কৰো আৰু আপোনালোকে সকলোৱে আমীন ক'ব। দোৱা কৰাৰ পিছত তেখেতে কলে যে মই আজি সেই দোৱা কৰিছোঁ যি হজৰত ৰছুলে কৰিম (ছাঃ)য়ে গোটেই জীৱন কেৱল এবাৰ কৰিছিল। দোৱাৰ সময়ত বৰষুণ বৰ প্ৰবলতাৰ সৈতে হৈ আছিল তাৰ পিছত বৰষুণ বন্ধ হৈ গ'ল আৰু আচৰৰ নমাজৰ সময়ত আকাশ একেবাৰে পৰিষ্কাৰ আছিল আৰু ৰ'দ ওলাই পৰিছিল। (হায়াতে নুৰ বাব সপ্তম পৃঃ ৪৪০-৪৪১)

## ঐশৰিক সহায়ৰ দুটা আচৰ্শ্চমূলক ঘটনা

মাননীয় আব্দুল কাদিৰ চাহাব মৰহুম প্ৰাক্তন ছৌদাগৰমল হায়াতে নুৰৰ লিখকে কৈছে,

ভুপালত তেওঁৰ সৈতে আচৰ্শ্চমূলক ঘটনা সংগঠিত হৈছে,কিন্তু শাৰীৰিক সম্বন্ধে দুটা ঘটনা বিশেষ কৰি উল্লেখনীয়। প্ৰথম ঘটনা এয়া যে তেওঁ দুটা ভাল ছুদৰিয়া (ৱাছকোট)বনাইছিল যি সদায় পৰিধান কৰাৰ অভ্যাস আছিল। তাৰ মাজৰ পৰা এটা চুৰি হৈ যায়। এই ঘটনা উল্লেখ কৰি তেখেতে জলছা ছালানা ১৯১৩ চনৰ ভাষণত কৈছিল,

ছাত্ৰ যুগত এবাৰ মই ঊণ লৈ দুটা ৱাছকোট বনোৱালো আৰু সেইবোৰক আলগনীত (ৰচীৰে বান্ধা য'ত কাপোৰ ৰখা হয়) ৰাখি দিলো,কিন্তু তাৰ পৰা এটা কোনোবাই চুৰি কৰি ললে। মই সেইটো চুৰি হৈ যোৱাৰ ফলত খোদাৰ কৃপাত মোৰ হৃদয় কোনো দুঃখ অনুভৱ নকৰিলে,অৰ্থাৎ মই ভাৱিলো যে

আল্লাহ তা'লা ইয়াতকৈ উন্নত বনাই দিব বিচাৰে তেতিয়া মই সেই ৱাছকোটখন খুলি ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন পঢ়িলো আৰু ধৈৰ্য ধৰি ধন্যবাদ জ্ঞাপন কৰি আন কোনো দুখীয়াক দি দিলো। কেইবা দিন মাথোঁ অতিবাহিত হৈছিল এই ঘটনাৰ, চহৰৰ পৰা এজন ধনী মানুহ আহিলে আৰু তেওঁ এজন ব্যক্তিক যিজনে মোৰ বিষয়ে অৱগত আছিল তেওঁক কলে,কোনো এনেকুৱা ব্যক্তিক লৈ অহা যিয়ে বিখ্যাত ডাক্তৰ নহয় আৰু কোনো এনেকুৱা ঔষধ বনাই দিয়ে যাক মই নিজে তৈয়াৰ কৰিব পাৰো। তেওঁ মোৰ ওচৰত আহিলে আৰু মোক তেওঁৰ ওচৰলৈ লৈ গ'ল। মই শুনি কলো যে এয়া একোৱে নহয় ৱাছকোট হয়। মই যেতিয়া তাতে গৈ পালো তেতিয়া তেওঁ নিজৰ বাগানত বহি আছিল। মই তেওঁৰ ওচৰত চিয়াৰ লগাই বহিলো। তেতিয়া তেওঁ নিজৰ অৱস্থাক বৰ্ণনা কৰি কলে যে এনেকুৱা ঔষধ কওঁক যাক মই নিজেই তৈয়াৰ কৰিব পাৰো। মই কলো,হয় হ'ব পাৰে য'ত আমি বহি আছিলো তাতে কল গছ আছিল। মই তাক কলো কলৰ পানী ৫ তোলা আনি তাৰ সৈতে এমুঠি শুৰা কালমী (এক ধৰণৰ বস্তু যাক পানীৰ সৈতে মিহলালে ঠাণ্ডা আৰু নিমকীয়া হয়) মিহলাই পান কৰি লোৱা। তেওঁ তৎক্ষণাত সেয়া কাৰ্যকৰী কৰিলে। কাৰণ শুৰাও তাতেই আছিল। নিজৰ হাতেৰে ঔষধ বনাই পান কৰি ললে।মই গুচি গলো। দ্বিতীয় দিনা মই আকৌ গলো তেতিয়া তেওঁ কলে মোক এবাৰ পান কৰিয়েই আৰোগ্য লাভ কৰিছোঁ এতিয়া আৰু প্ৰয়োজন নাই। মই জানিব পাৰিছিলো যে এই সুযোগ কেৱল আল্লাহ তা'লাৰ কৃপাৰ ফলত সৃষ্টি হৈছে আৰু সেইজনাই মোৰ ধ্যান এই চিকিৎসাৰ ফালে উভতাই দিলে। মই আকৌ তাৰ পৰা গুচি গলো। কিন্তু তেওঁ মোৰ বন্ধুক মাতি আনি জৰবফত কমখুৱাব (সোণ আৰু ৰেচমৰ তাৰেৰে তৈয়াৰী কাপোৰ) ইত্যাদি মূল্যবান কাপোৰ আৰু বহু পৰিমাণে টকা মৌলৈ পঠালে। যেতিয়া সেইবোৰ মোলৈ লৈ আনিলে মই তেওঁক কলো যে এয়া সেই ৱাছকোট হয়। তেওঁ আচৰিত হৈ গ'ল যে ৱাছকোটৰ কি ঘটনা হয়। অৱশেষত সকলোবোৰ ঘটনা বিতং ভাৱে কৈ তেওঁক মই কলো জৰবফত ইত্যাদি আমি নিপিন্ধো। সেইবোৰক

বজাৰত বিক্ৰি কৰি দিয়া।সেইবোৰ বহু মূল্যবান দামত বিক্ৰি কৰিলে,এতিয়া মোৰ ওচৰত ইমান টকা হ'ল যে হজ ফৰজ হৈ পৰিল এই কাৰণে মই তাক কলো যে এতিয়া হজলৈ যাওঁ কাৰণ হজ ফৰজ হৈ পৰিছে। অৰ্থাৎ আল্লাহৰ পথত ব্যয় কৰাৰ ফলত একোৱেই ক্ষতি নহয়। হয় ইয়াত দুনিয়াৰ মিলাওট যাতে নাথাকে কেৱল মাথোঁ আল্লাহৰ কাৰণেই যেন হয়। আল্লাহৰ সন্তুষ্টি অৰ্জন কৰা উদ্দেশ্য হ'ব লাগে আৰু তাৰ স্ৰষ্টাৰ ওপৰত সহানুভূতি দেখুৱাব লাগে।

দ্বিতীয় ঘটনা আপোনাৰ সৈতে হৈছিল যে অতি উত্তপ্তৰ কাৰণে তেওঁৰ ৰূপ ভয়ঙ্কৰ হৈ মুখৰ পৰা লালী ওলোৱা আৰম্ভ কৰিলে য'ৰ পৰা দুৰ্গন্ধ ক'লা পানী ওলাই আছিল। এজন ব্যক্তি হাকিম ফৰজন্দ আলিয়ে তেওঁক ৰায় প্ৰদান কৰিলে যে যদি আপোনাৰ দেশ অতি কাষতেই তেন্তে আপুনি অনতিপলমে গুচি যাওঁক। এই উপাদানৰ পৰা বচোৱাৰ কোনো উপায় নাই। তেখেতে কৈছে ঃ

আবেলিৰ সময় এজন বুজুৰ্গ যিয়ে তাত এজন নিৰ্ভৰশীল ছাত্ৰ আছিল আৰু পুণ্যবান আছিল,ক'বলৈ ধৰিলে মই বয়জেষ্ঠ হওঁ। মোৰ মুখৰ পৰা লালী আহে কোনো এনেকুৱা বস্তু কওঁক যি ইফতাৰৰ সময়ত খাই লওঁ। মই কলো মুৰব্বা আমলা বনাৰচী,ইলাচিৰ বীজ আৰু ৰৰকেতালাৰে ইফতাৰ কৰিব। তেওঁ এই প্ৰেছক্ৰিপশন কৰি গুচি গ'ল। কিছু সময় পিছতেই ওভতি আহিল মুৰব্বা আৰু বহু ইলাচি আৰু অফিচৰ ৰৰকেতালা মোৰ সন্মুখত আনি ৰাখি দিলে আৰু কলে যে আপোনাৰ মূখৰ পৰাও লালী ওলায়,আপুনিও খাওঁক। মই সেইবোৰক খাব আৰম্ভ কৰিলোঁ। এটা বা আধাখিনি খোৱাৰ পিছত কিছু সময়ৰ বাবে প্ৰশমন হ'ব ধৰিলে। আকৌ যেতিয়া পানী পৰিব ধৰিলে তেতিয়া আৰু এটা খাই ললো। সম্ভৱত মোৰ মনত নাই কিমান পৰিমাণে খালো। নমাজে ইশাৰ পিছত মই বৰ প্ৰশমন হ'ব ধৰিলো আৰু মই মোৰ দেশলৈ যোৱাৰ পৰিৱৰ্তে হাৰমাইনৰ ফালে যোৱাৰ ইচ্ছা কৰিলোঁ। (হায়াতে নুৰ বাব আউৱাল পৃঃ ৪৬-৪৮)

# ৰেলৰ ভাড়া প্ৰদান কৰাত আচৰিত ঘটনা

কেইবাবাৰ এনেকুৱা হয় যে আপুনি কোনো প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত কোনো প্ৰস্তুতি অবিহনে ভ্ৰমণৰ ফালে যাত্ৰা আৰম্ভ কৰে আৰু আপোনাৰ ওচৰত কোনো টকা নাথাকে। কিন্তু তেখেতৰ খোদাৰ ওপৰত বৰ ভৰসা আছিল যে সকলোবোৰ খৰচৰ প্ৰয়োজনীয়তাক খোদা তা'লা পূৰ্ণ কৰিব এনেকুৱাই এটা ঘটনাৰ উল্লেখ কৰি তেখেতে কৈছে,

মোৰ এজন বন্ধু মুল ফাতাহ খান চাহাব ঘোঁৰাৰ ওপৰত আৰোহণ কৰি মোৰ ওচৰলৈ আহে আৰু কয় মই ৰাউলপিণ্ডিলৈ গৈ আছো কাৰণ লাৰ্ডিনটনে দিল্লীত অৱস্থান কৰিছে। ডাঙৰ ডাঙৰ ৰাইছক দিল্লীত আমন্ত্ৰণ কৰা হৈছে আৰু সৰু ৰাইছ ৰাউলপিণ্ডিত একত্ৰিত হ'ব আৰু সেই তাৰিখত ৰাউলপিণ্ডিত অৱস্থান হ'ব। আমাক ৰাউলপিণ্ডিত আমন্ত্ৰণ কৰা হ'ল। মই তেওঁৰ কাণত নীৰৱে কলো মোৰ দৰবাৰলৈ যাব লাগিব। সিহঁতে কলে যে এইটো ঘোঁৰা হয়; আপুনি ইয়াৰ ওপৰত আৰোহণ হৈ যাওঁক। এতিয়া যিমান মোৰ ৰোগী আছিল সিহঁতে তাতেই বহি গলে আৰু মই ঘৰত সংবাদে দিয়া নাই। তৎক্ষণাত আৰোহণ হৈ যাব ধৰিলো। ফাতাহ খান আৰু আমি দুয়ো যেতিয়া জহলম গৈ পাওঁ তাতে ৰেল আছিল। মুলক ফাতাহ খান মৰহুমে ৰাউলপিণ্ডিলৈ গুচি গৈছে। মই কলো মই দিল্লীলৈ গৈ আছো। মোৰ কাপোৰ বহু ময়লা হৈ গৈছে এই কাৰণে মই নিজৰ কাপোৰ খুলি মুলক হাকিম খান তেহচীলদাৰ জহলমৰ এটা পাইজামা,পাগৰী আৰু কোট পিন্ধি লৈছো যাৰ তলত কুৰ্তা নাছিল। মই যাত্ৰা আৰম্ভ কৰিলোঁ আৰু গৈ গৈ ষ্টেচন জহলম পালো।

মই ষ্টেচনত কোনোবাক সুধিলো যে ষ্টেচনৰ তৃতীয় শ্ৰেণীৰ ভাড়া কিমান ? জানিব পাৰিলো যে ১৫ আনা, সেই কোটৰ পকেটত দেখা পালো কেৱল ১৫ আনাই আছে। মই টিকট ললো আৰু লাহোৰ গৈ পালো। তাতে বৰ ভিৰ আছিল,কাৰণ লোকসকলে দৰবাৰৰ বাবে দিল্লীলৈ গৈ আছিল। টিকট পোৱা বৰ কঠিন আছিল আৰু মোৰ পকেটত এক পইচা নাছিল। এজন পাদৰী যাৰ সৈতে আগৰেই পৰাই কোনো ৰোগৰ চিকিৎসাৰ পৰামৰ্শ দিয়াৰ বাবে পৰিচিত

আছিল ৰেল ষ্টেচনত পাই গলো। তেওঁৰ নাম আছিল গোলক নাথ। তেওঁ কলে যে আপুনি কলৈ গৈ আছে। টিকট পোৱা বৰ কঠিন। মই কলো মোৰ দিল্লীলৈ যাব লাগিব। গোলক নাথে কলে, মই যাওঁ আৰু টিকটৰ ব্যৱস্থা কৰো,অৰ্থাৎ তেওঁ গলে আৰু অতি সোনকালে দিল্লীলৈ যোৱাৰ এটা টিকট লৈ আহিলে। মই টিকট তাৰ পৰা লৈ ললো,আৰু পকেটত হাত সোমালো তেতিয়া পাদৰী চাহাবে ক'ব ধৰিলে,আপুনি মোৰ অসন্মানী নকৰিব,ক্ষমা কৰিব, মই ইয়াৰ মূল্য নল'ম আৰু মইয়ো দিল্লীলৈ গৈ আছো,বাটত দেখা যাব। মই বাটত তেওঁক সন্ধান কৰি থাকিলো তেওঁক দেখিবলৈ পোৱা নগ'ল আৰু দিল্লীৰ ষ্টেচনত সন্ধান কৰিও তেওঁক দেখা নাপালো।(হায়াতে নুৰ বাব দ্বিতীয় পৃঃ ৮৬-৮৭)

## আমাৰ ওপৰত কেতিয়াও অসুবিধা নাহিব

মাননীয় আব্দুল কাদিৰ চাহাব প্ৰাক্তন ছৌদাগৰমল লিখক হায়াতে নুৰে লিখিছে যে,

যেনেকুৱা মই আগতে বয়ান কৰিছোঁ,তেওঁ ৰাষ্ট্ৰত সাধাৰণ বেতন পোৱাৰ বাহিৰেও বছৰত কেইবা প্ৰকাৰ পুৰস্কাৰ আৰু সন্মানেৰে পুৰস্কৃত কৰা হৈছিল কিন্তু তেওঁ নিজৰ সকলোবোৰ ধন ছাত্ৰ,বিধৱা,এতীম আৰু আন আন দুখীয়া সকলৰ বাবে খৰচ কৰিছিল আৰু নিৰ্ভৰশীল জীৱন-যাপন অতিবাহিত কৰিছিল। জম্মুত হাকিম নামৰ এজন হিন্দু পাণছাৰী (নিমক,মছালা ইত্যাদি বিক্ৰি কৰোঁতা)বসতি কৰিছিল। তেওঁ সদায় তেওঁক উপদেশ দিছিল যে আপুনি প্ৰত্যেক মাহত কমপক্ষে এশ টকা ধাৰণা কৰি লওঁক লগতে ৰাখিব,ইয়াত কেতিয়াবা হঠাৎ কৰি অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়,কিন্তু তেখেতে তেওঁক সদায় কৈছিল যে এনেকুৱা ধাৰণা উপজা আল্লাহ তা'লাৰ প্ৰতি বেয়া ধাৰণা কৰা হয়। আমাৰ ওপৰত কেতিয়াও অসুবিধা নাহিব ইনশা আল্লাহ। যিদিনা তেখেতে চাকৰিৰ পৰা বঞ্চিতৰ সংবাদ পাইছিল; সেই হিন্দু পাণছাৰী তেওঁৰ ওচৰলৈ আহে আৰু ক'ব ধৰিলে মৌলবী চাহাব ! সম্ভৱত আজি আপোনাৰ মোৰ উপদেশ মনত পৰিছে। তেখেতে কৈছিল, তোমাৰ উপদেশ যেনেকৈ

মই নীচ দৃষ্টিৰে চাইছিলো আজিও তেনেকুৱা নীচ দৃষ্টিৰেই চাওঁ। কথা অব্যাহত থকা অৱস্থাতেই খাজানাৰ পৰা ৪৮০ টকাৰ এক ৰাশি তেখেতৰ সেৱালৈ সেই চিঠিৰ লগতে পৌচাই দিয়া হয় যে এয়া আপোনাৰ এই দিনবোৰৰ বেতন হয় যি এই মাহৰ যিমান দিন অতিক্ৰম হৈছে। সেই পাণছাৰীয়ে অফিচাৰজনক গালি দি কয় যে নুৰে দ্বীন তোমাক অভিযোগ কৰিছিল নে ? এতিয়া তেওঁৰ খং সমাপ্ত হোৱাই নাছিল এজনী ৰাণী চাহিবাই তেওঁৰ ওচৰত তাইৰ নিজৰ তৰফৰ পৰা বহু পৰিমাণে ৰাশি  পঠায় আৰু ক্ষমা খোজে যে এই সময়ত আমাৰ ওচৰত ইয়াতকৈ আৰু বেছি ৰাশি নাছিল নতুবা আমি আৰু পঠালো হয়। সেই ধন ৰাশিক দেখি সেই পাণছাৰীৰ খং আৰু বেছি বাঢ়ি গ’ল। তেখেত সেই সময়ত ১৯৫০০০ টকাৰ  ঋণ আছিল আৰু তেওঁ এই বিষয়ে অৱগত আছিল। এই ঋণৰ ফালে ইঙ্গিত কৰি তেওঁ ক’ব ধৰিলে যে এয়া ভালেই হ’ল যে আপোনাক প্ৰায় দুই লাখ টকা দিবলগীয়া আছে গতিকে আপোনাক বিনা সন্তুষ্টিৰে কেনেকৈ যাবলৈ দিব পাৰিম।  এই কথাষাৰ শেষ নহওঁতেই  আৰু এজন ধৰুৱা আহে আৰু বৰ বিনম্ৰতাৰে হাত বান্ধি ক’ব ধৰিলে যে মোৰ ওচৰত এতিয়া ফোন আহিছে। মোৰ মালিকে কয় যে মৌলবী চাহাব যাবলগীয়া হয়,তেওঁৰ ওচৰত ধন-ৰাশি বোধহয় নাই তুমি তেওঁৰ সকলোবোৰ বস্তু ঘৰত পৌচাই দিয়াৰ ব্যৱস্থা কৰা আৰু যি পৰিমাণে ৰাশিৰ প্ৰয়োজন হয় তুমি তেওঁক দি দিয়া তেওঁ যদি বস্তু বাহানি লগতে লৈ যাব নোৱাৰে তেতিয়া সুৰক্ষাৰ সৈতে সেই বস্তুবোৰ পৌচাই দিয়া। তেখেতে কৈছে,

“মোক টকাৰ প্ৰয়োজন নাই। খাজানাৰ পৰা ৰাশি আহি গৈছে আৰু এজনী ৰাণীয়েও ৰাশি পঠাইছে। মোৰ ওচৰত ৰাশি যথেষ্ট আছে আৰু বস্তু বাহানি মই লগতেই লৈ ল’ম”-

তেখেতে কৈছে,

মই কলো যে আল্লাহ তা’লা হৃদয়ৰ বিষয়ে জানে। আমি তেওঁৰ টকা ইনশা আল্লাহ অতি সোনকালে আদায় কৰিম। তুমি এই ৰহস্যক বুজিবই নোৱাৰা।

# ঋণ আদায় কৰাৰ কাহিনী

প্ৰয়োজন বুলি ভাৱো যে সেই সময়ত এই ঋণ আদায় কৰাৰ কাহিনীও বয়ান কৰা যাওঁক। মাননীয় জনাব গোলাম ফৰিদ চাহাব এম,এ কৈছে যে যিমান সময় মই হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ সৈতে অৱস্থান কৰিছোঁ বহু কম লোকসকলে এনেকুৱা সুযোগ পাইছে। তেখেতে এই ঋণৰ আদায় কৰাৰ কথা উল্লেখ কৰিছে কিন্তু কেতিয়াও এয়া কোৱা নাই যে সেই ঋণ হুজুৰে কেনেকৈ আদায় কৰিছে। হুজুৰৰ যুগ অতিবাহিত হৈ গ'ল। হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ যুগ আহিল,ইয়াৰো এক দীৰ্ঘ সময় অতিবাহিত হৈ গ'ল। মই যেতিয়া কোৰাণ কৰিমৰ ইংৰাজী ব্যাখ্যা প্ৰকাশ কৰাৰ ছিলছিলাত লাহোৰত আহিব ধৰিলো তেতিয়া এবাৰ জনাবে মুলক গোলাম মহম্মদ চাহাব কছুৰীৰ কাষত বহি আছিলো যে এই ঋণ আদায় কৰাৰ বিষয়ে কথা-বতৰা হৈ আছিল। মাননীয় মুলক চাহাব মৰহুমে কৈছে যে হজৰত মৌলবী চাহাবক যেতিয়া ৰাজনৈতিক অৱস্থাৰ অধীনত মহাৰাজা জম্মু আৰু কাশ্মিৰৰ চাকৰিৰ পৰা পৃথক কৰা হয় পিছত পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহাত মহাৰাজা চাহাবৰ ধাৰণা উপজিল যে মৌলবী চাহাব বহু বিজ্ঞ ভাল ডাক্তৰ হয় তেওঁক চাকৰিৰ পৰা পৃথক কৰি আমি অন্যায় কৰিছোঁ তেওঁক ওভতাই অনাৰ চেষ্টা কৰা উচিত। তেখেতক যেতিয়া কোৱা হয় তেতিয়া তেখেতে কলে যে মই এনেকুৱা ঠাইত গৈ পাইছো যে যদি মোক গোটেই পৃথিৱীৰ শাসনও পাই যাওঁ তথাপি সেই স্থান এৰিব নোৱাৰো। অৰ্থাৎ মহাৰাজা চাহাবৰ এই অন্যায়ৰ বৰ অনুতাপ আছিল। তেওঁ ইয়াক শুধৰণী কৰাৰ বাবে এই পদ্ধতি অৱলম্বন কৰিলে যে এইবাৰ জঞ্জলবোৰৰ ঠিকা কেৱল তেওঁকেই দিয়া যাওঁক যি লাভৰ পৰা আধা অংশ হজৰত মৌলবী চাহাবকেই দিয়া যাওঁক। অৰ্থাৎ এই চৰ্তৰ সৈতে ঠিকাদাৰক মাতি অনা হয়। যি ব্যক্তিয়ে ঠিকা পালে,তেওঁ যেতিয়া এবছৰ পিছত লাভৰ হিচাপ কৰে তেতিয়া খোদা তা'লাৰ কৃপাত তেওঁৰ ৩৯০০০০ তিনি লাখ নবৈ হাজাৰ টকা লাভ হয়। যাৰ আধা অংশ ১৯৫০০০ টকা হৈছিল আৰু ইমান পৰিমাণেই হুজুৰৰ জিম্মাত ঋণ

আছিল। যেতিয়া এই ৰাশি হুজুৰৰ সেৱাত উত্থাপন কৰা হয় তেতিয়া হুজুৰে কয়,এই টকা সেই অফিচাৰৰ ওচৰত ওভতাই লৈ অমুক ছেঠক দি দিয়া যাওঁক,আমি তেওঁৰ ঋণ দিব লগীয়া আছে। দ্বিতীয় বছৰ মহাৰাজাই আকৌ সেই চৰ্ত অনুযায়ী ঠিকা দিলে। কিন্তু যেতিয়া এই বছৰ যেতিয়া লাভৰ আধা অংশ হুজুৰৰ সেৱালৈ উত্থাপন হয় তেতিয়া হুজুৰে সেয়া লোৱাত অস্বীকাৰ কৰি কয় যে নে মোৰ এই কামত মূলধন আছে আৰু নে মই কষ্ট কৰিছোঁ তেন্তে মই এই লাভ কিয় ল'ম ? ঠিকাদাৰে কলে ! মোক এই ঠিকা এই চৰ্ত অনুযায়ী দিয়া হৈছিল। আপুনি আপোনাৰ অংশ লৈ লওঁক,নতুবা পৰৱৰ্তীত মই ঠিকা নাপাম। হুজুৰে কৈছে এতিয়া যিয়ে নহওঁক মই এই টকা নল'ম। তেওঁ কলে,তেন্তে যোৱা বছৰ কিয় লৈছিলা ? কয়,সেয়া মোৰ প্ৰতিপালকে নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী মোৰ ঋণৰ বোজা অৱতৰণ কৰিবলগীয়া আছিল। যেতিয়া সেই বোজা নামি গ'ল এতিয়া মই সেয়া কিয় ল'ম। এই কথাত ঠিকাদাৰ ওভতি গুচি গ'ল। (হায়াতে নুৰ বাব তৃতীয় পৃঃ ১৮০-১৮২)

## আল্লাহ তা'লাৰ তেখেতেৰ সৈতে অঙ্গীকাৰ

মাননীয় আব্দুল কাদিৰ চাহাব মৰহুম প্ৰাক্তন ছৌদাগৰমল লিখক “হায়াতে নুৰ” নিজৰ পুস্তকত লিখিছে,

হজৰত মৌলবী হাকিম নুৰ উদ্দিন চাহাব (ৰাঃ)যেতিয়া ১৯০৩-১৯০৪ চনত মৌলবী কৰম দ্বীন চাহাবৰ মোকৰ্দমাৰ ছিলছিলাত হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে গুৰদাছপুৰলৈ গৈছিল তেতিয়া সেই দিনবোৰতে এটা ঘটনা মাননীয় মুলক বশিৰ আলি চাহাব কুনজাহীহাল ৰাবুৱাই এয়া বৰ্ণনা কৰিছে যে,

মই হায়দৰাবাদ দকনত প্ৰায় তেৰ বছৰ অৱস্থান কৰিছোঁ আৰু তাতে ঠিকাদাৰৰ কাম কৰি আছিলো। মোৰ শেখ ইয়াকুব আলি ইৰফানী (ৰাঃ)ৰ সৈতে বৰ প্ৰগাঢ় সম্পৰ্ক আছিল আৰু আমি উভয়ে এক দীৰ্ঘ সময়লৈ একেলগে বসবাস কৰিছিলোঁ। এবাৰ হজৰত ইৰফানী (ৰাঃ)য়ে কৈছে যে হজৰত মছীহ মাওউদ (আঃ)য়ে গুৰদাছপুৰলৈ এটা মোকৰ্দমাৰ ছিলছিলাত

গৈছিল। হজৰত মছীহ মাওউদ (আঃ)য়ে তাৰ পৰা কলে যে হজৰত মৌলবী নুৰ উদ্দিন চাহাব আৰু শেখ ইয়াকুব আলি চাহাব অতি সোনকালে পৌচাই যাওঁক। অৰ্থাৎ মই আৰু হজৰত মৌলবী চাহাব দুপৰীয়া দুই বজাৰ পিছত ঘোঁৰাৰ গাড়ীত বহি বাটালাৰ ফালে ৰাওনা হলো। শেষ চাহাবে মোক কলে যে এতিয়া মোৰ হৃদয়ত ধাৰণা উপজিল যে হজৰত মৌলবী চাহাব কোৱা কৰিছিল যে খোদা তা'লাই মোৰ সৈতে প্ৰতিশ্ৰুতি কৰিছে যে মই যদি কোনো জঙ্ঘল মৰুভূমিতো থাকো তথাপি খোদা তা'লাই মোৰ আহাৰৰ ব্যৱস্থা কৰিব আৰু মই কেতিয়াও ভুকাতুৰ নেথাকিম। আজি আমি অসময়ত গুচি যাত্ৰা কৰিলোঁ, জানিব পাৰিম যে ৰাতি সিহঁতৰ আহাৰৰ কি ব্যৱস্থা হয়।

বাটালাৰ স্থানীয় জামাতৰ তৰফৰ পৰা এটা ঘৰ অতিথীখানা হিচাপে আছিল। তাতে আমি উভয়ে গলো। হজৰত মৌলবী চাহাবে তাতে এটা চাৰপাইত (বিছনাত) বাগৰ দি কিতাপ পঢ়িব ধৰিলে। তেতিয়া প্ৰায় আবেলি ৬ বজাৰ সময় আছিল। হঠাৎ কৰি এজন অচিনাকী ব্যক্তি আহে আৰু ক'ব ধৰিলে,মই শুনিব পাৰিছো যে আজি মৌলবী নুৰ উদ্দিন চাহাব ইয়াতে আহিছে, তেখেত ক'ত আছে? মই কলো তেখেত বিশ্ৰাম কৰি আছে,তেওঁ কলে হুজুৰ মোৰ এটা অনুৰোধ যে আজিৰ সন্ধিয়া মোৰ ঘৰত নিমন্ত্ৰণ গ্ৰহণ কৰিব। মই ৰেলৰ কাম-কাজৰ ঠিকাদাৰ হওঁ আৰু মোৰ বেলিষ্ট ৰেল ৰৈ আছে আৰু মই অমৰিতছৰ যাম। মোৰ দাসে হুজুৰৰ বাবে খাদ্য লৈ আহিব। হজৰত মৌলৰী চাহাবে কৈছে,বৰ ভাল। অৰ্থাৎ সন্ধিয়াৰ সময়ত তেওঁৰ দাসে বৰ ভাল খাদ্য লৈ উপস্থিত হ'ল; আৰু আমি দুয়ো পেট ভৰি খালো। শেখ চাহাবে ক'ব ধৰিলে,মোৰ হৃদয়ত ধাৰণা উপজিল যে তেখেতৰ কথা সঁচা হৈ গ'ল আৰু ইহঁতক খোদা তা'লাই সঁচাকৈয়ে আহাৰৰ ব্যৱস্থা কৰিলে।

গাড়ী ৰাতিৰ দহ বজাৰ পিছত চলিছিল। মই হজৰত মৌলবী চাহাবক কলো যে এন্ধাৰ হৈ আছে,পিছত শ্ৰমিকসকলক পোৱা নাযাব,আমি কোনো শ্ৰমিকক মাতি আনো ষ্টেচনলৈ যাওঁ,তাতে কোঠালিত গৈ বিশ্ৰাম কৰি ল'ম। হজৰত মৌলবী চাহাবে কলে-বৰ ভাল কথা,আমি এজন শ্ৰমিকক

মাতিলো..আৰু তেওঁ আমাৰ দুয়োজনৰ বস্তু বাহানি লৈ ষ্টেচন গৈ পালে,গাড়ী ৰাতি ১০ বজাৰ পিছত আছিল। মই তেওঁৰ বিছনা খুলি দিলো যাতে হজৰত মৌলবী চাহাবে বিশ্ৰাম কৰিব পাৰে। যেতিয়া মই বিছনা খুলিলো আল্লাহ তা'লা এই কথাৰ সাক্ষী যে তাৰ ভিতৰৰ পৰা এখন কাগজত মেৰোৱা দুটা পৰাঠা ওলাল যাৰ লগত কিমা (মাংসৰে তৈয়াৰী ছালন) ৰখা আছিল। মই বৰ আচৰিত হলো আৰু মই নিজৰ হৃদয়ক কলো যে সেই আহাৰো আমি খালো আৰু খোদাৰ তৰফৰ পৰা আৰু খাদ্য আহি পৰিলে কাৰণ এই খাদ্যৰ বিষয়ে আমাৰ কিঞ্চিৎ পৰিমাণো জ্ঞান নাছিল।

মই হজৰত মৌলবী চাহাবক কলো যে হুজুৰ যেতিয়া আমি কাদিয়ানৰ পৰা যাত্ৰা আৰম্ভ কৰিলোঁ যি হঠাৎ কৰি বিনা প্ৰস্তুতিত ওলাই পৰিছিলোঁ মোৰ হৃদয়ে ভাৱিলে যে আজি আমি চাম যে মৌলবী চাহাবৰ আহাৰ ক'ৰ পৰা আহে,প্ৰথমে আপোনাৰ নিমন্ত্ৰণ হৈ গ'ল আৰু এতিয়া এই পৰাঠা বিছনাৰ পৰা ওলাল; হজৰত মৌলবী চাহাবে কলে,

"শেখ চাহাব ! আল্লাহ্ তা'লাক পৰীক্ষা নকৰিবা আৰু খোদাৰ প্ৰতি ভয় কৰা। সেইজনাৰ সৈতে মোৰ বিশেষ সম্পৰ্ক আছে" (হায়াতে নুৰ বাব চতুৰ্থ,লিখক মাননীয় আব্দুল কাদিৰ চাহাব ছৌদাগৰমল,পৃঃ ২৭৩-২৭৫)

## আকাৰ নিৰ্দেশত বিনা প্ৰস্তুতিত দিল্লীৰ ফালে ৰাওনা হ'ল

মাননীয় শেষ আব্দুল কাদিৰ চাহাবে লিখিছে,

২২ অক্টোবৰ ১৯০৫ চনত হজৰত উম্মুল মোমিনিন (ৰাঃ)ক তেখেতৰ আকাৰ সৈতে মিলোৱাৰ বাবে দিল্লী উপস্থিত হয়। দিল্লী গৈ পোৱাত কেইবাদিনেই হৈছিল যে হজৰত মিৰ নাচিৰ নৱাব চাহাব (ৰাঃ)অসুস্থ হৈ পৰে। তেওঁৰ প্ৰতি হুজুৰৰ ধাৰণা হ'ল যে যদি মৌলবী নুৰ উদ্দিন চাহাবক দিল্লীলৈ মাতি অনা হয় তেন্তে ভাল হ'ব। গতিকে হজৰত মৌলবী চাহাবক তাৰ (তাৰৰ মাধ্যমে সংবাদ) দিলে,য'ত তাৰ লিখাজনে তৎক্ষণাত পলম নকৰি লিখি দিলে, যেতিয়া এই তাৰ কাদিয়ান পৌচায় তেতিয়া হজৰত মৌলবী চাহাব নিজৰ ক্লিনিকত বহি আছিল।এই ধাৰণাৰে যে নিৰ্দেশ পালন কৰাত যেন কোনো

পলম নহয়,সেই পৰিস্থিতিত তৎক্ষণাত যাত্ৰা আৰম্ভ কৰিলে,নে ঘৰত গ'ল,নে নিজৰ কাপোৰ পৰিৱৰ্তন কৰিলে,নে বস্তু বাহানি ললে,লগতে ৰেলৰ ভাড়াও নাছিল,ঘৰৰ মানুহে যেতিয়া জানিব পাৰিলে তেতিয়া এজন মানুহৰ হাতত কম্বল দি পঠালে কিন্তু খৰচৰ বাবে টকা পঠোৱাৰ সিহঁতৰ ধাৰণাই নজন্মিলে আৰু সম্ভৱত ঘৰত ইমানখিনি টকাও নাছিল। যেতিয়া আপুনি বাটালা গৈ পায় তেতিয়া এজন হিন্দু ৰাইছে যিয়ে তেখেতৰ অপেক্ষাতেই আছিল কলে যে মোৰ স্ত্ৰী অসুস্থ,দয়া কৰি তাইক চাই প্ৰেছক্ৰিপশন কৰি দিয়ক। কলো মই এই গাড়ীত দিল্লীলৈ যাম,সেই ৰাইছে কলে, মই নিজৰ স্ত্ৰীক ইয়াতেই লৈ আহো। অৰ্থাৎ তেওঁ নিজৰ স্ত্ৰীক লৈ আহিলে,আপুনি তেওঁক চাই প্ৰেছক্ৰিপশন কৰি দিলে,সেই হিন্দুজনে দিল্লীলৈ যোৱা টিকট কৰি লৈ আহিলে,আৰু কিছু ৰাশি ব্ৰত হিচাপে উত্থাপন কৰিলে,এইদৰে তেখেতে দিল্লী গৈ হজৰত আকদছৰ সেৱাত উপস্থিত হ'ল। (হায়াতে নুৰ বাব চতুৰ্থ,লিখক মাননীয় আব্দুল কাদিৰ চাহাব,ছৌদাগৰমল,পৃঃ ২৮৫)

## খেজুৰে আচৰিত ধৰণৰ অলৌকিক প্ৰভাৱ দেখুৱালে

মাননীয় আব্দুল মাজিদ চাহাব তাহিৰ এডিশনাল উকিল তবছিৰ লণ্ডনে বয়ান কৰিছে,

হজৰত চৌধুৰী হাকিম দ্বীন চাহাব (ৰাঃ)ৰ বৰ্ণিত এটা ঘটনা উত্থাপন কৰো যি চৌধুৰী হাকিম দ্বীন চাহাব (ৰাঃ)য়ে কাদিয়ানৰ বৰ্ডিং হাউছত এজন সাধাৰণ চাকৰিত নিযুক্ত আছিল। তেওঁৰ প্ৰথম শিশুৰ জন্মৰ সময়ত তেওঁৰ স্ত্ৰীৰ বৰ কষ্ট হৈছিল। তেওঁ বয়ান কৰিছে যে এই ক্ষেত্ৰত মই আৰু কোনো উপায় নাপাই ৰাতি ১১ বজাত হজৰত খলিফাতুল মছীহ প্ৰথম (ৰাঃ)ৰ ঘৰত গৈ পালো আৰু চকীদাৰক কলো, মই এতিয়া হুজুৰৰ সৈতে সাক্ষাৎ কৰিব পাৰোনে? চকীদাৰে নহয় বুলি উত্তৰ দিলে,কিন্তু হুজুৰে মোৰ শব্দ শুনা পালে আৰু মোক ভিতৰত মাতিলে। মই নিজৰ স্ত্ৰীৰিৰ কষ্টৰ কথা উল্লেখ কৰিলোঁ,তেখেতে খেজুৰৰ ওপৰত দোৱা কৰি সেই খেজুৰ মোক দি দিলে

আৰু কলে এয়া লৈ তোমাৰ স্ত্ৰীক খোৱাওক আৰু যেতিয়া শিশু জন্ম পায় তেতিয়া মোক জনাবা।

হজৰত হাকিম দ্বীন চাহাব (ৰাঃ)য়ে কৈছে যে মই সেই খেজুৰ নিজৰ স্ত্ৰীক খোৱাই দিলো সেই খেজুৰে আচৰিত ধৰণৰ অলৌকিক প্ৰভাৱ দেখুৱালে আৰু কিছু সময় পিছত শিশু জন্ম পালে।

হজৰত হাকিম দ্বীন (ৰাঃ)য়ে কৈছে যে মই ৰাতিৰ সময়ত হুজুৰক সাৰ কৰোৱা প্ৰয়োজনবোধ বুলি নেভাৱিলো যে তেখেতে সম্ভৱত শুই আছে।যেতিয়া ৰাতিপুৱা (ফজৰ)ৰ আজানৰ সময়ত উপস্থিত হলো আৰু গোটেই পৰিস্থিতি হুজুৰক কলো তেতিয়া হুজুৰ কলে শিশু জন্ম হোৱাৰ পিছত তুমি স্বামী স্ত্ৰীয়ে আৰামত শুই আছিলা যদি মোক সংবাদ জনালে হয় তেতিয়া মইয়ো আৰাম কৰিব পাৰিল হয়,মই গোটেই ৰাতি তোমাৰ স্ত্ৰীৰিৰ কাৰণে দোৱা কৰি থাকিছো।

এই ঘটনা বৰ্ণনা কৰি হাকিম দ্বীন চাহাবে বহু ক্ৰন্দন কৰিব ধৰিলে আৰু ক'ব ধৰিলে ক'ত চপড়াছী (পিয়ন) হাকিম দ্বীন আৰু ক'ত মহান নুৰ উদ্দিন। (বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ ২০১৫ চনলৈ পৃঃ ১৪)

# হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ চাহাব খলিফাতুল মছীহ ছানি (ৰাঃ)

তেখেতৰ পৰিপূৰ্ণ নাম মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ চাহাব হয়। তেখেত হজৰত মছীহ মাওউদ (আঃ)ৰ ডাঙৰ ল'ৰা হয়। ১২ জানুৱাৰী ১৮৮৯ ত জন্ম গ্ৰহণ কৰে। ১৩ মাৰ্চ ১৯১৪ চনত হজৰত খলিফাতুল মছীহ প্ৰথমৰ মৃত্যুৰ পিছত আগদিনা ১৪ মাৰ্চ ১৯১৪ চনত জামাত আহমদীয়াৰ দ্বিতীয় খলিফা নিৰ্বাচিত হয় সেই সময় তেখেতৰ বয়স আছিল কেৱল ২৫ বছৰ।

৭,৮ নৱেম্বৰ ১৯৬৫ চনৰ মাজৰ ৰাতি তেখেতৰ মৃত্যু হয়। ৫২ বছৰ তেখেত (ৰাঃ) খিলাফতৰ ওপৰত অধিষ্ঠিত থাকে আৰু জামাত আহমদীয়াৰ পয়গাম পৃথিৱীৰ কেন্দ্ৰ কেন্দ্ৰলৈ পৌচায়।

তেখেত হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰতিশ্ৰুত সন্তান আছিল। অৰ্থাৎ হজৰত মছীহ মাওউদ (আঃ)ৰ সকলোবিলাক সন্তান আল্লাহ তা'লাৰ শুভ সংবাদ মতেই হৈছে কিন্তু হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সম্বন্ধে আল্লাহ তা'লাই তেখেত (আঃ)ক বিশেষ ৰূপে সংবাদ প্ৰদান কৰিছিল। সেই শুভ সংবাদ জামাত আহমদীয়াত ভৱিষ্যদ্বাণী আকাৰে বিখ্যাত বুলি চিহ্নিত হয়। এই ভৱিষ্যদ্বাণীত আল্লাহ তা'লাই তেখেত (ৰাঃ)ৰ বিশাল গুণাৱলীসমূহ বয়ান কৰিছে। আল্লাহ তা'লাই তেখেতৰ সম্বন্ধে ইমানখিনি কৈছে যে তেখেতৰ আগমন অৰ্থাৎ খোদা তা'লাৰ আগমন হয়,গতিকে কৈছে,

"مَظْهَرُ الْحَقِّ وَ الْعَلَاءِ كَاَنَّ اللّٰهَ نَزَلَ مِنَ السَّمَاءِ"

তেখেত আল্লাহ তা'লাৰ সেই নিদৰ্শন হয় যাক আল্লাই পৃথিৱীৰ সকলোবোৰ জাতিৰ মাজত আতমামে হুজ্জত (যুক্তিসঙ্গত প্ৰমাণৰ)ৰ বাবে অৱতীৰ্ণ কৰিছে। হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ) তেখেতৰ সম্বন্ধে কৈছে,

তেখেত সেই আদমৰ পৃথক সন্তান আছিল যি শতাব্দীতেই নহয় অৰ্থাৎ হাজাৰ বছৰত এবাৰ কেতিয়াবা আকাশৰ কোণা মানৱৰ ওপৰত প্ৰকাশ পায় আৰু যাৰ পোহৰ কেৱল এটা বংশকেই নহয় অৰ্থাৎ বিশ মানৱীয় বংশক

নিজৰ জেউতিৰ দ্বাৰা আলোকিত কৰে। (ছোৱানে ফজলে উমৰ জিলদ আউৱাল পৃঃ দাল)

বাল্যকালৰ পৰাই তেখেত বৰ পুণ্যবান,পৱিত্ৰ খোদাভীতি আৰু দিব্য দৰ্শন প্ৰাপ্ত আছিল। আল্লাহ আৰু তাৰ ৰছুলৰ সৈতে ভালপোৱাৰ সম্বন্ধ ৰাখিছিল। হজৰত মছীহ মাওউদ (আঃ)ৰ বিশেষ পৱিত্ৰতা তেখেতৰ ওপৰত বৰ প্ৰভাৱশীল আছিল। নমাজৰ প্ৰতি ইমান মহব্বত আছিল যে দীঘলীয়া নমাজ আদায় কৰিছিল আৰু ছিজদাৰত অৱস্থাত বৰ ক্ৰন্দন কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ কিছু ঈমান উদ্দীপক ঘটনাসমূহ নিম্নত উল্লেখ কৰা হৈ আছে,

## সেই সময়ত মই ১১ বছৰীয়া আছিলো

বাল্যকালৰ পৰাই তেখেতে খোদাৰ অস্তিত্ব মজুদ আছে বুলি বিশ্বাস স্থাপন কৰিছিল। এই ঘটনা নিশ্চয় আচৰিত যে যি বয়সত শিশুবিলাকে কেৱল খেলা-ধূলা কৰি দিন অতিবাহিত কৰে সেই বয়সত তেখেতে খোদাৰ সন্ধানত থাকে আৰু সেই অস্তিত্বৰ সন্ধানত আৰু প্ৰমাণ কৰাৰ চিন্তা-চেতনাত থাকে,কেৱল চিন্তা-চেতনাই নহয় অৰ্থাৎ অটল যুক্তিৰ ফলত বৰকৈ উৎফুল্লিত হয়। তেখেত (ৰাঃ)য়ে কৈছে ঃ-

যেতিয়া মই ১১ বছৰীয়া হলো আৰু ১৯০০ চনে পৃথিৱীত খোজ ৰাখিলে তেতিয়া মোৰ হৃদয়ত এই ধাৰণা উপজিল যে মই খোদাৰ ওপৰত কিয় ঈমান আনো তাৰ অস্তিত্বৰ কি প্ৰমাণ আছে ? মই ৰাতি দীৰ্ঘ সময়লৈ এয়া ভাৱিব ধৰিলো। শেষত নিশা ১০/১১ বজাত মোৰ হৃদয়ত এই সিদ্ধান্ত আহিল যে হয় এক খোদা আছে। সেই সময় মোৰ বাবে কিমান আনন্দৰ সময় আছিল যিদৰে এটা শিশুৱে তেওঁৰ মাতৃক পাই যায় তেতিয়া কিমান আনন্দিত হয় এনেকুৱাই মইয়ো আনন্দিত হৈছিলো যে মোৰ সৃষ্টি কৰ্তাক মই পাই গলো। উৰি থকা ঈমান জ্ঞানৰ ঈমানত পৰিৱৰ্তন হৈ গ'ল। মই নিজৰ পোচাক ফুলেৰে সজোৱা নাছিলো। মই সেই সময়তে আল্লাহ তা'লাৰ পৰা দোৱা খুজিলো আৰু দীৰ্ঘ

সময়লৈ দোৱা কৰি থাকিলো যে খোদা ! মই তোমাৰ অস্তিত্ব সম্বন্ধে কেতিয়াও মোৰ সন্দেহ সৃষ্টি যেন নহয়। তেতিয়া মই ১১ বছৰীয়া আছিলো...কিন্তু আজি মই সেই দোৱাক সন্মানৰ দৃষ্টিৰে চাওঁ। মই আজিও এয়াই কওঁ যে খোদা তোমাৰ অস্তিত্ব সম্বন্ধে যেন কেতিয়াও সন্দেহ সৃষ্টি নহয়। হয় তেতিয়া মই শিশু আছিলো,এতিয়া মোৰ অভিজ্ঞতা বৃদ্ধি পাইছে,এতিয়া মই ইমানখিনি কওঁ যে খোদা তোমাৰ অস্তিত্ব সম্বন্ধে হক্কুল ইয়াকিন (খোদাৰ ওপৰত পৰিপূৰ্ণ ৰূপে বিশ্বাস কৰি খোদাক প্ৰাপ্ত কৰা) যেন সৃষ্টি হৈ যায়।

যেতিয়া মোৰ হৃদয়ত সেই ধাৰণাবোৰ সৃষ্টি হোৱা আৰম্ভ হয় যি মই ওপৰত উল্লেখ কৰিছোঁ,এদিনাখন জুহা (সূৰ্য পৰিপূৰ্ণ ভাৱে উদয় হোৱাৰ কিছু পিছৰ সময়)ত অজু কৰিলোঁ জুববাটো (কোটটো) এই কাৰণে পৰিধান কৰা নাই যে ধুনীয়া হয় সেইটো বৰকত হিচাপে পৰিধান কৰিলোঁ এয়া মোৰ প্ৰথম অনুভৱ আছিল খোদা তা'লাৰ পৱিত্ৰ প্ৰত্যাদিষ্ট হোৱাৰ। মই যি কোঠালিত অৱস্থান কৰিলোঁ সেই কোঠালিত জুববাটো পৰিধান কৰিলোঁ আৰু দুৱাৰখন বন্ধ কৰি দিলো আৰু এটা কাপোৰ পাৰি নমাজ পঢ়া আৰম্ভ কৰিলোঁ আৰু মই তেতিয়া বহু কান্দিলো,বহু কান্দিলো আৰু স্বীকাৰ কৰিলোঁ যে এতিয়া নমাজ মই কেতিয়াও নেৰিম। সেই ১১ বছৰ বয়সত কেনেকুৱা প্ৰতিশ্ৰুতিবদ্ধ আছিল। এই স্বীকাৰোক্তিৰ পিছত মই কেতিয়াও নমাজ এৰি দিয়া নাই। সেই নমাজৰ পিছতো কেইবা বছৰ বাল্যকাল বাকীয়ে আছিল মোৰ সেই প্ৰতিশ্ৰুতি মোৰ আজিৰ ই চ্ছাক লজ্জিত কৰে। (ছোৱানেহ ফজল উমৰ জিলদ আউৱাল পৃঃ ৯৬-৯৭)

## তেখেতে মজিয়াত সাষ্টাঙ্গে প্ৰণিপাত কৰি আছে

হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)কৈছে যে আমি তেখেত (ৰাঃ)ৰ বিষয়ে তেখেতৰ বুজুৰ্গ শিক্ষকৰ প্ৰভাম্বিত সম্বন্ধে বৰ্ণনা কৰো, জীৱনীৰ বিষয়ে অধ্যয়ন কৰাৰ এয়াও এক উপায় হয় শিক্ষকৰ দৃষ্টিৰে ছাত্ৰক দেখা যাওঁক। হজৰত মৌলবী শেৰ আলি চাহাব (ৰাঃ) যিয়ে তেখেতৰ ইংৰাজী শিক্ষক আছিল আৰু মাদ্ৰাছাৰ বাহিৰেও ঘৰত তেখেত (ৰাঃ)ক পঢ়াইছিল,নিজৰ

প্ৰভান্বিতৰ কথা উল্লেখ কৰি লিখিছে ঃ-

হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ ছাত্ৰ অৱস্থাৰ আৰু এটা ঘটনা লিখো তাৰ পৰাও আপোনালোকৰ হৃদয় আলোকিত হ'ব। এদিন বৰষুণ হৈ আছিল বৰষুণ ইমান বেছি হোৱা নাছিল। ভৃত্যসকল নিৰ্ধাৰিত সময়ত হুজুৰৰ সেৱালৈ উপস্থিত হ'ল। খট্‌খটিৰ দুৱাৰ খট্‌খটালো হুজুৰে দুৱাৰখন খুলিলে। ভৃত্যই ভিতৰত প্ৰৱেশ কৰি এখন চিয়াৰত বহি যায়। তেখেতে কোঠালিত প্ৰৱেশ কৰে, মই ভাৱিলো যে কিতাপ লৈ বাহিৰৰ পিৰালিলৈ যাব যেতিয়া তেখেতৰ বাহিৰলৈ অহাত কিছু পলম হৈ গ'ল তেতিয়া মই ভিতৰৰ ফালে দৃষ্টি নিক্ষেপ কৰি চাওঁ যে আপুনি মজিয়াত সাষ্টাঙ্গে প্ৰণিপাত কৰি আছে। মোৰ ধাৰণা উপজিল যে আজি বৰষুণৰ কাৰণে সম্ভৱত তেখেতে ভাৱিছে যে মই উপস্থিত নহ'ম;আৰু যেতিয়া মই উপস্থিত হলো তেতিয়া তেখেতৰ হৃদয়ত মোৰ বাবে দোৱাৰ সংকেত আহিলে যে তেখেত ভৃত্যৰ বাবে দোৱা কৰি আছে। তেখেত দীৰ্ঘ সময়লৈ ছিজদাতেই দোৱা কৰিয়ে থাকিল। (ছৱানে ফজলে উমৰ জিলদ আউৱাল পৃঃ ১১৬)

## ছিজদাত বহু কান্দি আছিল

নমাজত ক্ৰন্দন কৰা আল্লাহ্ তা'লাৰ বিশেষ বিনা সহায় সম্ভৱ নহয়। আল্লাহ্ তা'লাৰ তেখেতৰ ওপৰত বিশেষ কৃপা আছিল যে যি কথা কোনোবাক যুৱকতে আৰু কোনোবাক বয়জ্যেষ্ঠ হোৱাৰ পিছত আৰু কোনোবাৰ গোটেই জীৱনতে প্ৰাপ্ত নহয় সেই কথা তেখেতক বাল্যকালতেই প্ৰাপ্ত হৈছিল। হজৰত মুফতি মহম্মদ ছাদিক চাহাব (ৰাঃ)ও যিজন তেখেতৰ বাল্যকালৰ শিক্ষক আছিল। নিজৰ প্ৰভান্বিতৰ কথা বৰ্ণনা কৰিছে ঃ-

অৰ্থাৎ তেখেত হজৰত মছীহ মাওউদ (আঃ)ৰ বয়াত ১৮৯০ চনৰ শেষ ভাগত লৈছিল আৰু সেই সময়ৰ পৰা সদায় অহা-যোৱাৰ শৃঙ্খলা অব্যাহত ৰাখিছিল। মই হজৰত উলুলআজম মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ (ৰাঃ)ক তেখেতৰ বাল্যকালৰ পৰাই চাই আছো যে কেনেকৈ সদায় তেখেতৰ লাজৰ অভ্যাস,বিনম্ৰতা, সততা আৰু দ্বীনৰ প্ৰতি আকৃষ্ট আছিল আৰু হজৰত মছীহ

মাওউদ (আঃ)ৰ ধাৰ্মিক কামবোৰৰ প্ৰতি বাল্যকালৰ পৰাই উৎসা আছিল। নমাজত সদায় হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে জামে মছজিদলৈ গৈছিল আৰু খোতবা শ্ৰৱণ কৰিছিল। এবাৰৰ কথা মোৰ মনত আছে যেতিয়া তেখেতৰ বয়স প্ৰায় দহ বছৰ মান হ'ব; তেখেতে মছজিদ আকছাত হজৰত মছীহ মাওউদ (আঃ)ৰ সৈতে নমাজত থিয় হৈ আছিল,ছিজদাত বহু কান্দি আছিল। বাল্যকালৰ পৰাই তেখেতৰ প্ৰাকৃতিক হিচাপে আল্লাহ আৰু তাৰ ৰছুলৰ প্ৰতি ভালপোৱাৰ সম্পৰ্ক আছিল। (ছৱানে ফজলে উমৰ জিলদ আউৱাল পৃঃ ১১৭)

## ক্ৰন্দন আৰু শব্দ ওলোৱাৰ আচৰিত ঘটনা

বাল্যকালৰ পৰাই আপুনি উপাসনাৰ প্ৰতি আকৃষ্ট,তাহাজ্জুদৰ অভ্যাস, আৰু মছজিদত গৈ ক্ৰন্দিত হোৱাৰ মানচিত্ৰ আকি ছৈয়দিনা হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে এটা ঈমান উদ্দীপক ঘটনা নিজৰ কিতাপ ছৱানে ফজলে উমৰত উল্লেখ কৰিছে। তেখেতে কৈছে,

বাল্যকালৰ পৰাই তেখেতৰ আল্লাহৰ উপাসনাৰ প্ৰতি উৎসা সৃষ্টি হৈছিল আৰু অতি কম বয়সৰ পৰাই তেখেতৰ উপাসনাৰ অভ্যাস হৈ গৈছিল। কেইবা ৰিৱায়তৰ পৰা জানিব পৰা যায় যে তেখেতে পাঁচ ওৱাক্ত নমাজ আদায় কৰাৰ বাহিৰেও নমাজে তাহাজ্জুদ আদায় কৰিছিল। আৰু নমাজৰ আদায় কেৱল প্ৰথা আৰু প্ৰদৰ্শিত নাছিল অৰ্থাৎ বৰ বিনম্ৰতা আৰু ধ্যানৰ সৈতে আদায় কৰিছিল।

এটা শিশু বা যুৱকৰ নমাজত ক্ৰন্দন কৰা আৰু ছিজদাত দীৰ্ঘ সময়লৈ ৰৈ থকা নিশ্চয় ডাঙৰৰ বাবে আশ্চৰ্যৰ বিষয়। বিশেষ কৰি সেই সময়ত যেতিয়া এনেকুৱা শিশু কোনো আঘাত অনুতাপ নকৰে আৰু চিন্তা-ভাৱনাৰ বেলেগ কোনো কাৰণ দেখিবলৈ পোৱা নাযায়। এই আশ্চৰ্য আৰু বেছি বৃদ্ধি পাই যায় আৰু মনত প্ৰশ্ন উত্থাপন হয় যে শেষত সেই শিশু কেনেকৈ জীৱন অতিবাহিত কৰিছে আৰু গোপন ভাৱে ৰাতিত উঠিছে আৰু কান্দি কান্দি

আল্লাহৰ চৰণত নিজৰ অশ্রু নিৰ্গত কৰি ছিজদাৰত অৱস্থাত থাকিছে। এই বিস্ময় শেখ গোলাম আহমদ চাহাব ওৱায়িজ (ৰাঃ)ৰ হৃদয়ত সৃষ্টি হ'ল যি এজন নতুন মুছলমান আছিল আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ হাতত ইছলাম গ্রহণ কৰিছিল,বিশুদ্ধতা আৰু ঈমানত এনেকুৱা উন্নতি কৰিছে যে বৰ উপাসনাকাৰী আৰু দিব্য দৰ্শন ইলহাম প্রাপ্ত আৰু বুজুৰ্গ সকলৰ অন্তৰ্ভুক্ত। তেখেতে কৈছে যে,

এবাৰ মই এয়া ইচ্ছা কৰিলোঁ যে আজি ৰাতি মছজিদ মুবাৰকত অতিবাহিত কৰিম, আৰু অকলেই নিজৰ মাউলাৰ সৈতে যি ইচ্ছা খুজিম। কিন্তু যেতিয়া মই মছজিদত গৈ পাওঁ তেতিয়া দেখিবলৈ পাও যে কোনো ব্যক্তি ছিজদাৰত অৱস্থাত আছে আৰু আল্লাহৰ ওচৰত দোৱা কৰি আছে, তেওঁৰ এই ক্রন্দন অৱস্থাত দোৱা কৰি থকাৰ কাৰণে মই নমাজ পঢ়িব নোৱাৰিলোঁ,আৰু সেই ব্যক্তিৰ দোৱাৰ প্ৰভাৱ মোৰ ওপৰত প্রভাম্বিত হ'ল আৰু মইয়ো দোৱাত মগ্ন হৈ পৰিলো আৰু মই দোৱা কৰিলোঁ যে হে খোদা ! এই ব্যক্তি তোমাৰ চৰণত যি কিছু খুজি আছে সেয়া তেওঁক দি দিয়া আৰু মই থিয় হৈ হৈ ক্লান্ত হৈ পৰিলো যে এই ব্যক্তি নিজৰ মূৰ উঠোৱাৰ পিছত যেন জানিব পাৰো যে কোনে হয়। মই নেজানো যে মোৰ কিমান আগতে তেওঁ আহিছে,যেতিয়া তেওঁ নিজৰ মূৰ উঠালে তেতিয়া দেখা পাওঁ যে হজৰত মিঞা মাহমুদ আহমদ চাহাব হয়। মই আচ্ছালামু আলাইকুম কলো আৰু কৰমৰ্দন কৰিলোঁ আৰু সুধিলো মিঞা ! আজি আল্লাহ তা'লাৰ পৰা কি লৈ ল'লা ? তেতিয়া তেওঁ কলে যে মই এয়াই খুজিছো যে খোদা ! মোক মোৰ চকুৰ সন্মুখত ইছলামক জীৱিত কৰি দেখুওৱা আৰু এয়া কৈ তেওঁ ভিতৰলৈ প্ৰৱেশ কৰিলে। (ছৱানে ফজলে উমৰ জিলদ আউৱাল পৃঃ ১৫০-১৫১)

## সপোন-ইলহাম আৰু ঐশ্বৰিক দিব্য দৰ্শন

বাল্যকালৰ পৰাই তেখেতৰ আল্লাহ তা'লাৰ সৈতে এক বিশেষ সম্পৰ্ক আছিল। কাৰণ এয়াই আছিল যে আপোনাক বাল্যকালৰ পৰাই বহু পৰিমাণে সত্য সপোন আহিব ধৰিছিল। বাল্যকালত তেখেতক ইলহামো হৈছিল আৰু

বাল্যকালৰ পৰাই আপুনি ঐশ্বৰিক দিব্য দৰ্শন প্ৰাপ্ত কৰিছিল। হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে কৈছে,

হজৰত ছৈয়দ ছৰৱাৰ শ্বাহ চাহাব (ৰাঃ) যি হজৰত মছীহ মাওউদ (আঃ)ৰ এজন সন্মানিত চাহাবা আৰু গৌৰৱময় আলিম আছিল আৰু যাৰ জ্ঞান আৰু কৃপাৰ বাবে  চহৰৰ দূৰ-দূৰণিলৈ বিস্তাৰ লাভ কৰিছিল,আৰু হজৰত চাহাবজাদা চাহাবৰ শিক্ষকৰ অন্তৰ্ভুক্ত আছিল,বৰ্ণনা কৰিছে,

হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)মোৰ পৰা শিকি আছিল,এদিনাখন মই কলো মিঞা ! আপোনাৰ দেউতাক বহু পৰিমাণে ইলহাম হয়। আপোনাৰো ইলহাম হয় নে আৰু সপোন ইত্যাদি আহে নে ? তেতিয়া মিঞা চাহাবে কয় যে মৌলবী চাহাব ! সপোন বহু আহে মই এটা সপোন প্ৰায় প্ৰত্যেক দিন দেখো আৰু যেতিয়াই মই গাৰুৰ ওপৰত মূৰ ৰাখো তেতিয়াৰ পৰা লৈ ৰাতিপুৱা উঠালৈকে এই দৃশ্য দেখিবলৈ পাও যে এজন ফৌজ যাৰ মই কমাণ্ডিং কৰি আছো আৰু কেতিয়াবা এনেকুৱা দেখো যে সমুদ্ৰৰ পৰা আগবাঢ়ি গৈ প্ৰতিদ্বন্দ্বিতাৰ সৈতে মোকাবিলা কৰি আছো আৰু কেইবাবাৰ এনেকুৱা হৈছে যে যেতিয়া মই পাৰ অতিক্ৰম কৰাৰ কাৰণে ছৰকাণ্ডা ইত্যাদিৰে নাওঁ তৈয়াৰ কৰি তাৰ জৰিয়তে অতিক্ৰম কৰি আক্ৰামক হৈ গৈছো। মই যেতিয়া এই সপোন তেওঁৰ পৰা শুনিলো তেতিয়া মোৰ হৃদয়ত এই কথাৰ উদ্গনি হয় যে এই ব্যক্তি কোনো সময়ত নিশ্চয় জামাতৰ নেতৃত্ব কৰিব আৰু মই এই কাৰণেই ক্লাছত বহি তেখেতক পঢ়োৱা এৰি দিলো।তেখেতক নিজৰ চিয়াৰত বহাই তেখেতৰ ঠাইত তেওঁ বহি পাঠ দান কৰিছিল। মই সপোনৰ কথা শুনা পাই তেখেতক এয়া কৈছিলো যে মিঞা ! আপুনি ডাঙৰ হৈ মোক পাহৰি নেযাবা আৰু মোৰ ওপৰত দয়াৰ দৃষ্টি ৰাখিবা।

বাল্যকালত মই তেখেতৰ ইলহামৰ বিষয়ে তেখেতৰ সৈতে খেলি থাকোতে এজন পুৰণি বন্ধু বুলি বৰ্ণনা কৰিছে ঃ-

সম্ভৱত এয়া আন ঠাইত প্ৰকাশ হৈ ৰিকাৰ্ড হিচাপে আহি গৈছে। ইয়াৰ আলোচনা প্ৰয়োজনবোধ বুলি ভাৱো যে বাল্যকালত যেতিয়া তেওঁ মাদ্ৰাছা

তালিমুল ইছ্লামত মোৰ সৈতে শিক্ষা অৰ্জন কৰি আছিল। তেওঁ এয়া উল্লেখ কৰিছে যে তেখেতৰ এই আয়াত ইলহাম হৈছে ঃ-

جَاعِلُ الَّذِيْنَ اتَّبَعُوْكَ فَوْقَ الَّذِيْنَ كَفَرُوْا اِلٰى يَوْمِ الْقِيَامَةِ۔

আৰু এয়াও কৈছে যে সিহঁতে হজৰত মছীহ্ মাওউদ (আঃ)ৰ ওচৰত কৈ দিছিল যে এই ইলহাম মোৰ হৈছিল-

নৰ বয়সতে পৃথিৱীত আল্লাহ তা'লাৰ ঐশ্বৰিক কালাম প্ৰাপ্ত হৈছিল। অৰ্থাৎ মছ্জিদ আহমদীয়া লণ্ডন নিৰ্মাণৰ বাবে চান্দাৰ কথা কৈ এটা খোতবা জুমাৰ সময়ত এই ঐশ্বৰিক কালামৰ বৰ্ণনাৰ কথা উল্লেখ কৰি আপুনি কৈছে যে,

মোৰ আজিলৈ তিনিটা গুৰুত্বপূৰ্ণ বিষয়সমূহত খোদা তা'লা প্ৰাপ্ত হৈছে। প্ৰথম যেতিয়া মই শিশু কালৰ যুগ আছিল তেতিয়া মোৰ ধ্যান দ্বীন শিকাৰ প্ৰতি আৰু ধৰ্মৰ সেৱা আগবঢ়োৱাৰ প্ৰতি ঘূৰাই দিছিল তেতিয়া মই খোদাক দেখিব পাইছো আৰু মোক হাশৰ-নাশৰ (হিচাপ-নিকাচৰ দিনৰ) সকলোবোৰ দৃশ্য দেখুওৱা হৈছে। এয়া মোৰ জীৱনৰ বহু ডাঙৰ বিপ্লৱ আছিল।

জানিব পৰা যায় যে হজৰত মছীহ্ মাওউদ (আঃ)ৰো এয়া অনুতাপ আছিল যে সেই শিশুৰ সৈতে খোদা তা'লাৰ বিশেষ সম্পৰ্ক সেই কম বয়সৰ যুগৰ পৰাই আৰম্ভ হৈ গৈছিল। গতিকে হজৰত মিৰ্জা মাহমুদ আহমদ চাহাব নিজেই বৰ্ণনা কৰিছে ঃ-

যি দিনবোৰত ক্লাৰ্কৰ মোকৰ্দমা আছিল। হজৰত মছীহ্ মাওউদ (আঃ)য়ে বেলেগক দোৱাৰ বাবে কৈছিল তেতিয়া মোকো কৈছিল যে দোৱা আৰু সাফল্যৰ বাবে প্ৰাৰ্থনা কৰিবলৈ কৈছিল-সেই সময়ত মই দিব্য দৰ্শনত দেখিবলৈ পাওঁ যে আমাৰ ঘৰৰ আশে-পাশে পহৰা লগাই দিছে। মই ভিতৰলৈ সোমালো য'ত খট্‌খটি আছিল তাতে এক বেছমেণ্ড আছিল। মই দেখিবলৈ পালো যে হজৰত চাহাব (আঃ)ক তাতে থিয় কৰাই তাতে শুকান গোবৰ লগাই তাতে কেৰাচিন তেল ঢালি জ্বলোৱাৰ চেষ্টা চলাই আছে,কিন্তু যেতিয়া দিয়াশলাইৰে জুই জ্বলাব বিচাৰিছে তেতিয়া তাত জুই নজ্বলে আৰু বাৰে বাৰে চেষ্টা কৰি থাকিলে কিন্তু সফল হ'ব নোৱাৰিলে,মই সেয়া দেখি বৰ ভয় পালো। কিন্তু

যেতিয়া মই সেই দুৱাৰৰ ফালে চাই তাতে লিখা থকা দেখিবলৈ পাওঁ যে যিয়ে খোদাৰ ভৃত্য হয় তেওঁক জুইয়ে জ্বলাব নোৱাৰে। (ছ্বানে ফজলে উমৰ জিলদ আউৱাল পৃঃ ১৫২-১৫৪)

## আল্লাহ তা'লাৰ সহায় সহযোগিতাৰ এক মনোহৰ ঘটনা

মাননীয় মাউলানা আব্দুৰ ৰহমান চাহাব আনোৱাৰক বিভিন্ন ক্ষেত্ৰত তেওঁৰ সৈতে দীৰ্ঘ সময় কাম কৰাৰ সৌভাগ্য প্ৰাপ্ত হৈছে তেওঁ দীৰ্ঘ সময়ৰ সাক্ষী আৰু বাৰম্বাৰ নিজৰ অভিজ্ঞতাৰ কথা বৰ্ণনা কৰি কৈছে ঃ-

এয়া সত্য যে হুজুৰ যদিওবা সাধাৰণ মানৱ আছিল কিন্তু হুজুৰৰ কামবোৰ দেখাৰ পিছত প্ৰত্যেক ব্যক্তি এয়া স্বীকাৰ কৰিবলৈ বাধ্য হৈ যায় যে এক বিশেষ মানৱৰ সৈতে আল্লাহ তা'লাৰ বৰ বিশেষ সম্পৰ্ক আছে আৰু সেইজনাৰ বিশেষ সহায় সহযোগিতা তেওঁৰ সৈতে থাকে; গতিকে কেইবাবাৰ দেখিবলৈ পোৱা গৈছে যে হুজুৰক কোনো এনেকুৱা বস্তুৰ প্ৰয়োজন বুলি অনুভৱ হৈছে যি সাধাৰণ অৱস্থাত প্ৰায় প্ৰাপ্ত হোৱা অসম্ভৱ আছিল তেতিয়া আল্লাহ তা'লাৰ দয়া আৰু কৃপাত সেইবোৰ বস্তুৰ যোগাৰ হৈ গৈছিল,অৰ্থাৎ আল্লাহ তা'লাৰ ফিৰিস্তা হুজুৰৰ ইচ্ছাৰ পূৰ্ণতাৰ বাবে নিযুক্ত হৈ আছিল। (আলফুৰকান ফজলে উমৰ নৱেম্বৰ,ডিচেম্বৰ আৰু জানুৱাৰী চন ১৯৬৬,পৃঃ ৪৩)

এই ঐশ্বৰিক সহায় সহযোগিতাৰ অসংখ্য উদাহৰণৰ পৰা এটা উদাহৰণ নিম্নত উল্লেখ কৰা হ'ল, হজৰত ফজলে উমৰে কৈছে ঃ-

কেইবা বছৰ হৈছে মোক এখন ঘৰৰ নিৰ্মাণৰ বাবে টকাৰ প্ৰয়োজন হয়, মই ধাৰণা কৰি ললো যে এই ঘৰৰ নিৰ্মাণৰ বাবে আৰু এতিয়া আন আন কিছু প্ৰয়োজনীয়তাৰ বাবে দহ হাজাৰ টকাৰ প্ৰয়োজন আছিল। মই ধাৰণা কৰিলোঁ যে সম্পত্তিৰ কিছু অংশ ক্ৰয় কৰি দিওঁ বা কাৰো পৰা ঋণ লৈ লওঁ ইমানখিনিতে এজন বন্ধুৰ পৰা চিঠি আহে যে মই ৬০০০/ টকা পঠাই আছো ইয়াৰ পিছত চাৰি হাজাৰ বাকী ৰৈ গৈছে। এজন তাহচীলদাৰ বন্ধুৱে লিখিছে যে মই সপোনত দেখা পাওঁ যে হজৰত মছীহ মাওউদ (আঃ) উপস্থিত হৈ কৈ আছে যে আমাৰ দহ হাজাৰ টকাৰ প্ৰয়োজন আছিল,তাৰ মাজত ছয় হাজাৰ

টকাৰ যোগাৰ হৈ গৈছে বাকী চাৰি হাজাৰ টকা পঠাই দিয়ক,মই এইটোৰ অৰ্থ বুজিব নোৱাৰিলো, যদি আপোনাৰ কোনো নিজস্ব প্ৰয়োজন বা ছিলছিলাৰ বাবে প্ৰয়োজন হয় তেতিয়া মোৰ ওচৰত চাৰি হাজাৰ টকা জমা আছে মই পঠাই দিম। মই তেওঁলৈ লিখিলো যে ঘটনা এনেকুৱাই হয় আৰু এইদৰেই হ'ল,অৰ্থাৎ প্ৰয়োজন মোৰ আছিল কিন্তু আল্লাহ তা'লাই মোৰ মূখৰ দ্বাৰাই কোৱাৰ পৰিৱৰ্তে সেই বন্ধুক হজৰত মছীহ মাওউদ (আঃ)ৰ মুখৰ দ্বাৰা কোৱালে। তেওঁৰ জ্ঞানত নাছিল যে মোৰ দহ হাজাৰ টকাৰ প্ৰয়োজন হৈছে আৰু এয়া তাৰ পৰা কোনোবাই ছয় হাজাৰ টকা পঠাই দিলে আৰু এতিয়া কেৱল চাৰি হাজাৰ টকা বাকী আছে আৰু নে মোৰ জ্ঞানত আছিল যে তেওঁৰ ওচৰত টকা আছে কিন্তু আল্লাহ তা'লাই নিজেই এইবোৰৰ ব্যৱস্থা কৰি দিলে। গতিকে মাজে সময়ে এনেকুৱা সময়ত আল্লাহ তা'লাই নিজেই যোগাৰ কৰি পঠাই দিয়ে। বিশেষ ভৃত্যৰ কাৰণে এই পদ্ধতি সাধাৰণ হয় আৰু সাধাৰণ ভৃত্যৰ কাৰণে কদাচিত হয় কিন্তু সকলোৰে বাবে সত্যিকাৰ সাহায্য আল্লাহ তা'লাৰ ফালৰ পৰাই হয়। (আলফজল ১১ জুলাই ১৯৩৯ পৃঃ ৪,ছৱানে ফজলে উমৰ জিলদ পঞ্চম পৃঃ ৬৩-৬৪)

## খাৱাজা খজৰ আমাক নিমন্ত্ৰণ কৰক

আল্লাহৰ সৈতে এক মনোহৰ ঘটনা নিম্নত উল্লেখ কৰা হ'ল,হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বয়ান কৰিছে যে,

এবাৰ মই নাওঁত বহি নদী ভ্ৰমণ কৰি আছিলো আৰু ভাই আব্দুৰ ৰহমান চাহাব মোৰ লগতে আছিল। মোৰ ল'ৰা নাচিৰ আহমদে শিশু থকা অৱস্থাত কয়, আববা জান ! যদি এতিয়া আমাৰ ওচৰত কোনো মাছ হ'ল হয় বৰ ভাল হয়। এতিয়া হঠাৎ কৰি মোৰ হৃদয়ত এই ধাৰণা উপজিল যে মানুহে খাজা খজৰৰ পৰা আন কিছু প্ৰাপ্ত কৰে,কিন্তু মই এয়া ভাৱো যে খজৰ এক ফিৰিস্তা হয় যাৰ অধীনত আল্লাহ তা'লাই নদী ৰাখিছে। যেতিয়া নাচিৰ আহমদে এই কথাযাৰ কলে তেতিয়া মই কলো খাজা খজৰ আমি আপোনাৰ এলেকাৰ মাজেৰে অতিক্ৰম কৰি আছো আমাক নিমন্ত্ৰণ কৰক আৰু আমাক আহাৰৰ

বাবে কোনো মাছ্ দিয়ক। যেতিয়াই মই এই বাক্যষাৰ কলো ভাইজানে ক'ব ধৰিলে যে কি ক'লা বা খাৰাজা আমাক নিমন্ত্ৰণ কৰক। ইয়াৰ পৰা শিশু জন সেই কথাষাৰৰ পৰা বিৰত থাকিল, কিন্তু এতিয়া ভাইজানৰ এই বাক্যষাৰ কোৱাত অন্তই পৰিছিল ইমানতেই এটা ডাঙৰ মাছ্ উফন্দি উঠি আমাৰ নাওঁত আহি পৰিলে,মই কলো লওঁক ভাইজান নিমন্ত্ৰণৰ বস্তু আহি পৰিছে। তেওঁ আশ্চৰ্য হৈ ক'ব ধৰিলে যে ইফালে মোৰ মুখৰ পৰা এইষাৰ কথা ওলালে যে খাৰাজা খজৰ আমি তোমাৰ এলেকাৰ মাজেৰে অতিক্ৰম কৰি আছো আমাক নিমন্ত্ৰণ কৰক,আৰু আনফালে তেওঁ কলে যে আপুনি কি ক'লে যে খাৰাজা খজৰেও নিমন্ত্ৰণ কৰেনে,ইমানতেই এটা ডাঙৰ মাছ উফন্দি আমাৰ নাওঁত আহি যায় আৰু মই কলো ভাইজান লওঁক! মাছ্ আহি গ'ল। তাৰ পিছত আমি সেই মাছ্ ৰান্ধি বৰকত হিচাপে সকলোবিলাক লগৰীয়াক অলপ অলপ খোৱালো যে আমাৰ খোদাৰ তৰফৰ পৰা আপ্যায়ন হৈছে। (আলফজল ২২ মে ১৯৬০ পৃঃ ৪,৫,ছ্ৱানে ফজলে উমৰ জিলদ পঞ্চম পৃঃ ৯৮)

## যি খোদা তাতে আছে ইয়াতো আছে

ছ্ৱানে ফজলে উমৰ জিলদ পঞ্চম পৃঃ ৩৬০ ত আব্দুল বাচিত শ্বাহিদ চাহাবে লিখিছে ঃ-

১৯৫৩ চনত যেতিয়া পঞ্জাৱত ফাছাদ সৃষ্টি হ'ল,আহমদীয়তৰ ঘোৰ বিৰোধীতা হ'ল,আহমদীসকলৰ ঘৰত জুই লগাই দিলে আৰু এই ধৰণৰ গুজপ শুনিবলৈ পোৱা গ'ল যে তেওঁৰ ওপৰত হাত নৰখা হওঁক আৰু গ্ৰেপ্তাৰ নকৰা হওঁক। অৰ্থাৎ সেই দিনবোৰতে খিলাফতৰ সন্ধানো কৰা হ'ল কিন্তু তেখেতৰ স্বাস্থ্যত ক্ষুদ্ৰ পৰিমাণৰো ভীতি সৃষ্টি নহ'ল শান্তিৰে নিজৰ কাম অব্যাহত ৰাখিলে। যি লোকসকলে তেওঁৰ সৈতে ভালপোৱা আছিল সিহঁতে পৰামৰ্শ দিলে যে আপুনি কেইদিনৰ বাবে বাহিৰলৈ গুচি যাওঁক অৰ্থাৎ ভীতিগ্ৰস্ত হৈ আপোনাক কৰাচীৰ কিছুমান নিৰ্ভৰশীল বন্ধুৱে তেখেতক নিবলৈ আহিলে যে আপুনি তালৈ যাওঁক কেইদিনতেই বিদ্ৰোহৰ অন্ত পৰি যাব।

তেখেতে সেই বন্ধুসকলৰ সহানুভূতিশীল পৰামৰ্শ শুনিলে অলপ সময়ৰ বাবে ভিতৰলৈ আহিলে আৰু দোৱা আৰম্ভ কৰিলে। দোৱা সমাপ্ত কৰি বাহিৰলৈ গৈ সেই বন্ধুসকলক ক'বলৈ ধৰিলে যে মই কেতিয়াও যোৱাৰ বাবে প্ৰস্তুত নহওঁ যি খোদা তাতে আছে ইয়াতেও আছে; আল্লাহ তা'লা মোৰ ইয়াতেই সুৰক্ষা কৰিব আৰু যিয়ে মোৰ ওপৰত হাত উঠাব বিচাৰিব তেওঁ খোদা তা'লাৰ শাস্তি আৰু গ্ৰেপ্তাৰৰ প্ৰতি ভয় কৰক। অৰ্থাৎ কিছু দিনৰ মূৰতে ৰাষ্ট্ৰত বিপ্লৱ আহি গ'ল। যিসকলে বিৰোধীতা কৰিবলৈ থিয় হৈছিল সিহঁতে জাক্‌ৰ (ফেনাৰ) নিচিনা হৈ গ'ল আৰু যিসকল সিহঁতৰ নেতা আছিল সিহঁত আল্লাহৰ গ্ৰেপ্তাৰত আহি গ'ল। (ছৱানে ফজলে উমৰ জিলদ পঞ্চম পৃঃ৩৬০)

## খোদা তুমি মোক এটকা দিয়ক

আল্লাহ তা'লা নিজৰ ভৃত্যৰ সৈতে যি সম্পৰ্ক ৰাখে সেইজনা সেই ইচ্ছাক ঘোৰ বিৰোধীতা অৱস্থাতো পূৰ্ণ কৰি দিয়ে। তেখেত (ৰাঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্কৰ এটা ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে, তেখেতে আল্লাহৰ প্ৰতি গৌৰান্বিত হৈ হৃদয়ত এক ইচ্ছুকৰ জাগৰণ হয় আৰু আল্লাই সেয়া পুৰ্ণ কৰি দিয়ে,

তেখেত (ৰাঃ)য়ে কৈছে-

মই এবাৰ যেনেকৈ খোদাৰ প্ৰতি গৰ্ব কৰো সেইজনাৰ প্ৰতি গৰ্ব কৰি দোৱা কৰিলোঁ তেতিয়া যুৱ বয়সৰ আৰম্ভণী আছিল আৰু আমি এক এনেকুৱা ঠাইৰ মাজেৰে অতিক্ৰম কৰিলোঁ য'ত এই দোৱা গ্ৰহণ হোৱাৰ কোনো বাহ্যিক দৃষ্টিত দেখিবলৈ পোৱা নগৈছিল কিন্তু আল্লাহৰ প্ৰতি ভাল পোৱাৰ উৎসাত গৰ্ব কৰি মই কৈছিলো, হে খোদা তুমি মোক এটকা দিয়ক! তেতিয়া মই জলন্দৰ আৰু হোশিয়াৰপুৰৰ ফালে যাত্ৰা কৰিছিলোঁ আৰু কাঠগড়ৰ পৰা ওভতি আহি আছিলো যে সেই যাত্ৰাত এটা এনেকুৱা এলেকাৰ মাজেৰে অতিক্ৰম কৰিলোঁ য'ত কোনো আহমদী নাছিল। মোৰ হৃদয়ত এই ধাৰণা জন্মিলে যে সম্ভৱত খোদা তা'লা নিজৰ ক্ষমতা প্ৰকাশ কৰিব বিচাৰে যে জঙ্ঘলৰ মাজেৰে অতিক্ৰম কৰি থাকোতে এই দোৱা ওলাল; হাজী গোলাম

আহমদ চাহাব আৰু চৌধুৰী আব্দুছ ছালাম চাহাব মোৰ সৈতে আছিল। ইমানতেই গৈ গৈ এখন গাঁও পালো আৰু আমি দেখিবলৈ পালো যে এই গাঁওৰ দুই চাৰিজন মানুহ বাহিৰত এটা ঘৰৰ সন্মুখত থিয় হৈ আছে। হাজী চাহাব আৰু চৌধুৰী আব্দুছ ছালাম সিহঁতক দেখাৰ লগে লগে মোৰ সোঁফাল আৰু বাওঁফাল হৈ ক'ব ধৰিলে-এই গাঁওৰ লোকসকল আহমদীৰ কঠোৰ বিৰোধীতা কৰে যদি কোনো আহমদী সিহঁতৰ গাঁওৰ মাজেৰে অতিক্ৰম কৰে তেতিয়া এওঁলোকে মাৰ-ধৰ কৰে। আপুনি আমাৰ মাজত হৈ যাওঁক যাতে এই লোকসকলে আপোনাৰ কোনো ক্ষতি কৰিব নোৱাৰে। ইমানতে তাৰ মাজৰ পৰা এজন ব্যক্তিয়ে যেতিয়া মোক দেখিলে তেতিয়া মোৰ ফালে দৌৰি আহিলে সিহঁতে ভাৱিলে সম্ভৱত আক্ৰমণ কৰিবলৈ আহি আছে যেতিয়া তেওঁ মোৰ কাষ চাপিল তেতিয়া তেওঁ ছালাম জনালে আৰু হাত আগবঢ়াই এটকা দিলে যে এয়া আপোনাৰ ব্ৰত হয়। গাঁৱৰ পৰাই ওলাই আহি বন্ধুসকলে আচৰিত হৈ ক'ব ধৰিলে আমাৰ ভয় আছিল যে এই ব্যক্তি আপোনাৰ ওপৰত আক্ৰমণ যেন নকৰে,কিন্তু তেওঁ ব্ৰত উত্থাপন কৰিলে,মই তেতিয়া তেওঁৰ কথা শুনি এয়া ভাৱিলো যে আল্লাহ তা'লাই মোৰ হৃদয়ত এই ধাৰণা এই কাৰণেই জন্মাইছিল যে সেইজনা নিজৰ ক্ষমতাক প্ৰকাশ কৰিব বিচাৰিছিল; ইচ্ছা কৰিছিল যে মানুহৰ হৃদয় মোৰ অধীনত আছে,অৰ্থাৎ যেতিয়া আল্লাহ তা'লাৰ তৰফৰ পৰা আহাৰ আহে,এনেকুৱা ঠাইৰ পৰা আহে যে মানুহে ইয়াৰ ধাৰণা আৰু কল্পনাও কৰিব নোৱাৰে। (ছৱানে ফজলে উমৰ জিলদ পঞ্চম পৃঃ ৯৭)

## এনেকুৱা আছিল যে মই মৰিয়ে যাম

নমাজৰ প্ৰতি মনোযোগ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ বহু ডাঙৰ দলিল হয়। আল্লাহৰ সৈতে সম্পৰ্ক যিমানেই প্ৰগাঢ় হ'ব নমাজৰ প্ৰতি ভালপোৱা সিমানেই বেছি হ'ব। এই দিকৰ ফালে লক্ষ্য কৰি আপোনাৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ এটা ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে ঃ-

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে-মোৰ মনত আছে কেইবা বছৰ

হয় মই এবাৰ দফতৰ (অফিচৰ)ৰ পৰা উঠিলো তেতিয়া মগৰিবৰ সময় আছিল সূৰ্য হালধীয়া বৰণৰ হৈ আছিল মোৰ এয়া ধাৰণা উপজিল যে আজি মই কামৰ ব্যস্ততাৰ কাৰণে আচৰৰ নমাজ পঢ়িবলৈ পাহৰি গৈছো,এই ধাৰণা মোৰ হৃদয়ত হোৱাৰ লগে লগেই মোৰ মূৰ ঘূৰি যায় ইমান দুঃখিতৰ কাৰণে এনে সৃষ্টি হৈছিল যে মই মৰিয়ে যাম,অলপ সময় পিছতেই আল্লাহৰ কৃপাত মনত পৰিল যে অমুক ব্যক্তি মোক নমাজৰ সময়ত মাত লগাইছিল সেই সময়ত মই নমাজ পঢ়ি আছিলো,অৰ্থাৎ মই নমাজ পঢ়িছো যদি মোৰ এই কথা মনত নপৰিলে হয় তেতিয়া মই দুঃখৰ কাৰণে যি পৰিস্থিতি এক চেকেণ্ডত হৈছিল সেয়া এনেকুৱা আছিল যে এতিয়া মই মৰিয়ে যাম। হঠাৎ কৰি মোৰ মূৰ ঘূৰণীয়া হৈ যায় যাৰ ফলত এনেকুৱা হৈছিল যে মই মাটিত পৰি ধ্বংস হৈ যাম। (ছোৱানেহ ফজলে উমৰ জিলদ পঞ্চম পৃঃ ৬১)

## তেওঁ সোনকালেই তেওঁৰ ওপৰত ফজল কৰিব

হজৰত ছৈয়দা মেহেৰাপা (ৰাঃ)য়ে বয়ান কৰিছে

১৯৫৩ চন ফাছাদৰ যুগ আছিল। কেৱল আহমদীৰ শত্ৰুতাৰ কাৰণে হজৰত মিঞা নাচিৰ আহমদ চাহাব (খলিফাতুল মছীহ ছালিছ ৰহঃ) আৰু হজৰত মিৰ্জা শ্বৰিফ আহমদ চাহাব (ৰাঃ)ক বন্দী কৰি লোৱা হৈছিল। গৰমৰ দিন আছিল; ইশাৰ সময়ত আমি পিৰালিত বহি একেলগে ৰাতিৰ আহাৰ খাই আছিলো। সেই সময়ত মোৰ মুখৰ পৰা কিবা কাৰণে ওলায় যে নেজানো মিঞা নাচিৰ আহমদ আৰু মিৰ্জা শ্বৰিফ আহমদ চাহাবৰ এই গৰমত কি অৱস্থা হ'ব ? নাজানো কাৰাগাৰত কোনো ধৰণৰ সুবিধা প্ৰাপ্ত হ'ব নে নাই ? ইয়াৰ উত্তৰত হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে ঃ

আল্লাহ তা'লা সিহঁতৰ ওপৰত দয়া কৰক সিহঁতক কেৱল এই কাৰণেই বন্দী কৰা হৈছে যে সিহঁতে কোনো ধৰণৰ দণ্ডমূলক কাম কৰা নাই। এই কাৰণে মোৰ খোদাৰ ওপৰত পূৰ্ণ বিশ্বাস আৰু ঈমান আছে যে খোদা অতি সোনকালেই সিহঁতৰ ওপৰত কৃপা বৰ্ষিত কৰিব।

তাৰ পিছত মই দেখিবলৈ পাওঁ যে তেখেতৰ চেহেৰাৰ ৰং পৰিৱৰ্তন হৈ

গৈছে আৰু তেখেতে ইশাৰ নমাজৰ বাবে থিয় হলে। মই তেখেতেৰ ক্ৰন্দনৰ দৃশ্য পাহৰিব নোৱাৰো যি সেই সময়ত মোৰ চকুৱে দেখিছে। সেই ক্ৰন্দনত উৎসা আৰু অসন্তুষ্টিও আছিল। ইয়াত ঈমান আৰু পৰিপূৰ্ণ বিশ্বাসৰ দৃশ্য আছিল। একেধৰণৰ দৃশ্য মই তাহাজ্জুদৰ নমাজত দেখিবলৈ পালো। সেই সময়ত হজৰত মুচলেহ্ মাওউদ (ৰাঃ)য়ে বৰ বিনম্ৰতা আৰু কষ্টৰ সৈতে উচ্চস্বৰে দোৱা কৰি আছিল।

অৰ্থাৎ যেতিয়া দিন হয় আৰু ডাকৰ সময় হৈছিল পোনপ্ৰথম সংবাদ পোৱা গ'ল যে হজৰত মিৰ্জা শ্বৰিফ আহমদ চাহাব আৰু মিঞা নাচিৰ আহমদ চাহাবক মুক্তি দিয়া হৈছে। ইমান সোনকালে মোৰ খোদাই মোৰ দোৱা গৃহীত হোৱাৰ অলৌকিক ঘটনা দেখুৱালে। (বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ চন ২০১৫ পৃঃ ১৪)

# হজৰত হাফিজ মিৰ্জা নাচিৰ আহমদ চাহাব খলিফাতুল মছীহ ছালিছ (ৰহঃ)

হজৰত মিৰ্জা নাচিৰ আহমদ খলিফাতুল মছীহ ছালিছ (তৃতীয়) (ৰহঃ) ছৈয়দিনা হজৰত মছীহ মাওউদ (আঃ)ৰ নাতি আৰু হজৰত মিৰ্জা বশিৰ উদ্দিন মাহমুদ আহমদ খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ ল'ৰা হয়। তেখেত ৯ নৱেম্বৰ ১৯৬৫ চনত খলিফা নিৰ্বাচিত হয়। ৮,৯ জুন ১৯৮২ চনৰ মাজৰ ৰাতি তেখেত ইহলীলা সম্বৰণ কৰে। তেখেতে প্ৰায় যোল বছৰ ছয় মাহ খলিফা হিচাপে প্ৰতিষ্ঠিত আছিল। সেই সময়ছোৱাত তেখেতে আফ্ৰিকা, আমেৰিকা,কেনেডা আৰু ইউৰোপৰ পৰিদৰ্শন কৰে আৰু জামাতসমূহ শক্তিশালীৰ সৈতে প্ৰতিষ্ঠিত কৰে আৰু ইছলামে আহমদীয়ত দূৰ-দূৰান্ত দেশসমূহত প্ৰচাৰ-প্ৰসাৰ কৰে। বিশেষ কৰি ইউৰোপৰ কেইবাটাও পৰিদৰ্শন কৰিছে আৰু ইছলামৰ প্ৰচাৰ-প্ৰসাৰ আৰু বিস্তৃতৰ কাম কৰিছে আৰু জামাতৰ সদস্যবৃন্দসকলক প্ৰভাম্বিত ৰূপত প্ৰশিক্ষণ কৰি খোদা আৰু ৰছুল (ছাঃ) আৰু খলিফাসকলৰ সৈতে ভালপোৱাৰ প্ৰতি কাম আগবঢ়াইছে। ৯ আক্টোবৰ ১৯৮০ চনত তেখেতে স্পেইনৰ চহৰ কৰতবাত মছজিদ বশাৰতৰ উদঘাটন কৰে। ৭৪৪ বছৰ পিছত স্পেইনত নিৰ্মাণ কৰা এইটো প্ৰথম মছজিদ আছিল। তেখেতৰ যোল বছৰ ছয় মাহৰ খিলাফৎ কালত বহু মহান কাম হৈছে। সেই সময়ছোৱাত জামাতৰ ওপৰত বৰ কঠিন সময় আহিছিল কিন্তু প্ৰত্যেক কঠিন সময়ত তেখেতে মোকাবিলা কৰিছে আৰু জামাতক শক্তিশালী কৰিছে।

আল্লাহ তা'লাই ছৈয়দিনা হজৰত মছীহ মাওউদ (আঃ)ক শুভ সংবাদ দিছিল,

اِنَّا نُبَشِّرُكَ بِغُلَامٍ نَافِلَةً لَكَ

অৰ্থাৎ মই তোমাক নাতিৰ শুভ সংবাদ দিওঁ । এই শুভ সংবাদৰ তেখেতে সত্যায়ন কৰিছিল। হজৰত মুচলেহ মাওউদ (ৰাঃ)কও আল্লাহ তা'লাই তেখেতৰ সম্পৰ্কে শুভ সংবাদ দিছিল। অৰ্থাৎ তেখেত (ৰাঃ)য়ে কৈছে-

মোকো খোদা তা'লাই সংবাদ দিছে যে তোমাক এজন ল'ৰা প্ৰদান কৰিম যিয়ে ধৰ্মৰ সহায়ক হ'ব আৰু ইছলামৰ সেৱাৰ কামত মগ্ন থাকিব।

(আলফজল ৮ এপ্ৰিল ১৯১৫)

গতিকে আল্লাহ তা'লাই যেনেকুৱা শুভ সংবাদ দিছিল সেইমতে তেখেতে যুৱক বয়সৰ পৰাই ইছলামৰ সেৱাৰ কামত নিমগ্ন আছিল। নিজৰ জীৱন ইছলামৰ খাতিৰত বিসৰ্জন দিছিল আৰু একে সময়তে কেইবা ধৰণৰ দায়িত্ব বহন কৰিছে আৰু কেইবাধৰণৰ সেৱা আগবঢ়াই থাকিছে। এয়া কোৱা সঠিক হ'ব যে যুৱক বয়সৰ পৰাই মৃত্যুলৈকে সকলো সময়তে ইছলামৰ সেৱাত জীৱন অতিবাহিত কৰিছে।

নিম্নত তেখেতৰ সম্পৰ্কে কিছু ঘটনাসমূহ বৰ্ণনা কৰা হৈ আছে ঃ-

## আমি আপোনাক মছীহা বুলি মানি ল'ম

ছৈয়দিনা হজৰত মুচলেহ মাওউদ (ৰাঃ)যেনেকুৱা মহান পিতৃৰ পৱিত্ৰ আৰু আধ্যাত্মিক প্ৰেমত লালিত-পালিতৰ ফলত তেখেতে বাল্যকালৰ পৰাই পুণ্যবান আৰু খোদাভীতি আছিল আৰু দ্বীনৰ সেৱা আৰু ইছলামৰ সেৱাৰ উৎসাক লৈ ডাঙৰ হৈছে। ইছলামৰ সেৱাৰ যি উৎসা আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ধাৰণা তেখেতৰ বুকুত বাল্যকালৰ পৰাই আছিল যুৱক বয়সত সেয়া কাৰ্যকলাপ হিচাপে প্ৰকাশ হৈ উঠে।

”دنیا کے کام بے شک کرتا رہوں گا میں بھی

لیکن میں جان و دل سے اس یار کا رہوں گا“

**অনুবাদ ঃ** দুনিয়াৰ কাম যদিওবা মই কৰি থাকিম কিন্তু মন-প্ৰাণেদি সেই বন্ধুৰ হৈ থাকিম।

এই শ্লোক তেখেতৰ আল্লাহৰ প্ৰতি ভালপোৱা আৰু সম্পৰ্ক স্থাপন কৰাৰ বিষয়ে আমাক অৱগত কৰায় যি কেৱল ১৯ বছৰ বয়সতেই তেখেতৰ মুখৰ পৰা নিৰ্গত হয়। আগলৈ গৈ তেখেত প্ৰজ্ঞা আৰু কিমান বৃদ্ধি পাব তাৰ সঠিক

ধাৰণা আমি কৰিব নোৱাৰো। এই শ্লোকত আগলৈ গৈ তেখেতে কৈছে-

’’چمکوں گا میں فلک پر جیسے ہو کوئی تارا
بھولوں کو رہ پہ لاوے ایسی میں شمع ہوں گا
عالم کو میں معطر کر دوں گا اس مہک سے
خوشبو سے جس کی ہر دم مد ہوش میں رہوں گا
اخلاق میں میں افضل علم و ہنر میں اعلیٰ
احمد ؐکی رہ پہ چل کر بدر الدجی بنوں گا
سارے علوم کا ہاں منبع ہے ذات جسکی
اس سے میں علم لےکر دنیا کو آگے دوں گا‘‘

(حیات ناصر از محمود مجیب اصغر صفحہ ۵۸،۵۹)

**অনুবাদ ঃ** মই আকাশৰ তৰাৰ নিচিনা উজ্জ্বলিত হৈ উঠিম,দিশসাৰাক বাট দেখুৱাম এনেকুৱা মমবাতি হৈ যাম;আৰু বিশ্বক মই এই সুগন্ধিৰে সুগন্ধিত কৰি তুলিম; যাৰ সুগন্ধিত মই সৰ্বদা মত্ত থাকিম। নৈতিকতাত উৎকৃষ্ট,জ্ঞান আৰু দক্ষতাত উচ্চতৰ, আহমদৰ পদাঙ্ক অনুসৰণ কৰি অন্ধকাৰৰ জেউতি হৈ যাম। সকলো জ্ঞানৰ উৎস যাৰ জাত; তাৰ পৰা জ্ঞান প্ৰাপ্ত কৰি দুনিয়াবাসীলৈ আগবঢ়াম।

(হায়াতে নাচিৰ আজ মাহমুদ মুজিব আচগৰ পৃঃ ৫৮-৫৯)

এই কবিতাসমূহ পঢ়িলে জানিব পৰা যায় যে যুৱক বয়সৰ পৰাই মানৱজাতিৰ সেৱাত আৰু সিহঁতক নিজৰ স্ৰষ্টা আৰু মালিকৰ ফালে পথ-প্ৰদৰ্শন কৰাৰ জুই তেখেতৰ বুকুত জ্বলি উঠিছিল। নিম্নত এটা মনোহৰ ঘটনা

উল্লেখ কৰা হৈ আছে য'ৰ পৰা তেখেতৰ যুৱক বয়সৰ পৰাই আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ধুনীয়া জেউতি দেখিবলৈ পোৱা যায়।

যেতিয়া কুদৰতে ছানিয়াৰ তৃতীয়জন প্ৰকাশ পায় আৰু হুজুৰ খলিফাৰ সেই পোচাক পৰিধান কৰে, তেতিয়া সেই দিনবোৰতে প্ৰোফেছৰ ডাক্তৰ নাচিৰ আহমদ খান পৰুৱাজী ফয়চালাবাদৰ এখন বৈঠকত যাবলগীয়া হ'ল য'ত হুজুৰৰ এজন ক্লাছমেট উপস্থিত হৈছিল, সম্ভৱত নৱাব মিঞা হামিদ আহমদ খানৰ আত্মীয় সকলৰ মাজৰ আছিল আৰু জামাতৰ অন্তৰ্ভুক্ত নাছিল। ডাক্তৰ পৰুৱাজীৰ সৈতে যেতিয়া সাক্ষাৎ কৰে তেতিয়া ক'ব ধৰিলে ভাই মোবাৰক হওঁক আপুনি নতুন বৰ ভাল নেতা পাইছা আমি একেলগেই পঢ়িছিলো; আৰু আমি আপোনাৰ দাদা চাহাবৰ বিষয়ে আমি নেজানো কিন্তু যদি আপুনি নবীৰ দাবী কৰে তেন্তে আমি তোমাক মছীহ বুলি মানি ল'ম। আজিজে কয় যে এয়া কেৱল নৱ যুৱকৰ কৌতুকেই নাছিল,হুজুৰৰ পৱিত্ৰ খোদাভীতি এনেকুৱা প্ৰভাম্বিত হোৱা সকলৰ ওপৰত হৈছিল। (হায়াতে নাচিৰ,আজ মাহমুদ মুজিব আচগৰ পৃঃ ৬৬-৬৭)

# মোৰ পাৰ্থিৱতাৰ ফালে কোনো আকৰ্ষণ নাই

উৰ্দুত জোৱানি দিৱানিৰ প্ৰবাদ বিখ্যাত হয়। অৰ্থাৎ যুৱক বয়সতে মানুহৰ ভুল-ভ্ৰান্তি হৈ যায়; কিন্তু তেখেতে যুৱক বয়সতে আল্লাহ আৰু তাৰ ৰছুলৰ প্ৰেম,ইছলামৰ প্ৰতি ভালপোৱা আৰু মানৱজাতিৰ সেৱাৰ কামত নিমগ্ন আছিল। আচলতে তেখেত *'درجوانی توبہ کردن شیوۂ پیغمبری'*ৰ সত্যায়ন কৰিছিল। যুৱক বয়সতে যদিওবা (লোকসকল) দুনিয়াৰ ফালে বৰ আকৃষ্ট হয়; কিন্তু তেখেতৰ হৃদয় কেৱল ইছলামৰ সেৱাত মগ্ন আছিল; তেখেতৰ পৱিত্ৰতা আৰু খোদাভীতিৰ বহুতেই সাক্ষী প্ৰদান কৰিছে। আৰু দুটা ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে।

তেখেত ছাত্ৰ কালৰ সময়ত নিজৰ বংশৰ আন আন যুৱক চাহাবজাদা মিৰ্জা মুজাফ্ফৰ আহমদ চাহাব ইত্যাদিৰ সৈতে ইংলেণ্ডৰ এলেকা ডিউন

শাইৰৰ এজনী ইংৰাজী মহিলাৰ ফাৰ্মত ছুটি কটাবৰ বাবে উপস্থিত হৈছিল তেখেতৰ খলিফা কালত প্ৰাক্তন ইমাম মছজিদ ফজল লণ্ডন মাননীয় বশিৰ আহমদ ৰফিক চাহাবৰ বিস্তৃতৰ সময়ত এইজনী মহিলাই কৈছে-

সেইটো সন্মুখত কোঠালি আছে য'ত তেওঁ সদায় অৱস্থান কৰিছিল আৰু ৰাতিপুৱা যেতিয়াই মই সেই কোঠালিৰ সন্মুখেৰে অতিক্ৰম কৰিছিলোঁ তেতিয়া এক আশ্চৰ্যমূলক শব্দ শুনা পাইছিলো যি কেতিয়াবা মই থিয় হৈ কিছু সময় শুনিছিলো। এদিন মই নাচিৰক সুধিলো যে তুমি ৰাতিপুৱা কি পঢ়া য'ত কেতিয়াও অনুপস্থিত নথকা, নাচিৰে কয় য়ে মই নিজে পৱিত্ৰ কিতাপ কোৰাণ কৰিম তিলাওত কৰো।

এই মহিলাজনীয়ে এয়াও কৈছে যে এদিনাখন আহাৰ কৰা সময়ত যেতিয়া হুজুৰ (ৰহঃ) আৰু আন আন চাহাবজাদাসকলও উপস্থিত আছিল,এয়া আলোচনা হয় যে ভৱিষ্যতৰ ইচ্ছা কি? প্ৰত্যেকেই সিহঁতে কি কৰিব সেই বিষয়ে কলে। যেতিয়া হুজুৰ (ৰহঃ)ৰ নম্বৰ আহে তেতিয়া তেখেতে কৈছে যে মই ইছলামৰ সেৱা কৰাৰ ইচ্ছুক ৰাখো আৰু মোৰ জীৱন এই উদ্দেশ্যৰ কাৰণে দৃঢ় সংকল্প লৈ বহি আছে। মোক আৰু কোনো ইচ্ছা নাই আৰু নে মোৰ দুনিয়াৰ ফালে আকৃষ্ট হোৱাৰ ইচ্ছুক আছে।

(হায়াতে নাচিৰ, আজ মজিব আচগৰ পৃঃ ১০৪-১০৫)

# মই জানো কোনে খলিফা হ'ব

মাননীয় বশিৰ আহমদ চাহাব ৰফিক প্ৰাক্তন ইমাম মছজিদ লণ্ডন ইংলিস্থানে লিখিছে ঃ

১৯৬৫ চনত যেতিয়া হজৰত খলিফাতুল মছীহ ছানি (দ্বিতীয়) (ৰাঃ)ৰ মৃত্যু হয় তেতিয়া মই মছজিদ লণ্ডনৰ ইমাম আছিলো। কেন্দ্ৰৰ পৰা কেইবা মাইল দূৰত আমি সকলো আহমদীয়ে বৃটেইনৰ কেন্দ্ৰৰ ফালে কোনো সংবাদৰ বাবে ধ্যান দি বহি দোৱা কৰাত মগ্ন আছিলো আৰু ইয়াৰ অপেক্ষাত আছিলো যে মছনদ খিলাফৎ ছালিছ (তৃতীয় খলিফা) কোনে অধিষ্ঠিত হয়। এই চিন্তাত বহু সদস্যই লণ্ডনৰ মিচন হাউচত একগোট হৈছিল। আমাৰ ইংৰাজ আহমদী

ভাই মিষ্টাৰ বিলাল নটল মৰহুম মোৰ ওচৰলৈ আহে আৰু কয় যে মই জানো কোনে খলিফা হ'ব। মই আশ্চৰ্য হলো তেওঁ কেনেকৈ অৱগত যে খলিফা কোনে হ'ব। মিষ্টাৰ নটল এটা ছবি মোৰ হাতত দি বৰ উৎসাৰ সৈতে বিনম্ৰতাৰে কলে যে হজৰত চাহাবজাদা মিৰ্জা নাচিৰ আহমদ চাহাবৰ ছবি হয় যি তেওঁ লণ্ডন মছজিদৰ বাগিছাত তুলিছিল আৰু মোক দিছিল। মই সেই দিনবোৰতে যেতিয়া মিৰ্জা নাচিৰ চাহাব অক্সফৰ্ডৰ ছাত্ৰ আছিল তেতিয়াৰ পৰা তেখেতক মই জানো তেখেতৰ নৈকট্যত অৱস্থান কৰিছোঁ আৰু খোদাভীতি আৰু চাৰিত্ৰিক আৰু মহম্মদ ৰছুল (ছাঃ)ৰ সৈতে প্ৰেমৰ দৃশ্য মই দেখিছো তেখেতে মোক এই দৃঢ় বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত কৰিছে যে এই মহান খলিফাৰ যোগ্য এতিয়া সেইজনেই আৰু জামাতে নিশ্চয় এই আমানতক (বিশ্বস্ততাক) তেখেতৰ অধীনতেই ন্যস্ত কৰিব। মিষ্টাৰ বিলাল নটল মৰহুমৰ উপস্থিতিত কেন্দ্ৰৰ পৰা ফোনৰ মাধ্যমে সংবাদ পালো যে হজৰত মিৰ্জা নাচিৰ আহমদ চাহাব তৃতীয় খলিফা হিচাপে অধিষ্ঠিত হৈছে। এইদৰে এজন ইংৰাজ নতুন মুছলিম দৃঢ় দৃষ্টিৰ ফলত যুৱক বয়সতেই মুকুতাক চিনাক্ত কৰি লৈছিল যাৰ পৰা ভৱিষ্যতলৈ মহান কাম ল'বলগীয়া আছিল। হুজুৰৰ নেকী,খোদাৰ ওপৰত ভৰসাশীল,খোদাভীতি আৰু মহম্মদ ৰছুল (ছাঃ)ৰ প্ৰতি ভালোপোৱাই সাক্ষী প্ৰদান কৰে। (হায়াতে নাচিৰ,আজ মাহমুদ মুজিব আচগৰ পৃঃ ১০৩-১০৪)

## ছিলছিলাৰ গোলামীক (দাসত্বক) সকলোবোৰ সন্মানতকৈ সন্মানিত বুলি ভাৱো

ইছলামৰ সেৱাক নিজৰ বাবে সকলোতকৈ বেছি সন্মান বুলি ভাৱো আৰু ইয়াৰ সেৱা আগবঢ়োৱাৰ বাবে নিজৰ জীৱনক বিসৰ্জন দিয়া আৰু সেয়া অবিহনে নিজৰ জীৱনক কেৱল অযথা অলাভদায়ক বুলি ভাৱো; এনেকুৱা ধাৰণা কেৱল সেই ব্যক্তিৰ হ'ব পাৰে যাৰ আল্লাহ আৰু ৰছুলৰ সৈতে দৃঢ় সম্পৰ্ক আছে। আপোনাৰ এটা চিঠিৰ সৈতে সম্পৰ্ক আছে যিটো

তেখেতে নিজৰ পিতৃ মাননীয় হজৰত খলিফাতুল মছীহ ছানি (দ্বিতীয়) (ৰাঃ)ৰ সেৱাত লিখিছে। চিঠিৰ এটা অংশ নিম্নত উত্থাপন কৰা হৈ আছে;তেখেতে লিখিছে-

**ছৈয়দী !**

আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহি ওৱা বাৰাকাতুহু

এফালে হুজুৰৰ খোতবাবোৰ কপটতা সকলৰ সম্বন্ধে দৃষ্টিৰ মাজেৰে অতিক্ৰম হৈছে আনফালে হজৰত মছীহ মাওউদ (আঃ)ৰ ইকতিবাছ পঢ়াৰ সৌভাগ্য প্ৰদান হয়। কৰোবাত তেখেতে কৈছে যে মোৰ দৃষ্টি সেই দুখীয়াসকলৰ ওপৰত যিসকলে নে B,A হ'ব বিচাৰে আৰু নে M,A অৰ্থাৎ পুণ্যবান মানুহ আৰু দ্বীনৰ সেৱক। হৃদয় বৰ প্ৰভাম্বিত হ'ল...হুজুৰৰ সেৱাত আগবাঢ়ি কলো যে যদি হুজুৰ প্ৰয়োজনবোধ বুলি ভাৱে তেন্তে বান্দা সৰ্বদাৰ নিচিনা এতিয়াও তাৎক্ষণিক ভাৱে ছিলছিলাৰ সেৱাৰ ভাৱে প্ৰস্তুত আছে। বি,এ আৰু এম,এ হোৱাৰ মোক কেতিয়াও ইচ্ছা নাই আৰু খোদা তা'লা সাক্ষী আছে। অৰ্থাৎ ইয়াৰ প্ৰকাশ আগতে নে হ'ব পাৰিছে। অৰ্থাৎ কিছুমান আৰু ধাৰণাসমূহে সেইফালে বাধ্য কৰিছে। অৰ্থাৎ উচ্ছৰ্গাকাৰী হওঁ তথাপি আকৌ এবাৰ হুজুৰৰ সন্মুখত উত্থাপন কৰো,ভৃত্য এতিয়াই আহমদীৰ সেৱাৰ বাবে প্ৰস্তুত আছে আৰু ছিলছিলাৰ সন্মানক সকলোবোৰ সন্মানতকৈ সন্মানিত বুলি ভাৱো আৰু ছিলছিলাৰ সেৱাৰ পৰা পৃথক হৈ নিজৰ জীৱনক খালি আৰু অলাভদায়ক পাওঁ। আল্লাহৰ তৌফিক অবিহনে নহয়।

**ফাকত**

**খাকছাৰ**

**মিৰ্জা নাচিৰ আহমদ**

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ এই চিঠিৰ পৰা যি আনন্দ আৰু আৰাম প্ৰাপ্ত

হৈছে তাৰ প্ৰকাশ তেখেতে এখন চিঠিত লিখিছে যাৰ এক অংশ ইয়াত নকল কৰা হৈ আছে

**প্ৰিয় নাচিৰ আহমদ**

আচ্ছালামু আলাইকুম ওৱা ৰহমাতুল্লাহে ওৱা বাৰাকাতুহু

আল্লাহ তা'লা তোমাৰ ইচ্ছাক কল্যাণমণ্ডিত কৰক। মই নিজেই এই বিষয়ে বৰ অনুতপ্ত হোৱা সত্ত্বেও একোৱেই ক'বলৈ পছন্দ কৰা নাছিলো আৰু আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছিলোঁ যে সেইজনা নিজেই তোমাক পুণ্যবান হোৱাৰ সৌভাগ্য প্ৰদান কৰে যেন, কাৰণ মোৰ দৃষ্টিকোণত মোৰ তেহেৰিকৰ ফলত তোমাৰ ইচ্ছাক পৰিৱৰ্তন কৰা তোমাৰ ছোৱাবক বিনষ্ট কৰি দিয়া। গতিকে আলহামদুলিল্লাহ  তোমাৰ হৃদয় এইফালে আকৃষ্ট হৈছে। (হায়াতে নাচিৰ,আজ মাহমুদ মুজিব আচগৰ পৃঃ ১০৭-১০৮)

# শ্বেৰৱানী যেনেকুৱা ঘূৰি গ'ল

আল্লাহ তা'লাৰ বিশেষ সহায়ত এটা মনোহৰ ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে,ইয়াৰ পৰা তেখেত (ৰহঃ)ৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ প্ৰতি বিশেষ আলোকপাত প্ৰকাশ পায়।

১৯৭৯-১৯৮০ খ্ৰীঃব্দৰ কথা যে হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)য়ে ইছলামাবাদত মগৰিব আৰু ইশাৰ নমাজৰ পিছত মজলিছে ইৰফানত (প্ৰশ্ন উত্তৰৰ বৈঠাকত)নিজৰ গ্ৰেপ্তাৰীৰ কথা উল্লেখ কৰি কয় যে সেই সময়ত তেখেতে লাহোৰত আছিল চাহাবজাদা মিৰ্জা লুকমান আহমদ জন্ম হ'বলগীয়াই আছিল আৰু তেখেতে নিজৰ বেগম ছৈয়দা মনচুৰ বেগম চাহিবাক হাস্তপাতালত ভৰ্তি কৰোৱাই আহিছে। তাহাজ্জুদৰ নমাজ পঢ়ি গাৰুৰ ওপৰত মূৰ পাতি আছিল যে ইলহাম হয় যে গ্ৰেপ্তাৰী হ'বলগীয়া আছে আৰু তাৰ কিছু সময় পিছতেই মিলেটাৰী আহি যায় আৰু সিহঁতে সন্ধান কৰিব বিচাৰিলে। তেখেতে কয় যে যেতিয়া তেখেতে শ্বেৰুৱানীৰ পকেটত হাত সোমাব ধৰিলে যি আলমাৰীত স্তম্ভৰ সৈতে উলমি আছিল তাৰ এটা পকেটত হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)ৰ এখন চিঠি আছিল য'ত  যদিওবা এনেকুৱা কোনো কথা নাছিল

য'ৰ পৰা কোনো বিপদৰ সন্মুখীন হ'ব। কিন্তু তেখেতে পছন্দ কৰা নাছিল যে সেই চিঠি সন্ধান কৰি থকা অফিচাৰ জনে পঢ়ক। যেতিয়া সন্ধান কৰি থকা অফিচাৰ জনে এটা পকেটৰ সন্ধানী লয় আৰু নিজৰ হাত আন এটা পকেটত সোমায় আৰু এইদৰে দুই তিনিবাৰ হয় আৰু আল্লাহ তা'লাৰ হিকমতত সেই চিঠি তেওঁৰ হাতত নপৰিল। যি সেনাই তেওঁক গ্ৰেপ্তাৰ কৰিব আহিছিল তেওঁক তেখেতে কলে, মই অৱগত আছিলো যে আপোনালোকে আহিব মই অপেক্ষা কৰিয়েই আছিলো কিন্তু আপোনালোকে পলম কৰি দিলে। (হায়াতে নাচিৰ,আজ মাহমুদ মুজিব আচগৰ পৃঃ১৭১-১৭২)

## কাৰাগাৰত থকা অৱস্থাত এক অলৌকিক ঘটনা

হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)মহিলাসকলক সম্বোধন কৰি জলছা ছালানা ১৯৬৯ চনত কৈছে-

মই কেইবাবাৰ কৈছো যে যেতিয়া আমাক নিৰ্যাতিত কৰি কাৰাগাৰলৈ প্ৰেৰণ কৰিছে। গৰমৰ দিন আছিল আৰু মোক প্ৰথম ৰাতি সেই সংকীৰ্ণ কোঠাত ৰখা হয় য'ত বতাহ অহা যোৱা কৰা নাছিল আৰু এইধৰণৰ কোঠালিত সেই লোকসকলৰ সৈতে ৰখা হৈছিল যিসকলক আগদিনা ফাঁচিত দিয়াৰ কথা আছিল। মাটিত শুব লগা হৈছিল। উৰাৰ বাবে এটা লেতেৰা কম্বল আছিল আৰু মূৰৰ তলত ৰখাৰ বাবে নিজৰ কামিজখন ৰাখিছিলোঁ। বৰ কষ্ট হৈছিল। মই তেতিয়া দোৱা কৰিলোঁ যে হে মোৰ প্ৰভু ! মই নিৰ্যাতন কৰি চুৰি কৰি,কোনোবাৰ কোনো বস্তুক কাঢ়ি লৈ বা আন কোনো পাপ কৰি এই কোঠালিত সোমোৱা নাই। মোক ইয়ালৈ এই কাৰণেই প্ৰেৰণ কৰা হৈছে যে যথাসম্ভৱ মোৰ সম্পৰ্ক মই ভাৱো যে মই তোমাৰ নাম উৰ্দ্ধ কৰিবলগীয়া আছিল। মই সেই জামাতত অন্তৰ্ভুক্ত আছিলো যাক তুমি এই কাৰণেই প্ৰতিষ্ঠিত কৰিছা যে নবী কৰিম (ছাঃ)ৰ প্ৰতি ভালপোৱা হৃদয়ত সৃষ্টি যেন হৈ যায়। মোৰ প্ৰভু ! মোৰ ইয়াত অহাত কোনো কষ্ট হোৱা নাই,মোৰ কোনো অভিযোগ নাই,মই আনন্দিত হওঁ যে তুমিয়ে মোক কোৰবাণীৰ এটা সুযোগ দিছা আৰু মোৰ এই কষ্ট মোৰ নিজৰ দৃষ্টিত কোনো সততা আৰু অৰ্থই নাই

কিন্তু এয়াও সঁচা যে এই ঠাইত য'ত বতাহ নোসোমায় তাতে শুব নোৱাৰিম,মই এয়াই দোৱা কৰি থাকিলো আৰু মোৰ চকু বন্ধ আছিল। মই ইয়াত একোৱে বৃদ্ধি নকৰি আপোনাক কওঁ যে মই এনেকুৱা অনুতাপ কৰিলোঁ যে মোৰ কাষত এটা এয়াৰ কণ্ডিশন লগোৱা আছে আৰু তাৰ পৰা ঠাণ্ডা বতাহ প্ৰবাহ হৈ আছে যাৰ ফলত মই শুই পৰিলো।

(হায়াতে নাচিৰ, আজ মাহমুদ মুজিব আচগৰ পৃঃ ১৭৩)

# যোৱা ইয়াৰ পৰা গুচি যোৱা

১৯৫৪ চনৰ কথা হয় ছৈয়দিনা হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ হিদায়ৎ ক্ৰমে তেখেত (ৰহঃ)য়ে তালিমুল ইছলাম কলেজ ৰাবৱাৰ নিৰ্মাণৰ পৰিপূৰ্ণ ভাৱে নিৰীক্ষণ কৰি আছিল। প্ৰখৰ ৰ'দ আৰু প্ৰচুৰ গৰমৰ দিন আছিল। কিন্তু তেখেত (ৰহঃ)য়ে বতৰৰ ভ্ৰূক্ষেপ কৰাই নাছিল নিজৰ প্ৰভুৰ নিৰ্দেশক কাৰ্যকৰী কৰি দিনে ৰাতি একেই ভাৱি বহি আছিল। সেই সময়ছোৱাত এটা ঈমান উদ্দীপক ঘটনা প্ৰকাশ পায় যাৰ পৰা তেখেতৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ প্ৰতি যি গভীৰ সম্পৰ্ক আছিল। চৌধুৰী মহম্মদ আলি চাহাব প্ৰিন্সিপাল তালিমুল ইছলাম কলেজ ৰাবৱাই লিখিছে ঃ-

আল্লাহ তা'লাৰ কৃপাৰ আৰু এহছানৰও আচৰিত আচৰিত অলৌকিক ঘটনা দেখিছো। যেতিয়া হলৰ লিনটল (Lintel)ৰ কাম আৰম্ভ হ'ব লগীয়া আছিল আৰু বহু পৰিমাণে চিমেণ্ড আৰু মছলা মিশ্ৰণ কৰি তৈয়াৰ কৰি লোৱা হৈছিল তেতিয়া ক'লা বাদল্ আহি আকাশখন আৱৰি লয়,তেখেতে হাতখন উঠায় বাদল্ৰ ফালে ইঙ্গিত কৰে আৰু কয় যাৰ ব্যাখ্যা এয়া আছিল যে এয়া দুখীয়া জামাতে খৰচ কৰা টকা হয়,যদি তুমি বৰ্ষণ হোৱা তেন্তে টকা বিনষ্ট হৈ যাব,যোৱা ইয়াৰ পৰা গুচি যোৱা। প্ৰকৃততে তেখেতৰ এয়া আল্লাহৰ ওচৰত ফৰিয়াদ আছিল যি গৃহীত হৈছে আৰু যেনেদৰে বাদল আহিছিল তেনেদৰেই গুচি গ'ল। (হায়াতে নাচিৰ,আজমাহমুদ মুজিব আচগৰ,পৃঃ১৮৯)

## আল্লাই মোৰ শংকা আঁতৰ কৰিবলগীয়া আছিল

তেখেত (ৰহঃ)ৰ নমাজে তাহাজ্জুদ পঢ়াৰ ঘটনা চাহাবজাদী উম্মাতুল শকুৰ চাহিবাই বয়ান কৰে যে,

মই সদায় ভাৱিছিলো যে বেছিৰ ভাগ লোকসকলে নিজৰ তাহাজ্জুদ পঢ়া ইত্যাদিৰ কথা উল্লেখ কৰে। দেউতাই কেতিয়াও কৰা নাই আৰু নে মই কেতিয়াবা পঢ়ি থকা দেখিছো। আল্লাহ তা'লাই মোৰ শংকা আঁতৰ কৰিবলগীয়া আছিল এই কাৰণেই এবাৰ মোৰ চকু খোলে মাজ নিশাৰ সময়ত বহু পিয়াহ লাগিছিল। পানী পান কৰিবৰ নিমিত্তে দেউতাৰ কোঠালি হৈ অতিক্ৰম কৰিবলগীয়া হৈছিল তাতে দেখা পাওঁ যে দেউতাই নফল পঢ়ি আছে। পানী পান কৰি উভতি আহো তেতিয়া ছালাম কৰা শেষ হৈছিল অলপ অলপ পোহৰত দেখিছিলো যে চেহেৰাত লজ্জিতৰ প্ৰভাৱ আছিল যেনেকুৱা মই কোনো চোৰ ধৰিছো।

(হায়াতে নাচিৰ,আজ মুজিব আচগৰ,পৃঃ ২১৭-২১৮)

## আল্লাহৰ সৈতে ভালপোৱা

তেখেতৰ দ্বিতীয় স্ত্ৰী ছৈয়দা তাহিৰা ছিদ্দিকা নাচিৰ চাহিবাই কৈছে ঃ

হুজুৰ (হজৰত খলিফাতুল মছীহ তৃতীয়)ৰ নিজৰ প্ৰভুৰ সৈতে সম্পৰ্ক স্থাপন কৰাত নিজৰ ভিতৰত কিমান গভীৰতা আৰু বিস্তৃত আছিল,তাৰ ব্যাখ্যা মই নেজানো, আৰু নে বয়ান কৰাৰ শক্তি ৰাখো। কিন্তু আজিও মোৰ কাণত তেখেতৰ ভাষণ আৰু খোতবাসমূহত তেখেতে কৈ যোৱা এক সুমধুৰ শব্দ মুকলি কৰো,কেনেকুৱা ভালপোৱাৰ সৈতে তেখেতে **ৰব** (প্ৰভু) শব্দ আদায় কৰিছিল, আৰু আদায় কৰাৰ ধাৰণাই বহু কিছু আহি গৈছিল। তেখেতৰ জীৱনৰ উদ্দেশ্য আৰু তেখেতৰ অন্তৰৰ উৎসা কেৱল এয়াই আছিল যে দুনিয়াত তৌহিদে খালিচ ( বিশুদ্ধ একত্ববাদ)ক প্ৰতিষ্ঠিত কৰা। আৰু গোটেই পৃথিৱী হজৰত মহম্মদ (ছাঃ)ৰ পতাকাৰ তলত একত্ৰিত কৰা। গতিকে নিজৰ প্ৰভুৰ আস্থানতে নিবেদন কৰিছিল।

হে আমাৰ আল্লাহ ! আমাৰ প্ৰিয় প্ৰতিপালক ! তুমি এনেকুৱা কৰা যে তোমাৰ এই দুৰ্বল আৰু অসহায় ভৃত্য তোমাৰ কাৰণেই মানৱজাতিৰ হৃদয়ক বিজয় কৰি লৈছে আৰু তোমাৰ চৰণত সিহঁতক লৈ আনিছে। এনেকুৱা কৰা যাতে দুনিয়াৰ প্ৰত্যেক ঘৰ আৰু সিহঁতৰ ঘৰসমূহত বসবাসকাৰীৰ প্ৰত্যেকৰে হৃদয়ৰ পৰা لَا اِلٰہَ اِلَّا اللہ مُحَمَّدٌ رَّسُوْلُ اللہ পৰা আল্লাহৰ ধ্বনি আৰু দুনিয়াৰ প্ৰত্যেক ভাষাৰ পৰা আল্লাহু আকবাৰৰ ধ্বনি উচ্চাৰিত যেন হৈ যায়।

(আজ জলছা ছালানা কি দোৱায়ে পৃঃ ১৮)

আকৌ আল্লাহ তা'লাৰ ওচৰত কয় যে,

হে আমাৰ ৰহমান ! এই হাতবোৰক নিজৰ ৰহমতৰ দ্বাৰা আলোকময় হাত বনাই দিয়া। তোমাৰ সৌন্দৰ্যতা আৰু মহম্মদ (ছাঃ)ৰ সৌন্দৰ্য দুনিয়াত জিলিকি যেন উঠে আৰু তোমাৰ মহানতা আৰু মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ সন্মান পৃথিৱীত প্ৰকাশ যেন পায় আৰু ইছলাম আৰু মহম্মদ (ছাঃ)ৰ অহংকাৰী শত্ৰুক লজ্জিত কৰা।

তেখেতে যেতিয়া নমাজ আদায় কৰিছিল সেই সময়ত তেখেতৰ চেহেৰাত অতিশয় বিনম্ৰতাৰ দৃশ্য দেখিবলৈ পোৱা গৈছিল। মই কেইবাবাৰ তেখেতে নমাজ পঢ়ি থাকোতে তেখেতৰ চেহেৰাক দৃঢ়তাৰ সৈতে দেখিছো তেতিয়া আপোনাৰ কপালৰ শকুনৰ (আগজাননীৰ)পৰা জানিব পৰা গৈছিল যে তেখেতে নিজৰ পৰিপূৰ্ণ ধ্যান সেইফালেই দিছে আৰু চেহেৰা চাই এনেকুৱা লাগিছিল যেনেকুৱা তেখেতে কান্দি আছে।

(হজৰত মিৰ্জা নাচিৰ আহমদ,ছৈয়দা তাহিৰা ছিদ্দিকা নাচিৰ,পৃঃ ১৬৩)

## দোৱা গৃহীত হোৱাৰ অলৌকিক ঘটনা

তেখেত (ৰহঃ)ৰ খলিফাৰ কাৰ্যকালত গোটেইবোৰ জামাতে দোৱা গৃহীত হোৱাৰ অগণন দৃশ্য দেখিছে তাৰ মাজৰ পৰা কিছু বিভিন্ন বিষয়াৱলীত আহি গৈছে কিন্তু অসংখ্য এনেকুৱা আছে যি কেৱল মস্তিষ্কত সুৰক্ষিত আছে। এদিনাখন তেখেত (ৰহঃ)য়ে নিজৰ কোঠালিত নিজৰ বিছনালৈ গৈ কয়,

"চোৱা আল্লাহ তা'লাই মোৰ ওপৰত কিমান কৃপা কৰিছে মইতো তাৰ

প্ৰিয় ভৃত্য হওঁ কিন্তু মুখৰ পৰা নিৰ্গত কৰো যে ল'ৰা হ'ব আৰু সেইজনা ল'ৰা দান কৰে।"

এই কথা কওঁতেই তেখেতৰ কোৱাৰ ধৰণ,তেখেতৰ শব্দ,তেখেতৰ চেহেৰাৰ প্ৰভাৱ আজিও দৃষ্টিৰ সন্মুখত আছে। বৰ প্ৰিয় দিব্য দৰ্শন আৰু নিজৰ প্ৰতিপালকৰ প্ৰেমত ডুবি যোৱা চেহেৰা আছিল।

অৰ্থাৎ এনেকুৱা হ'ল যে তেখেত শিশুৰ বাবে কেৱল ল'ৰাৰ নামেই লৈছে আৰু ল'ৰাই জন্ম ললে বা ছোৱালীৰ নাম লৈছে তেতিয়া ছোৱালীয়েই জন্ম হৈছে। এনেকুৱা ঘটনাৱলী অসংখ্য আছে। বহু পৰিমাণে ঘৰ এনেকুৱা আছিল য'ত সন্তান জন্ম হোৱা নাছিল তেখেতৰ দোৱা গৃহীত হৈ আল্লাহ তা'লাই বিবাহৰ কেইবা বছৰ পিছতহে সন্তান জন্ম পাইছে। আফ্ৰিকাৰ এজনী মহিলা বিয়াৰ ৪০ (চল্লিশ)বছৰ পিছত সন্তান জন্ম হয় যদিওবা সেই বয়সত সন্তান জন্মাবৰ ক্ষমতাই নাছিল; তেখেতৰ দোৱাৰ কল্যাণত সন্তান জন্ম হয়।

অগণন ৰোগীক আল্লাহ তা'লাই অলৌকিক নিদৰ্শনৰ ৰূপত তেখেতৰ দোৱাৰ কল্যাণত আৰোগ্য প্ৰদান কৰে কেৱল দৃঢ় বিশ্বাসৰ ঘটনা আছিল।

মৌলবী আব্দুল কৰিম চাহাব কাঠগৰী শ্বাহিদ মুবাল্লিগ ছিলছিলা আহমদীয়া Multiple Myeloma যেনেকুৱা কেন্সাৰৰ এক ধৰণৰ ৰোগত আক্ৰান্ত হৈছিল। ৰোগ একেবাৰেই শেষ পৰ্যায়ত গৈ পাইছিল আৰু অজ্ঞান অৱস্থাত আছিল। ডাক্তৰে কৈছিল এতিয়া আৰু চিকিৎসা কৰিবলগীয়া একোৱেই নাই। হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয়)ৰ সেৱাত দোৱাৰ বাবে আবেদন জনোৱা হয়। তেখেতে পয়গাম পঠালে যে,

ছুজী নৰম কৰি পুৰা গধূলি দিব আৰু হাস্তপাতালত থাকিব দিয়ক বিশেষ ভাৱে দোৱা কৰি আছো।

অৰ্থাৎ মৃতক জীৱিত হোৱাৰ এক অলৌকিক নিদৰ্শন হজৰত মছীহ মাওউদ (আঃ)ৰ এই আধ্যাত্মিক প্ৰতিনিধিৰ দোৱাৰ কল্যাণত সঁচাকৈয়ে এক মৃত জীৱিত হৈ পৰিল। তাৰ পিছত সেই মৌলবী চাহাবক খোদা তা'লাই ১৫,১৬ বছৰ আৰু জীৱন দান কৰে।

১৯৭৬ চনত তেখেতে ঘোঁৰাৰ পৰা বাগৰি পৰে কঁকালৰ তিনি অংশত আঘাত পায়,কৈছে

ডাক্তৰবিলাকে মোক কলে যে এতিয়া আপুনি কেতিয়াও ভৰিৰ ওপৰত ভৰ দি বহিব নোৱাৰিবা। মই আল্লাহ তা'লাৰ ওচৰত প্ৰাৰ্থনা কৰিলোঁ,হে খোদা মোৰ দায়িত্বসমূহ এনেকুৱা গতিকে মোক আৰোগ্য দান কৰা।

তিনি মাহলৈকে তেখেতে বিছ্‌নাতেই থাকিব লগা হ'ল তাৰ পিছত অলৌকিক ৰূপত আল্লাহ তা'লাই মোক আৰোগ্য দান কৰিলে আৰু তেখেতে পুৰ্বৰ দায়িত্বৰ নিচিনাই নিজৰ দায়িত্ব পালন কৰিব ধৰিলে। আলহামদুলিল্লাহ আলা জালিকা-

(হজৰত মিৰ্জা নাচিৰ আহমদ, আজ ছৈয়দা তাহিৰা ছিদ্দিকা নাচিৰ,পৃঃ ১৬৭-১৬৮)

## সেইজনাৰ (খোদা তা'লা)ৰ ওচৰত কোনো কথা গুপ্ত নহয়

হজৰত খলিফাতুল মছীহ ছালিছ (তৃতীয়) (ৰহঃ)য়ে কৈছে-

ৰাবৱাত মোক এজন ব্যক্তিৰ চিঠি অৰ্জিত হয় যে তেওঁৰ দুজন সন্তানক ফাঁচি দিয়াৰ সিদ্ধান্ত হৈছে আৰু আচল দোষী বাচি গৈছে কিন্তু যিজনে দোষী নহয় তেওঁকেই শাস্তি ভুগিব লগা হৈছে। হাইকোৰ্ট আৰু চুপৰিম কোৰ্টেও ফাঁচি দিয়াৰ সিদ্ধান্ত নিৰ্দিষ্ট কৰিছে। বাহ্যিক ভাৱে বচাৰ কোনো উপায় দেখা পোৱা নগৈছিল। এতিয়া আমি দোৱাৰ আবেদন কৰি আছো যে আমাৰ বাবে দোৱা কৰক।

অৰ্থাৎ মই সিহঁতলৈ লিখিলো যে মই দোৱা কৰিম। খোদা বৰ ক্ষমতাবান আৰু দয়ালু হয়। তেওঁৰ ওচৰত কোনো কথা গোপন হৈ নাথাকে। নিৰাশ নহ'বা। কিছু দিনৰ পিছত মোলৈ সিহঁতৰ চিঠি অৰ্জিত হয় খোদা তা'লাৰ কৃপাত আদালতে সেই শাস্তিৰ পৰা মুক্তি কৰি দিছে।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ ২০১৫ ৰ পৰা ১

অক্টোবৰ চন ২০১৫লৈ পৃঃ ১৪)

## কোনে কয় যে আৰোগ্য প্ৰদান নহ'ব ?

মহম্মদ আমিন খালিদ চাহাব জাৰ্মানিয়ে বয়ান কৰিছে যে আজি পৰা ৪৫ বছৰ আগতে মোৰ বুকুৰ হাড়ত বিষ উঠিছিল। বিভিন্ন ডাক্তৰৰ পৰা চিকিৎসা কৰালোঁ,সকলো ধৰণৰ চিকিৎসা কৰোৱা হ'ল। কিন্তু বিষত কোনো ধৰণৰ পাৰ্থক্য দেখিবলৈ পোৱা নগ'ল। অৱশেষত ডাক্তৰো নিৰাশ হৈ মোক চিকিৎসাৰ কোনো বাট নাই বুলি কৈ দিলে আৰু কলে যি কেইবা দিনৰ জীৱন বাকী ৰৈ গৈছে এই কষ্টৰ মাজেৰে অতিবাহিত কৰা। সেই সময়তে চন ১৯৮০ ত হজৰত খলিফাতুল মছীহ ছালিছ (ৰহঃ) হমবৰগ আহি উপস্থিত হৈছিল। মই স্বাগতম জনোৱাৰ বাবে শাৰীত থিয় হৈ আছিলো। মই কৰমৰ্দন কৰি থাকোতেই মোৰ বিষৰ কষ্টৰ কথা কলো যে ডাক্টৰে চিকিৎসাহীন কৰি দিছে আৰু কৈছে যে মই এই কষ্টৰ পৰা মুক্তি নাপাও।

ইয়াৰ ওপৰত হুজুৰ বৰ প্ৰবলাতেৰে সৈতে কয়-

কোনে ক'ব পাৰে যে আৰোগ্য প্ৰদান নহ'ব ? আকৌ হুজুৰ মোৰ কামিজৰ এটা বটন নিজৰ মুবাৰক হাতেৰে খুলি মোৰ বুকুৰ ওপৰত এটা ৰেখা টানে আৰু কয় যে ইয়াতে বিষাই নে ? মই কলো হয় হুজুৰ ! তেতিয়া হুজুৰে কয়-আমি দোৱা কৰিম। ইনশা আল্লাহ আৰোগ্য প্ৰদান হ'ব। নিৰাশ নহ'বা!

অৰ্থাৎ আমিন চাহাবে কয় যে আজি এই ঘটনাৰ ৩৫ বছৰ অতিক্ৰম হৈ গৈছে আৰু সেই দিন আৰু আজিৰ দিনত মোৰ এয়া অৱস্থা যে যেনেকুৱা এই বিষ মোৰ কেতিয়াও হোৱাই নাছিল।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ চন ২০১৫ লৈ পৃঃ ১৫)

## নিশ্চয় পুৰুষ সন্তান প্ৰদান কৰিব

মিঞা মহম্মদ আছলম চাহাব অফ পিত্তোই লিখিছে, ১৯৬৫ চনত মোৰ

বিয়া হয়, বিয়াৰ পিছত ১১ বছৰ অতিক্রম হৈ গৈছে কিন্তু কোনো সন্তান জন্ম হোৱা নাই। সকলোবিলাক আত্মীয়-স্বজন অআহমদী আছিল। আত্মীয়-স্বজন আৰু গাঁৱবাসীয়ে এয়া ক'ব আৰম্ভ কৰিলে যে কাদিয়ানী হৈ গৈছে সেই কাৰণে আবতৰ (সন্তান বিহীন হৈ )থাকি যাব। মই প্রত্যেক ধৰণৰ চিকিৎসা কৰালোঁ কিন্তু সন্তান নহ'ল। এই বিষয়ে মই হজৰত খলিফাতুল মছীহ ছালিছ (ৰহঃ)ৰ সেৱাত সকলোবোৰ বিষয় লিখি দোৱাৰ আবেদন জনালো। চিঠিৰ উত্তৰত হুজুৰে কলে,আল্লাই আপোনাক কেতিয়াও বিনষ্ট নকৰিব আৰু নিশ্চয় ল'ৰা প্রদান কৰিব। যুগৰ খলিফাৰ এই দোৱাৰ পিছত মোৰ চাৰিজন ল'ৰা জন্ম পায়। সকলোবিলাক লোক আশ্চর্য হৈছিল যে তেওঁৰ সন্তান কেনেকৈ জন্মিলে বৰঞ্চ মহিলা ডাক্টৰে কৈছিল যে এই মহিলাৰ সন্তান হ'বই নোৱাৰে। ডাক্তৰৰ কোৱা মতে এই মহিলাৰ সন্তান জন্ম হ'বই নোৱাৰে। এই কথাৰ উত্তৰত মই কওঁ যে এয়া হজৰত মছীহ মওউদ (আঃ)ৰ সততাৰ জীৱিত নিদর্শন হয় যি আল্লাহ তা'লাই খলিফাতুল মছীহৰ দোৱাৰ কল্যাণত প্রদান কৰিছে।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ চন ২০১৫ পৃঃ ১৫)

## হজৰত মিৰ্জা তাহিৰ আহমদ চাহাব খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)

হজৰত মিৰ্জা তাহিৰ আহমদ খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে ১৮ ডিচেম্বৰ ১৯২৮ চনত কাদিয়ান দাৰুল আমানত জন্ম গ্ৰহণ কৰে। তেখেত যুগৰ ইমাম মছীহ ও মাহদী (আঃ)ৰ নাতি আৰু হজৰত মুচলেহ মাওউদ দ্বিতীয় খলিফা (ৰাঃ)ৰ ল'ৰা হয়। প্ৰকাশ্য যে এনেকুৱা মহান দাদা আৰু এনেকুৱা মহান পিতৃৰ গুণাৱলীৰ ফালে দৃষ্টি গোচৰ হৈ,পঢ়া আৰু শ্ৰৱণ কৰি থাকি লালিত-পালিত হৈ,খোদা ভীতি আৰু পৰিত্ৰতা,উন্নত ধৰণৰ শিক্ষা আৰু প্ৰশিক্ষণৰ জমানতৰ ব্যৱস্থা প্ৰদান হয়।

পিতৃ হজৰত মুচলেহ মাওউদ (ৰাঃ)আৰু মাতৃ হজৰত মৰিয়ম বেগম চাহিবা (ৰাঃ)ৰ উন্নত ধৰণৰ শিক্ষা আৰু প্ৰশিক্ষণৰ তেখেতৰ ওপৰত বৰ প্ৰভাৱ পৰিছিল। ইয়াৰ ফলাফল এয়াই আছিল যে তেখেত বাল্য কালৰ পৰাই খোদা ভীতি,পৰহেজগাৰ আৰু আল্লাহৰ অস্তিত্বৰ ওপৰত বৰ চিন্তা-ভাৱনাকাৰী আছিল।

তেখেতে পাৰ্থিৱ শিক্ষাৰ বাহিৰেও জামিয়া আহমদীয়া ৰাবৱাৰ শিক্ষাও পৰিপূৰ্ণ কৰে আৰু শ্বাহিদৰ ডিগ্ৰী অৰ্জিত কৰে। ১০ জুন চন ১৯৮২ ত হজৰত মছীহ মাওউদ (আঃ)ৰ চতুৰ্থ খলিফা হিচাপে অধিষ্ঠিত হয়। যেতিয়া তেখেত সৰু আছিল সেই সময়তেই তেখেতৰ পিতৃ হজৰত মুচলেহ মাওউদ (ৰাঃ)ক আল্লাহ তা'লাই ইলহামৰ মাধ্যমে জনাইছিল যে তাহিৰ ডাঙৰ হৈ খলিফা হ'ব।

শিক্ষা পৰিপূৰ্ণ হোৱাৰ লগে লগেই তেখেতে জামাতৰ সেৱাত নিমগ্ন হৈ গৈছিল। বহু গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্বত ন্যস্ত হৈ সেৱা কৰাৰ সুযোগ প্ৰদান হৈছে। আল্লাহ তা'লাই আপোনাক বিশেষ জ্ঞান,অভিজ্ঞতা আৰু ভাষণ আৰু লিখনীৰ উন্নত ধৰণৰ মৰ্যাদা অৰ্জিত কৰিছিল। খলিফাৰ পূৰ্বতেই তেখেতৰ মজলিছে প্ৰশ্ন উত্তৰ (প্ৰশ্ন উত্তৰৰ বৈঠক) ত দূৰ-দূৰান্তৰ পৰা লোক আহি

চামিল হৈছিল।

তেখেতৰ কম-বেছি ২১ বছৰীয়া খলিফাৰ মহান মহান কাৰ্যকলাপেৰে পৰিপূৰ্ণ; যাৰ মাধ্যমে আল্লাহ তা'লাই জামাতে আহমদীয়াক ডাঙৰ ডাঙৰ অলৌকিক নিদৰ্শন দেখুৱাইছে। বাহ্যিক ৰূপত অসম্ভৱ দৃষ্টিগোচৰ হোৱাতো আল্লাহ তা'লাই তেখেতক সুৰক্ষাৰ সৈতে লণ্ডনলৈ পৌচাই দিয়ে। আছলম কুৰাইশীয়ে যিয়ে এক কৌশলৰ মাধ্যমে মুক্তি পাইছিল বাহিৰলৈ ওলাই মৌলবীসকলক যিসকলে হজৰত খলিফাতুল মছীহ চতুৰ্থৰ বিষয়ে কিডনেপ আৰু হত্যাৰ অভিযোগ আৰোপ কৰিছিল আৰু জালিম জিয়াউল হকক লজ্জিত কৰি লাঞ্চিত কৰে। হুজুৰ (ৰহঃ)য়ে মুবাহিলা (যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক)ৰ ফলত বদনাম যুগ আৰু ফিৰাউনৰ যুগ ডিকটিটৰ ছদৰ পাকিস্তান জিয়াউল হকক ধ্বংস কৰে যিয়ে পাকিস্তানৰ আহমদীসকলৰ ওপৰত বৰ অত্যাচাৰ কৰিছিল। হুজুৰ (ৰহঃ)য়ে ওৱাকফে নুৰ মহান মৰ্যাদাশীল তেহৰিকৰ আৰম্ভণী কৰে। বিশ্ব বয়াতৰ আৰম্ভণী তেখেতৰ খিলাফৎ কালতেই হৈছিল। এম.টি.এৰ মহান আধ্যাত্মিক দস্তৰখানৰ ৰেখা টানি শীৰ্ষস্থানলৈ পৌচায়।

যেনেকুৱা পূৰ্বতেও উল্লেখ কৰা হৈছে যে নমাজৰ প্ৰতি ভালপোৱা প্ৰকৃততে আল্লাহক ভালপোৱা হয়। আল্লাহৰ চৰণত সাষ্টাঙ্গে প্ৰণিপাত কৰা সেইজনাৰ ওচৰত প্ৰাৰ্থনা কৰা আৰু সেইজনাৰ ওপৰত পৰিপূৰ্ণ ৰূপে ভৰসা কৰা, এয়া আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ দলিল হয়। নিম্নত তেখেতৰ দোৱা গৃহীত হোৱাৰ আৰু নমাজৰ সৈতে প্ৰীতিমূলক আৰু ভালপোৱাৰ ঘটনাৱলী উল্লেখ কৰা হৈ আছে।

## যাৰ দোৱা গৃহীত হ'ব তেওঁ দুই গেলোন (GALLON) পেট্ৰ'ল আৰু কাৰ (গাড়ী) পাব

এবাৰৰ কথা উল্লেখিত যে হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে নিজৰ পৰিয়াল বৰ্গৰ সৈতে (এটা ভ্ৰমণৰ পৰা-অনুবাদক) কাদিয়ানলৈ উভতি আহি আছিল। বাটত গম পায় যে গাড়ীৰ পেট্ৰল শেষ হ'বলগীয়া। পেট্ৰলৰ পৰিমাণৰ

শুইৰ চিহ্ন একেবাৰে তললৈ নামি গৈছিল। আচলতে সিহঁতে ভ্ৰমণৰ সময়ত পেট্ৰল ল'বলৈ পাহৰি গৈছিল। তেতিয়া আধা ভ্ৰমণ হৈছিল আৰু আধা বাকী আছিল আৰু কাদিয়ানলৈকে বাটত দূৰ-দূৰান্তলৈ কোনো পেট্ৰল পাম্পও নাছিল। হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)য়ে শিশুসকলক সম্বোধন কৰি ক'ব ধৰিলে, শিশুসকল! আহা আমি সকলোৱে খোদা তা'লাৰ ওচৰত দোৱা কৰো যে হে আল্লাহ ! এই কঠিন ৰাস্তাৰ বাধা নহ'বা আৰু নিজৰ বিশেষ কৃপাত আমাক কাদিয়ানলৈ পৌচাই দিয়া। মই অঙ্গীকাৰ কৰো যে যাৰ দোৱা গৃহীত হব তেওঁক কাদিয়ানলৈ পৌচাই দুই গেলোন পেট্ৰল আৰু কাৰ (গাড়ী) ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰিম।

হ'ব পাৰে এই কথা হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)য়ে সাধাৰণতে আমাৰ প্ৰশিক্ষণৰ বাবে কৈছে; অৰ্থাৎ চাহাবজাদা তাহিৰ আহমদৰ ভাই ভনীয়েকসকলে এই ফালে মনোযোগ দিয়া নাই কিন্তু কম বয়সৰ তাহিৰ আহমদ বৰ গুৰুত্বপূৰ্ণ ভাৱি আল্লাহৰ আস্থানত দোৱা কৰাত মগ্ন থাকিল ইমানতেই এনে অৱস্থাতেই গাড়ী কাদিয়ান পৌচাই গ'ল। কাদিয়ান গৈ পোৱাৰ লগে লগে তাহিৰ আহমদে চিঞৰী উঠিলে যে আববা জান ! মই ধাৰাবাহিকভাৱে দোৱা কৰি আছিলো। মই তেতিয়াৰ পৰাই দোৱা কৰি আছিলো যেতিয়াৰ পৰা আপুনি দোৱা কৰাৰ বাবে কৈছিলে।

গতিকে হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)ৰ প্ৰতিশ্ৰুতি অনুযায়ী দুই গেলোন পেট্ৰল আৰু গাড়ী ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদান কৰিলে আৰু তাহিৰ আহমদে ফূৰ্তি আৰু আনন্দমনেৰে ৰাওনা হৈ গ'ল।

(এক মৰদে খুদা,পৃঃ৭৭,৭৮)

## খোদাৰ সন্ধান আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন

এই ঘটনা সেই সময়ৰ হয় যেতিয়া তেখেত শৈশৱ কালৰ আছিল তাৰ পৰা জানিব পৰা যায় যে শৈশৱ কালৰ পৰাই তেখেতৰ দোৱাৰ প্ৰতি কিমান মনোযোগ আছিল। এতিয়া কেৱল যুৱক বয়সত খোজ ৰাখিছেহি যে আল্লাহৰ সন্ধানৰ প্ৰতি ধ্যান ধাৰণা তেখেতৰ মস্তিষ্কত বিস্তাৰ লাভ কৰে যে যদি

আল্লাহৰ অস্তিত্ব আছে আৰু নিশ্চয় আছে তাৰ অস্তিত্বৰ প্ৰমাণ হোৱা উচিত;গতিকে তেখেতে দিন ৰাতি দোৱাত মগ্ন থাকিলে। আল্লাহ তা'লাই তেখেতৰ দোৱা গৃহীত কৰিলে আৰু সপোনৰ মাধ্যমে নিজৰ অস্তিত্বৰ প্ৰমাণ দিলে।

তেখেতে কৈছে-

এই দিনবোৰ মোৰ বাবে কঠিন দিন আছিল। এক অস্থিৰতা জাগৰণ হৈছিল যিয়ে আভ্যন্তৰক খাই আছিল। যাক দেখিব নোৱাৰা আৰু অনুতাপ কৰিব নোৱাৰা শক্তিৰ ওপৰত বিশ্বাস স্থাপন কৰা আৰু সেইজনাৰ ওপৰত আমাৰ গোটেই জীৱনৰ দৃষ্টান্ত আৰু চিন্তা-চেতনাৰে বিল্ডিং নিৰ্মাণ কৰা ইমান সহজ কাম নাছিল। এয়া এটা চেলেঞ্জ আছিল যি সন্মুখত আছিল; যিয়ে মোক বৰ শংকাত আবদ্ধ কৰি দিছিল, এক আচৰিত ধৰণৰ অস্থিৰতা আৰু কষ্ট হৈছিল, কিন্তু মোৰ বিশ্বাস আছিল যে প্ৰকৃততে খোদাৰ অস্তিত্ব নিশ্চিত, গতিকে সঁচাকৈয়ে সেইজনা মজুদ আছেনে ? যদি আছে তেন্তে সেইজনাই মোক নিজৰ চেহেৰা দেখুৱাব নে ?

কেতিয়াবা তেখেতে মছজিদত গৈ ঘণ্টা পৰ্যন্ত উপাসনাত মগ্ন থাকিছে আৰু কেতিয়াবা গোটেই ৰাতি নিজৰ কোঠালিত উপসানা কৰি অতিবাহিত কৰিছে। অৰ্থাৎ তেখেতে কৈছে-

মই খোদা তা'লাৰ আস্থানত দোৱা কৰো আৰু কওঁ যে যদি তুমি আছা তেন্তে মই তোমাৰ সন্ধানত আছো গতিকে কোৱা যে তুমি আছা নতুবা মই পথভ্ৰষ্ট হৈ যাম। তেতিয়া সেই পথভ্ৰষ্টৰ জিম্মা তুমি নহ'বা নে ? আৰু ভাৱো যে সম্ভৱত হোৱা যদি,আকৌ মই দোৱা কৰো যে হে খোদা ! এই জিম্মাদাৰী মোৰ ওপৰত অৰ্পিত নোহোৱা উচিত।

কিতাপ **এক মৰদে খুদা**ৰ লিখক আইন এডমছনে লিখিছে যে,

তেখেতে এনেকুৱা আধ্যাত্মিক অভিজ্ঞতাৰ মাজেৰে অতিক্ৰম কৰিছে যাৰ কাৰণে খোদাৰ অস্তিত্বৰ বিষয়ে প্ৰশ্ন তেখেতৰ ওপৰত সদায় সমাধান হৈ গৈছে। তেওঁ নিজেই কয় যে যদি এই অভিজ্ঞতা আবেদন ৰূপত দেখা হয়

তেতিয়া আল্লাহৰ অস্তিত্বৰ বিষয়ে বৰ প্ৰবল আৰু শক্তিশালী প্ৰমাণ হয়তো ক'ব নোৱাৰা কিন্তু তেখেতৰ বিশ্বাস আছিল যে এইটোৱেই উত্তৰ আছিল সেই দোৱা যি তেখেতে কৰিছিল, কৈছে-

এই সপোন নিদ্ৰাৰ মাজত এক ধৰণৰ নিদ্ৰাৰ অৱস্থা আছিল। মই দেখিলো যে গোটেই পৃথিৱী সংকুচিত হৈ এটা বলৰ ৰূপ ধাৰণ কৰি লৈছে যাৰ ফলত দূৰ-দূৰান্তলৈকে কোনো প্ৰাণীৰ চিহ্ন দেখিবলৈ পোৱা নাযায়। নে জীৱনৰ হৈ-চৈ আছে, নে চহৰসমূহ, নে জনবসতি। অৰ্থাৎ একোৱেই নাই। অৰ্থাৎ ভূমি দেখিবলৈ পোৱা যায়,হঠাতে দেখিবলৈ পাওঁ যে ভূমিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ কণাবোৰ কঁপিব ধৰিছে আৰু এটা **জনাটাই** (কোনো বস্তু বতাহত প্ৰবল বেগেৰে চলাৰ ফলত যি শব্দ আহে) চিঞৰি চিঞৰি কৈ আছে,আমাৰ খোদা ! আমাৰ খোদা ! এটা এটা কণাই নিজৰ অস্তিত্বৰ কথা কৈ উচ্চস্বৰে ঘোষণা কৰি আছিল।

গোটেই ব্ৰহ্মাণ্ড এক আচৰিত ধৰণৰ আলোকেৰে ভৰি পৰে। এটা এটা আইটামে একে সুমধুৰ সুৰৰ সৈতে বিস্তৃত হোৱা আৰম্ভ কৰিছে আৰু সংকুচিত হোৱা আৰম্ভ কৰিছে মই অনুতাপ কৰিলোঁ যে এইবোৰৰ সৈতে মইয়ো এই শব্দবোৰ কওঁ আৰু কৈয়ে আছো "আমাৰ খোদা-আমাৰ খোদা"

কিতাপৰ লিখকে লিখিছে যে এতিয়া তেওঁ পৰিপূৰ্ণ ৰূপে জাগ্ৰত হৈ উভতি আহি গৈছে কিন্তু সেই দৃশ্যক চাইয়ে আছিল তাৰ পিছত তেওঁৰ সকলোবোৰ সন্দেহ চিৰদিনৰ বাবে আঁতৰ হৈ যায়।

(এক মৰদে খুদা,পৃঃ ৮১-৮৩)

## ঐশ্বৰিক ইলহাম আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন

যেতিয়া সপোনৰ মাধ্যমে তেখেতে আল্লাহৰ অস্তিত্বৰ প্ৰমাণ পাই যায়,তাৰ পিছত ধাৰাবাহিক ভাৱে তেখেতৰ দোৱাবোৰ গৃহীত হ'ব ধৰে,আল্লাহ তা'লাই তেখেতক নিজৰ ইলহাম আৰু কালামুল্লাহ প্ৰাপ্ত কৰে। ইলহাম আল্লাহ তা'লাৰ অস্তিত্বৰ এনে এক প্ৰমাণ যে তাৰ পিছত যদি গোটেই পৃথিৱী অস্বীকাৰ কৰিও দিয়ে তথাপি ইলহাম প্ৰাপ্ত হোৱাজনে খোদাৰ অস্তিত্বৰ কেতিয়াও অস্বীকাৰ

কৰিব নোৱাৰে বৰং তেওঁ সেইজনাৰ সৈতে ভালপোৱাত উন্নতিৰ পিছত উন্নতি হ'বলৈ ধৰে। তেখেতে কৈছে-

অৰ্থাৎ যেতিয়া মই বাল্য কালতেই দোৱা কৰিছিলোঁ তেতিয়া সেয়া গৃহীত হৈ গৈছিল কিন্তু মাজে সময়ে মই এয়াও ভাৱিছিলো যে এই ধাৰণা যেন মোৰ মস্তিষ্কত হস্তক্ষেপ নকৰে; কিন্তু যেতিয়া মই আল্লাহৰ অস্তিত্বৰ অসংখ্য প্ৰমাণক মোৰ নিজৰ চকুৰে দৃষ্টিগোচৰ কৰো আৰু মোৰ দোৱাবোৰ বহু পৰিমাণে গৃহীত হ'ব ধৰিলে তেতিয়া এই কাৰ্যাৱলী মোৰ নিজৰ পৰিৱৰ্তে এটা নিৰ্দিষ্ট আৰু জীৱিত প্ৰমাণ হিচাপে মুকলি হৈ মোৰ সন্মুখত আহি গ'ল। মোৰ বিশ্বাস আছে যে দোৱা গৃহীত হোৱাৰ এই ঘটনাসমূহ হঠাৎ কৰি বা কোনো ঘটনা সংগঠিত হোৱাৰ সৈতে কোনো সম্পৰ্ক নাছিল। ইমানখিনি যে আল্লাহৰ অস্তিত্বৰ এই সহায়মূলক সাক্ষী বিস্তাৰিত হৈ আৰু শক্তিশালীৰ পৰা শক্তিশালী হ'ব ধৰিলে,আৰু সেই সময় আহি পায় যে খোদা তা'লা মোক নিজৰ কৃপাত পৰোক্ষ ভাৱে নিজৰ ইলহামৰ পুৰস্কাৰেৰে পুৰস্কৃত কৰিলে। (এক মৰদে খুদা,পৃঃ ৮৪-৮৫)

## দোৱা গৃহীত হোৱা আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন

দোৱা গৃহীত হোৱা আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন এক বহু ডাঙৰ প্ৰমাণ হয়। আৰু যেতিয়া খোদা কোনোবাক নিজৰ প্ৰতিনিধি পাতে তেতিয়া তেওঁৰ দোৱা অসংখ্যা পৰিমাণে গৃহীত কৰে আৰু তাৰ কাৰণ এয়াই হয় যে সেইজন খলিফা হোৱাৰ পিছত নিজৰ খোদাৰ সৈতে সম্পৰ্ক স্থাপন অধিক পৰিমাণে বাঢ়ি যায়,অৰ্থাৎ যিমানেই সম্পৰ্ক বৃদ্ধি পায় সিমানেই দোৱা গৃহীত হোৱাৰ মৰ্যাদা আৰু বেছি শীৰ্ষতমলৈ গৈ পায়।

তেখেতৰ দোৱা গৃহীত হোৱাৰ কিছুমান ঘটনাসমূহ নিম্নত উল্লেখ কৰা হৈ আছে। তেখেতে কয়-

দোৱা কৰা সময়ত যদিওবা এয়া ইলহাম আকাৰে এয়া কোৱা নহয় যে মোৰ দোৱা গৃহীত হৈ গৈছে কিন্তু কোৰাণ কৰীমৰ কোনো আয়াত হঠাতে মোৰ অন্তৰত অৱতীৰ্ণ হৈ গৈছিল যাৰ বহু দৃঢ় সম্পৰ্ক এই মছলাসমূহৰ সৈতে

ৰাখে যাৰ সমাধাৰ বাবে মই দোৱা কৰি আছো,তেতিয়া মই ভাৱি লওঁ যে এয়া এক পয়গাম হয় আৰু সেই কামৰ এটা চিহ্ন হয় যে মোৰ দোৱা গৃহীত হৈ গৈছে।

মই যেতিয়া দোৱা কৰো তেতিয়া ঘটনাসমূহ এক ক্ৰমানুযায়ী আৰু ধাৰাবাহিকতাৰ সৈতে প্ৰকাশ পোৱা আৰম্ভ হৈ যায় যাক কোনো ক্ষেত্ৰতেই কেৱল হঠাতে হোৱা বুলি নিৰ্দিষ্ট কৰি দিব পৰা নাযায়। ইমানখিনি যে কোনো অস্বীকাৰকাৰীৰ কাৰণেও অস্বীকাৰ কৰাৰ কোনো পথ বাকী নাথাকে। মই আপোনাক এটা সৰু উদাহৰণ দিওঁ-

এই ঘটনা সেই সময়ত সংগঠিত হৈছিল যেতিয়া নিজৰ স্ত্ৰী আৰু সন্তানসকলৰ সৈতে আমেৰিকাত ভ্ৰমণ কৰি আছিলো। মোৰ শংকা হ’ল যে নতুন হিচাপে কিছুমান চহৰৰ বাট যেন পাহৰি নেযাওঁ।

এই ধাৰণাতেই মই দোৱা কৰিব ধৰিলো। হঠাতে মস্তিষ্কত কোৰাণ কৰীমৰ এটা আয়াত আহি পৰে,মই সন্তুষ্টি অনুভৱ কৰিলোঁ যে এতিয়া আৰু ৰাস্তা পাহৰি নেযাওঁ আৰু নে ভোক পিয়াহৰ কাৰণে কোনো অসুবিধাৰ সন্মুখীন হ’ব লাগিব।

মাজ নিশাৰ পিছত প্ৰায় ১ বাজি ৩০ মিনিটত আমি শিকাগো গৈ পাওঁ। শিকাগো এক বিস্তাৰিত চহৰ হয় কেইবা মাইললৈকে বিস্তৃত। সম্ভৱত এফালৰ পৰা আনফালৰ দূৰত্ব প্ৰায় ৯৬ মাইল। এই ধাৰণা সঠিক নহ’বও পাৰে কিন্তু ইয়াত কোনো সন্দেহ নাই যে চহৰৰ এটা ফালৰ পৰা আনটোৰ দূৰত্ব বহু পৰিমাণে দীৰ্ঘ হয়। মোৰ ওচৰত চহৰৰ মানচিত্ৰও নাছিল। মই নিজৰ স্ত্ৰী আৰু সন্তানসকলক কলো যে তোমালোকে গাড়ীতেই আৰামতে শুই যোৱা। মই নিজেই গাড়ী চলাই আছিলো। প্ৰথমে কেইবা হাত চিধা Turn কৰিলোঁ তাৰ পিছত উলটা Turn কৰিলোঁ,দীৰ্ঘ সময়লৈকে গাড়ী চলাইয়ে থাকিলো,মই এটা পেট্ৰল পাম্পত গাড়ী থমাই দিলো আৰু আহমদীয়া মছজিদলৈ ফোন কৰিলোঁ,জানিব পাৰিলো যে মছজিদে আহমদীয়া দুই গলিৰ পিছতেই অতি কাষতেই হয়।

ইয়াৰ সৈতে মিল থকা এটা ঘটনা নাৰ্ভেত সংগঠিত হয়। আমি এটা বাটেদি গৈ থাকোতেই ইংৰাজী ভাষাত এজন ব্যক্তিক এয়া সুধিলো যে আপুনি জানেনে যে আমাৰ অতিথিসকল ক'ত অৱস্থান কৰিছে। তেওঁ বৰ সন্তুষ্টিৰ সৈতে উত্তৰ দিলে হয়- সিহঁতে মোৰ ওচৰ-চুবুৰীয়া হয় আৰু মোৰ ঘৰৰ কাষতেই অৱস্থান কৰে।

হলেগুত এনেকুৱাই ঘটনা সংগঠিত হয় তাতে আমি কিছুমান শিশুসকলক সুধিলো,শিশুসকল ! তোমালোকে ক'ব পাৰিবা নে যে মছজিদে আহমদীয়া ক'ত অৱস্থিত ? সিহঁতে ক'লে মছজিদে আহমদীয়া ? এয়া কোনো কথা হয়,মছজিদ অতি কাষতেই হয় "আহঁক আমাৰ সৈতে আহঁক"

এনেকুৱা ঘটনাবোৰ বাৰে বাৰে আৰু ধাৰাবাহিক ভাৱে সংগঠিত হয় আৰু সেয়া সেই ধৰণে যি মোৰ পক্ষে কোৱা অসম্ভৱ যে মই সেইবোৰক হঠাতে বা কোনো দুৰ্ঘটনা কৈ পৰামুখ কৰিম।

দোৱাৰ বিষয়ে ছৈয়দিনা হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে কৈছে যে দিন হওঁক বা ৰাতি হওঁক দোৱা আমাৰ আধ্যাত্মিক আহাৰ হয়। যেনেদৰে শৰীৰৰ বাবে অক্সিজেনৰ প্ৰয়োজন হয় এইদৰে আত্মাও দোৱা অবিহনে জীৱিত থাকিব নোৱাৰে।

(এক মৰদে খুদা,পৃঃ ৩৪৮-৩৫১)

তেখেত (ৰহঃ)য়ে কৈছে-

মোৰ মনত আছে ঘানাৰ এজন মুখ্যৰ মোৰ হাতত সত্য গ্ৰহণ কৰাৰ সৌভাগ্য প্ৰাপ্ত হয়। ইয়াৰ আগতে তেওঁ খ্ৰীষ্টান ধৰ্মৰ আছিল। এজন ল'ৰা জন্ম হোৱাৰ আশা হৃদয়ত লৈ ফুৰিছিল। দুবাৰ তেওঁৰ স্ত্ৰীৰ গৰ্ভপাত হৈ গৈছিল যাৰ ফলত তেওঁ নিৰাশ হৈ পৰিছিল। তেওঁ মোলৈ দোৱাৰ বাবে আবেদন জনায় ক'ব ধৰিলে যে দোৱা কৰক যে খোদা তা'লা মোক ল'ৰা যেন দিয়ে আৰু মোৰ স্ত্ৰীও যেন স্বাস্থ্যবান আৰু সুস্থ থাকে। মই মুখ্যজনৰ আৰু তেওঁৰ স্ত্ৰীৰ কাৰণে বৰ ক্ৰন্দনৰ সৈতে দোৱা কৰিলোঁ আৰু তেওঁলৈ লিখিলো যে আল্লাহ তা'লাই মোৰ আৰু সিহঁতৰ দোৱা নিশ্চয় গৃহীত কৰিব।

কিছু দিন পিছত তেওঁৰ ফালৰ পৰা সংবাদ আহে যে খোদা তা'লাই দোৱা শুনিছে আৰু তেওঁক এজন সুস্থবান ল'ৰা দান কৰিছে।

তেখেত (ৰহঃ)য়ে কৈছে-

যেতিয়া কোনো অসুবিধাৰ সন্মুখীন হ'বলগা হয় তেতিয়াই আপুনি খোদা তা'লাৰ ওচৰত দোৱা কৰিব যদি আপুনি দোৱা কৰাক নিজৰ অভ্যাসত পৰিণত কৰে তেন্তে সকলো ধৰণৰ অসুবিধাৰ সময়ত আপুনি আচৰিত ধৰণৰ খোদা তা'লাৰ সহায় পাই থাকিব; আৰু এয়া সেই কথা যি মোৰ গোটেই জীৱনৰ অভিজ্ঞতা হয়; এতিয়া মই বয়জেষ্ঠ হৈ গৈছো আৰু মই কওঁ যে যেতিয়াই মোৰ আৱশ্যক হৈছে আৰু খোদা তা'লাৰ ওচৰত দোৱা কৰিছোঁ মই কেতিয়াও বিফল হোৱা নাই। সদায় আল্লাহ তা'লাই মোৰ দোৱা গৃহীত কৰিছে।

(আলফজল ৫ আগষ্ট চন ১৯৯৯)

## নমাজৰ ব্যৱস্থা আৰু আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন

হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)ৰ প্ৰাইভেট ছেক্ৰেটাৰী মাননীয় মনিৰ আহমদ জাৱেদ চাহাবে লিখিছে যে,

তেখেত নমাজৰ প্ৰতি ইমান প্ৰেমীক আছিল যে সাধাৰণ মানুহে তাৰ কল্পনাই কৰিব নোৱাৰে। তেখেতে অসুস্থ্য অৱস্থাত দুৰ্বল হোৱা সত্বেও থিয় হৈ নমাজ পঢ়িছে। অৱশেষত অসুস্থ্য অৱস্থাৰ সময়ত অতি দুৰ্বল হোৱা সত্বেও তেখেতে যেনেকৈ সহাৰি লৈ লাহে লাহে খোজ উঠাই বায়তুজ জিকৰত নমাজ পঢ়াৰ বাবে উপস্থিত হৈছিল সেয়া জামাতে কেতিয়াও পাহৰিব নোৱাৰে। তেখেতে নমাজ কেতিয়াও কাজা হ'ব দিয়া নাছিল।

হুজুৰ (ৰহঃ)য়ে সজৰত থকা অৱস্থাত বতৰ যদিওবা ঠাণ্ডা হওঁক বা গৰম হওঁক বা বৰষুণ হওঁক বা বৰফ পৰক তেখেতে সেইবোৰৰ ভ্ৰূক্ষেপ নকৰি সদায় খোদাৰ ঘৰত গৈ নমাজ আদায় কৰিছিল। ভ্ৰমণ কালত নমাজ পঢ়াৰ অৱস্থাৰ বিষয়ে শুনি লওঁক। নাৰ্ভেৰ ভ্ৰমণ কালত আমি কঠোৰ ঠাণ্ডাত সমুদ্ৰী জাহাজত মুকলি ঠাইত তেখেতে নমাজ আদায় কৰিছে। এইদৰে প্ৰচুৰ গৰম আৰু মহৰ কামোৰণিৰ সময়ত আলাছ্কাত নমাজ পঢ়িছে। ইউৰোপৰ

ভ্ৰমণৰ সময়ত ৰাস্তাৰ এফালে প্ৰয়োজনীয় স্থান চাই নমাজৰ বাবে বৈ যোৱাৰ হিদায়ৎ সৰ্বদা অব্যাহত থাকিছে। তেখেতে কেতিয়াও নমাজক কাজা হ'ব দিয়া হোৱা নাছিল। তেখেতৰ জীৱন قُرَّةُ عَيْنِيْ فِي الصَّلٰوةِ ৰ আদৰ্শ আছিল যে মোৰ চকুৰ প্ৰশান্তি নমাজ হয়।

(মাহানা তেহৰিক জাদিদ ছৈয়দিনা তাহিৰ নম্বৰ পৃঃ ৫৬)

তেখেতৰ আল্লাহৰ উপাসনা আৰু নমাজৰ ইচ্ছুকৰ এটা মনোহৰ ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে। তেখেত (ৰহঃ)য়ে কৈছে-

মোৰ সেই সময় বৰ প্ৰিয় আছিল যেতিয়া এবাৰ লণ্ডনত New Year's day ৰ সময়ত হৈছিল। অৰ্থাৎ আগদিনা নতুন বছৰ আহবলগীয়া আছিল আৰু ঈদৰ দিন আছিল। ৰাতি ১২ বজাৰ পিছত লোকসকল Trafalgar Square ত একগোট হৈ পাৰ্থিৱতাৰ ফালে ধাৱিত হৈ অশিষ্টাচাৰত লিপ্ত হৈ মগ্ন থাকে; কাৰণ যেতিয়া ৰাতি ১২ বাজি যায় তেতিয়া সিহঁতে এয়া ভাৱে যে এতিয়া কোনো সভ্যতাৰ প্ৰতিৰোধ নাই,ধৰ্মৰ ফালৰ পৰা কোনো প্ৰতিবন্ধক নাই অৰ্থাৎ প্ৰত্যেক ধৰণৰ স্বাধীনতা থাকে। সেই সময়ত হঠাৎ কৰি সেই ৰাতি বুছটিন ইষ্টেচনলৈ আহি পাওঁ, মোৰ ধাৰণা উপজিল যে যেনেকুৱা প্ৰত্যেক আহমদীয়ে কৰে ইয়াত মোৰ কোনো বিশেষ ভিন্ন স্থান নাছিল;বেছিৰ ভাগ আহমদীয়ে আল্লাহৰ কৃপাত প্ৰত্যেক বছৰৰ নতুন দিন এইদৰেই আৰম্ভ কৰে যে ৰাতি ১২ বজাত উপাসনা কৰে। মইয়ো সুযোগ পাইছো,মইয়ো তাতে থিয় হৈ গলো। বাতৰি কাকতৰ কাগজ বিছাই ললো আৰু দুই ৰাকাত নফল নমাজ পঢ়িব ধৰিলো। কিছু সময় পিছত মোৰ এয়া অনুতাপ হয় যে কোনো ব্যক্তি মোৰ ওচৰলৈ আহি থিয় হ'ল; আৰু মোৰ নমাজ পঢ়া অন্ত হোৱাই নাছিল ইমানতে মই কষ্টৰ আহ বুলি শব্দ শুনা পালো, মই নমাজ শেষ কৰি দেখিলো যে এজন বয়জ্যেষ্ঠ ইংৰাজ হয় যিয়ে শিশুৰ নিচিনা ৰুক্ ৰুক্ কৰি কান্দি আছে,মই ভয় পালো; মই কলো হ'ব পাৰে তেওঁ ভাৱিছে যে মই উন্মাদ হৈ গৈছো যাৰ ফলত সম্ভৱত মোৰ সহানুভূতিত ক্ৰন্দন কৰি আছে। মই তেওঁক সুধিলো যে তোমাৰ কি হৈছে তেতিয়া তেওঁ উত্তৰ দিলে

মোৰ একোৱেই হোৱা নাই মোৰ জাতিৰ কিবা হৈ গৈছে। গোটেই বংশ এতিয়া নতুন বছৰৰ আনন্দত অশ্লীলতাত লিপ্ত হৈছে আৰু এজন মানুহ এনেকুৱা আছে যিয়ে নিজৰ প্ৰভুক স্মৰণ কৰি আছে। এই বস্তুৱে আৰু সেই তুলনাই মোৰ হৃদয় ইমান প্ৰভান্বিত হৈছে যে মই সহ্য কৰিব পৰা নাই। অৰ্থাৎ তেওঁ বাৰম্বাৰ কৈছিল- God bless you God bless you God bless you God bless you (খোদা তোমাৰ মঙ্গল কৰক,খোদা তোমাৰ মঙ্গল কৰক,খোদা তোমাৰ মঙ্গল কৰক,খোদা তোমাৰ মঙ্গল কৰক)

(খুতবা জুমা ফৰমুদা ২০ আগষ্ট চন ১৯৮২ মতবুৱা আলফজল ৰাবৱা ৩১ অক্টোবৰ ১৯৮৩)

## চকুৰ ৰূপ পৰিৱৰ্তন হোৱা আৰম্ভ কৰিলে

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে খোতবা জুমা ফৰমুদা ২০ জুলাই ১৯৮৬ চনত বয়ান কৰিছে-ঢাকাৰ এজন আহমদী বন্ধু নিজৰ এজন বন্ধুৰ সম্বন্ধে যি এজন আহমদীয়ে নিলিখে যে মই তেওঁক ছিলছিলাৰ লিটৰেচাৰও দি থাকিছো আৰু কেছেটও শুনাই থাকিছো,যাৰ ফলত লাহে লাহে তেওঁৰ অন্তৰ পৰিৱৰ্তন হ'ব ধৰিলে। জামাতৰ লিটৰেচাৰৰ সৈতে মনোযোগ আকৰ্ষণ সৃষ্টি হ'ব ধৰিলে আৰু বৰ ইচ্ছুকৰ সৈতে লিটৰেচাৰ খুজি পঢ়িব ধৰিলে। সেই সময়ছোৱাত তেওঁৰ চকু এনেকুৱা ৰোগত আক্ৰান্ত হ'ল যে ডাক্তৰে কৈ দিলে যে তোমাৰ চকুৰ দৃষ্টি নাইকিয়া হৈ যাব যথাসম্ভৱ দুনিয়াৰ জ্ঞানৰ সৈতে সম্পৰ্ক আমি কোনো উপায় দেখিবলৈ নাপাওঁ যে তোমাৰ চকুৰ দৃষ্টি শক্তিক বচাব পাৰো। ইয়াৰ খবৰ যেতিয়া সেই অআহমদীয়ে জানিব পাৰিলে তেতিয়া তেওঁ তুচ্ছ কৰি ক'ব ধৰিলে আৰু পঢ়া আহদীয়তৰ কিতাপসমূহ। এই আহমদীৰ কিতাপসমূহ পঢ়ি তোমাৰ চকুত যি জাহান্নাম সোমাই আছে সেইটোৱেই তোমাৰ দৃষ্টি শক্তিক নাইকিয়া কৰিব ধৰিছে। এয়া তোমাৰ বাবে শাস্তি হয় যি তোমাৰ ভুগিব লগা হৈছে। তেওঁ এইবোৰ বিষয়ৰ উল্লেখ বৰ অস্থিৰতাৰ সৈতে আহমদীৰ ওচৰত প্ৰকাশ কৰে। তেওঁ কলে তুমি সন্তুষ্টিৰে থাকা তুমিও দোৱা কৰা আৰু মইয়ো দোৱা কৰো আৰু নিজৰ ইমামলৈ দোৱাৰ বাবে

লিখো তাৰ পিছত চোৱা তোমাৰ ওপৰত আল্লাহ তা'লাই কেনেকৈ কৃপা বৰ্ষিত কৰে। এই ঘটনাৰ কিছু দিনৰ ভিতৰতেই চকুৰ দৃষ্টি শক্তি উভতি আহিব ধৰিলে আৰু কিছু দিনৰ ভিতৰতেই পৰিপূৰ্ণ দৃষ্টি শক্তি আহি যায়। যেতিয়া দ্বিতীয়বাৰ ডাক্তৰক দেখুৱাবৰ বাবে গলো তেতিয়া ডাক্তৰে কলে এই ভয়ানক অসুখৰ কোনো চিহ্নই দেখিবলৈ নেপাওঁ।

(জমিমা মাহনাম খালিদ ৰাবৱা জুলাই ১৯৮৭)

হজৰত মছীহ মাওউদ (আঃ)য়ে কিমানেই সুন্দৰ ভাৱে কৈছে-

غیر ممکن کو یہ ممکن میں بدل دیتی ہے

اے میرے فلسفیو زورِ دُعا دیکھو تو

অনুবাদ ঃ অসম্ভৱক সম্ভৱপত পৰিণত কৰি দিয়ে

হে মোৰ প্ৰজ্ঞাকাৰী, দোৱা গৃহীতকাৰী চাই লোৱা

## যুগৰ ফিৰাউন জিয়াউল হকৰ বিফল; হুজুৰ শান্তিৰ সৈতে লণ্ডনলৈ গৈ পায়

যুগৰ ফিৰাউন ছদৰ (সভাপতি) পাকিস্তান জেনেৰল জিয়াউল হকে আহমদীৰ বিৰুদ্ধে ২৬ এপ্ৰিল ১৯৮৪ চনত বৃহস্পতিবাৰ দিনা এনেকুৱা নিৰ্দেশনা জাৰি কৰে যাৰ ফলত আহমদীসকলৰ ধাৰ্মিক স্বাধীনতাক কাঢ়ি লোৱা হয়। নিৰ্দেশনাৰ লঙ্ঘনকাৰীক কঠোৰ শাস্তি দিয়াৰ আইন নিৰ্ধাৰিত আছিল। এনেকুৱা পৰিৱেশ সৃষ্টি কৰি দিয়ে যে পাকিস্তানত অৱস্থান কালত যুগৰ খলিফাই নিজৰ ফৰজসমূহ কোনো ক্ষেত্ৰতেই আদায় কৰিব নোৱাৰিছিল।

কথা কেৱল ইমানতেই সীমাবদ্ধ নাছিল অৰ্থাৎ জিয়াউল হকে তেখেতৰ গ্ৰেপ্তাৰীৰ কৌশল বনাই লৈছিল আৰু তেখেতৰ গ্ৰেপ্তাৰী যিকোনো সময়তেই কাৰ্যকলাপলৈ আহিবলগীয়া আছিল। এনেকুৱা অৱস্থাত তেখেত পাকিস্তানৰ পৰা ওলাই অহাই উত্তম আছিল। এয়া প্ৰকৃততে খোদা তা'লাৰ কৌশল আছিল। জিয়াউল হকৰ বিফলতা আৰু তেখেত (ৰহঃ)ৰ প্ৰব্ৰজনৰ ঘটনা

বিস্তাৰিত ভাৱে নিম্নত উল্লেখ কৰা হৈ আছে।

সেই দিনবোৰত জামাত আহমদীয়াৰ ছদৰে মকাম ৰাবৱাৰ কঠোৰ ভাৱে নিৰীক্ষণ কৰি আছিল। এই নিৰীক্ষণ জেনেৰল জিয়াউল হকৰ পাঁচ ভিন্ন ভিন্ন গুপ্ত ব্যৱস্থাপনাই কৰি আছিল। ৰাবৱালৈ অহা-যোৱা কৰা সকলোবোৰ বাটত সেই গুপ্তচৰ কৰ্মকৰ্তা উপস্থিত থাকিছিল।

সেই লোকসকলক চিনাক্ত কৰা ইমান কঠিন নাছিল। পাকিস্তানৰ এটা ব্যৱস্থাপনা আভ্যন্তৰীণ সেনাৰ সৈতে সম্পৰ্ক ৰাখিছিল। এই তনজিমৰ কৰ্মকৰ্তাই ফকিৰৰ পোচাকত নিজৰ পোচাক পৰিৱৰ্তন কৰিছিল কিন্তু জানিব পৰা যায় যে দুনিয়াৰ ইতিহাসত অকল এইসকলেই এনেকুৱা ফকিৰ হৈ গৈছে যিসকলে নিজৰ ফকিৰৰ পোচাক পৰিধান কৰি মিলিটাৰীৰ বিশেষ ধৰণৰ গধুৰ বুট পিন্ধি আছিল।

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে এই সংকল্প দৃঢ় কৰি লৈছিল বৰঞ্চ তেখেতে আদেশ দিছিল যে তেখেতৰ ৰাওনা সম্বন্ধে কোনো ধৰণৰ ভুল বয়ান বা সন্দেহমূলক ধাৰণাৰে কেতিয়াও কাম নল'ব আৰু নে তেখেতে কোনো পোছাক পৰিৱৰ্তন কৰিব আৰু নে আন কাৰোবাৰ পাচপোৰ্ট লৈ ভ্ৰমণ কৰিব। যদি জেনেৰেল জিয়াউল হকৰ গুপ্ত তনজিমে কোনো আনন্দৰ উপভোগত লিপ্ত হৈ যায় সেয়া তেওঁৰেই কাম আৰু তেওঁৱেই জানি ল'ব।

২৯ এপ্ৰিল চন ১৯৮৪ ত নমাজে ফজৰৰ পিছত ৰাতিপুৱা হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে ৰাবৱাৰ পৰা যাত্ৰা হোৱা দেখিবলৈ পোৱা গ'ল। গাড়ীৰ পিছফালে এজন চাহাব উপস্থিত হয়। তেওঁ হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে পৰিধান কৰাৰ নিচিনা পোছাক পিন্ধি আছিল। শেৰৱানী পিন্ধি আছিল। তেওঁ পঞ্জাৱী পদ্ধতিত বগা পাগৰি পিন্ধা আছিল। হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)ৰ সাধাৰণতে সুৰক্ষাকাৰী তেখেতৰ লগতেই আছিল। এখন গাড়ী তেখেতৰ গাড়ীৰ আগত আৰু দুখন গাড়ী পিছে পিছে গৈ আছিল। সেই গাড়ীৰবোৰত তেখেতৰ সুৰক্ষাকাৰী আছিল,যিসকলৰ এজন এজন ব্যক্তিক গুপ্ত তনজিমে বৰ ভালদৰে জানিছিল আৰু তাৰ মাজৰ পৰা

প্ৰত্যেক ব্যক্তি নিজৰ নিজৰ স্থানত বহি থকা স্পষ্ট ভাৱে দেখিবলৈ পোৱা গৈছিল। বাটতে চলি থকা অৱস্থাত আকাদৰ আহমদীয়ে যেতিয়া এই কাফিলাক যাত্ৰা হোৱা দেখিবলৈ পালে তেতিয়া ভাৱিলে যে হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে দুই শ মাইল দূৰত অৱস্থিত ইছলামাবাদলৈ গৈ আছে। ৰাবৱাৰ নিৰ্ধাৰিত নিৰীক্ষণৰ ওপৰত চৰকাৰৰ গুপ্ত তনজিমৰ মাজৰ পৰা চাৰি গুপ্ত তনজিমৰ ধাৰণাও কম বেছি এয়াই আছিল। সেই তনজিমবোৰে নিজৰ অফিচাৰবিলাকক ৰিপোৰ্ট প্ৰেৰণ কৰে যে হজৰত খলিফাতুল চতুৰ্থই ৰাবৱাৰ পৰা ইছলামাবাদলৈ যাত্ৰা কৰাৰ বাবে ৰাওনা হৈ গৈছে আৰু তেওঁৰ কাফলাৰ পৰ্যায়ক্ৰমে পিছা কৰা হৈ আছে।

কিন্তু এই মৰুছেডিছ গাড়ীত হজৰত খলিফা ৰাৱে নহয় বৰং তেখেতৰ তৃতীয় ভাই চাহাবজাদা ডাক্টৰ মিৰ্জা মুনাৱৰ আহমদ আছিল। চাহাবজাদা মিৰ্জা মুনাৱৰ আহমদৰ কাফলাৰ যাত্ৰাৰ আগতে ৰাতি দুই বজাত মুখখন ঢাকা দুখন আৰু গাড়ী ৰাবৱাৰ পৰা যাত্ৰা কৰিছিল। এই গাড়ীবোৰ প্ৰথমে এটা তলফালৰ বাটেদি লালিয়া গৈ পায় যি সৰু এখন গাঁৱ হয়। তাৰ পিছত জিলাই ছদৰ মকাম ঝিঙ্গ আৰু অৱশেষত কৰাচী যাবলগীয়া শ্বাহিৰা কৰাচীৰ বাবে ইচ্ছাকৃত ভ্ৰমণ হৈ গ'ল। ৰাবৱাৰ পৰা কৰাচীৰ দূৰত্ব প্ৰায় ৭৫০ মাইল হয়। সেই দুখন গাড়ীৰ মাজৰ আগৰ গাড়ীত হজৰত খলিফাতুল ৰাৱে (ৰহঃ)ৰ বিশেষ সুৰক্ষাকাৰী কমিটি আছিল আৰু দ্বিতীয় গাড়ীত হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)য়ে নিজেই আছিল।

আগদিনা বৰি ফৌজৰ সন্ধানকাৰী ইউনিটৰ তৰফৰ পৰা বালাকোৰ অফিচাৰৰ ৰিপোৰ্ট অৰ্জিত হয় যে হজৰত খলিফাতুল ৰাৱেক ঝিঙ্কৰ ফালে গৈ থকা এখন গাড়ীত দেখিবলৈ পোৱা গ'ল। সম্ভৱত তেখেতে কৰাচীৰ ফালে গৈ আছিল। কিন্তু এই ৰিপোৰ্টৰ ফালে কোনো গুৰুত্ব দিয়া নহ'ল,কাৰণ বাকী চাৰি গোপন ইদাৰাসমূহৰ পৰা দিয়া সংবাদ এয়া আছিল যে হজৰত খলিফা ৰাৱে নিজৰ নিজৰ সুৰক্ষাকাৰী কৰ্মকৰ্তাৰ সৈতে ইছলামাবাদলৈ গৈ আছে। আৰু বাটত তেখেতে নিজৰ খুৱাৰ ল'ৰাৰ সৈতে ৰাতি কটায়...।

যদিওবা সেই সময় এই কথাৰ জ্ঞান হ'ব নোৱাৰিছিল কিন্তু কেই মাহ পিছত গৈ জানিব পৰা গ'ল যে সেই সময়ত হজৰত খলিফা ৰাৱে কোনোমতে গ্ৰেপ্তাৰ হোৱাৰ পৰা বাচি যায়। এয়াৰপোৰ্টৰ পাছপোৰ্ট কণ্ট্ৰল ৰুমৰ সন্মুখত জেনেৰল জিয়াউল হকৰ নিজৰ চহীৰ সৈতে জাৰি কৰা এক নিৰ্দেশ নামা পৰি আছিল। এই নিৰ্দেশ নামা সকলোবোৰ উৰা জাহাজ,সমুদ্ৰ আৰু বৰবি ৰাস্তাৰে অতিক্ৰম কৰা সকললৈ পৌচাই গৈছিল। হুকুম নামাৰ শব্দাৱলী এয়া আছিল-

মিৰ্জা নাচিৰ আহমদক যিয়ে নিজকে জামাতে আহমদীয়াৰ খলিফা বুলি কয় তেওঁ পাকিস্তানৰ ভূমি এৰাৰ কোনো ক্ষেত্ৰতেই অনুমতি নাই।

এই কাৰণে কৰাচী এয়াৰপোৰ্টত জাহাজৰ যাত্ৰা কিছু সময়ৰ বাবে পলম হয়,অৰ্থাৎ আশ্চৰ্যৰ কথা এয়া আছিল যে জেনেৰল জিয়াউল হকৰ খলিফা ছালিছ (তৃতীয়)ৰ বিষয়ে বেছি অৱগত আছিল সেই কাৰণেই তেওঁ ভুলতেই হুকুম নামাত হজৰত খলিফা ৰাৱেৰ অৰ্থাৎ হজৰত মিৰ্জা তাহিৰ আহমদৰ পৰিৱৰ্তে হজৰত খলিফা ছালিছ (তৃতীয়) অৰ্থাৎ হজৰত মিৰ্জা নাচিৰ আহমদৰ নাম নিজৰ হাতেৰে লিখি দিয়ে।

জেনেৰেল জিয়াউল হকে প্ৰতিবন্ধক লগায় আৰু এই প্ৰতিবন্ধক লগায় হজৰত খলিফা ছালিছ (তৃতীয়) ওপৰত, যিয়ে এই প্ৰতিবন্ধক লগোৱাৰ দুই বছৰ আগতে মৃত্যু বৰণ কৰিছিল।

হজৰত খলিফা ৰাৱেৰ পাছপোৰ্টত বিস্তাৰিত ভাৱে লিখা আছিল যে তেখেতৰ নাম হজৰত মিৰ্জা তাহিৰ আহমদ হয় আৰু এখেত বিশ্বৰ আহমদীয়া জামাতৰ ইমাম হয়।

এয়াৰপোৰ্টত দীৰ্ঘ সময় অপেক্ষাকালতে পাছপোৰ্ট কণ্ট্ৰোল অফিচৰ মগ্নতা দেখাৰ যোগ্য আছিল। এই পৰিস্থিতি ধাৰাবাহিকতাৰে ইছলামাবাদৰ পৰা যোগাযোগ কৰা হৈ আছিল। কিন্তু সঁচা এয়া যে সেই গতিক ৰোধ কৰাৰ নম্ৰ মস্তিষ্কৰ অফিচাৰো যদি থাকিলে হয়,তেতিয়া কেনেকৈ আৰু এয়াও ৰাতিৰ দুই বজাত ডিউটিত উপস্থিত হোৱা আমলা কমিটিয়ে কয় যে জনা যায় যে এয়া কোনো পুৰণি আদেশ হয় সম্ভৱত ইয়াৰ সময় অতিবাহিত হৈ গৈছে,বৰং

সঁচা সংবাদ এয়াই আছিল যে হজৰত খলিফা ৰাৱে ৰাবৱাৰ পৰা ইছ্লামাবাদলৈ যোৱাৰ বাবে যাত্ৰা কৰিছে আৰু এতিয়া ইছ্লামাবাদ অনতিপলমে আহি পাব। অৰ্থাৎ জাহাজক এৰি দিয়াৰ অনুমতি দি দিয়া হৈছিল...।

৩০ এপ্ৰিলত তেখেত ১২:৩০ বজাৰ কিছু আগতে মছ্জিদ ফজল লণ্ডল গৈ পায়। কম বেছি তিনিশ আহমদীয়ে তেখেতক স্বাগতম জনোৱাৰ বাবে উপস্থিত হৈছিল যিসকলে তেখেৰ অহাৰ কথা শুনি উপস্থিত হৈছিল।

তেখেতৰ প্ৰব্ৰজনৰ সংবাদ গোটেই দুনিয়াত বিয়পি পৰে। জেনেৰেল জিয়াউল হকে এই সংবাদ শুনি খণ্ডত উন্মাদ হৈ যায়....।

জেনেৰেল জিয়াউল হকৰ বিশ্বাস আছিল যে তেওঁ জামাত আহ্মদীয়াৰ ডিঙি চেপা মাৰি ৰাখি দিব। কিন্তু তেওঁৰ এই সকলোবোৰ চেষ্টা আৰু ইচ্ছাৰ পৰিপন্থী হৈ যায় আৰু তেওঁ এই তেহেৰিকক উন্নতি কৰাৰ আৰু ফলপ্ৰসূ হোৱাৰ এটা নিশ্চিত সুযোগ প্ৰদান কৰিলে। লণ্ডন আজিও বিভিন্ন জাতিৰ সম্পৰ্ক স্থাপন কৰাৰ আৰু মিলা-প্ৰীতিৰ এখন মগ্নতাপূৰ্ণ কেন্দ্ৰ হিচাপে ভূমিকা পালন কৰে।

(এক মৰদে খুদা পৃঃ ২৯২ ৰ পৰা ৩০৬)

## ফিৰাউনৰ যুগ জিয়াউল হকৰ ধ্বংস আৰু হুজুৰৰ আল্লাহৰ সৈতে সম্পৰ্ক স্থাপন

বদনাম যুগ হাকিম জেনেৰেল জিয়াউল হকে যেতিয়া আহ্মদী সকলৰ ওপৰত জুলুম আৰু অত্যাচাৰৰ সীমা অতিক্ৰম কৰি যায় তেতিয়া হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)য়ে তেওঁক মুবাহিলা (যুক্তি সঙ্গত তৰ্ক-বিতৰ্ক)ৰ চেলেঞ্জ দিয়ে। হুজুৰে তেওঁক সম্বোধন কৰি কয় যে যদি তুমি নিজৰ জুলুম ৰোধ কৰি দিয়া তেতিয়া আমি ভাৱিম যে তুমি মুবাহিলাৰ অস্বীকাৰ কৰিছা। তেখেতে তেওঁক (জিয়াউল হকক) খোদাৰ ভয় দেখুৱালে আৰু অত্যাচাৰৰ পৰা বিৰত থাকিবলৈ কলে।

১২ আগষ্ট ১৯৮৮ চনত খোতবা জুমাত হজৰত খলিফা ৰাৱে (চতুৰ্থ)য়ে

ঘোষণা কৰে যে জেনেৰেল জিয়াউল হকে শাব্দিক আৰু কাৰ্যকলাপত কোনো ক্ষেত্ৰতেই আহমদীসকলৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতি লজ্জিত হোৱা বুলি প্ৰকাশ নকৰিলে। বিষয় আল্লাহৰ অধীনত আছে। আমি তেওঁৰ কাৰ্যকলাপৰ সাক্ষীৰ অপেক্ষাত আছো। তেখেতে বিনম্ৰ শব্দত ঘোষণা কৰে-

এতিয়া জিয়াউক হকে আল্লাহৰ গ্ৰেপ্তাৰী আৰু সেইজনাৰ শাস্তিৰ পৰা বাচিব নোৱাৰে।

১৭ আগষ্ট ১৯৮৮ ইং চনত জেনেৰেল জিয়াউল হক আমেৰিকাৰ এক আজমাইশী তজুৰবা দেখিবলৈ বাহাউলপুৰলৈ গৈছিল। দুপৰীয়া প্ৰায় ৩:৩০ বজাত নিজৰ বিশেষ জাহাজ C-130 হৰকিউলাছত বহি উভতি অহাৰ বাবে যাত্ৰা কৰে। বাহাউলপুৰৰ পৰা ছয় মাইল দূৰত নদীৰ পাৰত কৃষকসকলে পথাৰত কাম কৰি আছিল। সিহঁতে এখন উৰা জাহাজ বতাহত ইফাল-সিফাল হোৱা দেখিবলৈ পায় যিয়ে সমুদ্ৰৰ ঢৌত ফাচি যোৱা নাওৰ নিচিনা UP & DOWN হৈ আছিল। তৃতীয়বাৰ UP & DOWN হোৱাৰ পিছত উৰা জাহাজখন ভূমিৰ ফালে আহে,পৰি যোৱাৰ লগে লগেই বালি মাটিৰ সৈতে সংঘৰ্ষ হৈ যায় আৰু এক বিস্ফোৰণৰ সৈতে জুই জ্বলি উঠে। ৩১ জন মানুহ সেই জাহাজত আছিল সকলোৰে মৃত্যু হয়।

হজৰত খলিফা ৰাৱে (ৰহঃ)য়ে দ্বিতীয় দিনা খোতবা জুমাত কয়,

"খোদা তা'লাই সিদ্ধান্ত কৰি দিলে"

তেখেতে জিয়াউল হকক খোদা তা'লাৰ গ্ৰেপ্তাৰী আৰু শাস্তিৰ পৰা সুৰক্ষাৰ সংবাদ আগতেই জনাই দিছিল কিন্তু জিয়াউল হকে এই সংবাদক গুৰুত্বপূৰ্ণ নেভাৱিলে যাৰ ফলত আকাশ আৰু ভূমিৰ মালিকৰ প্ৰজ্বলিত শাস্তিয়ে তেওঁৰ ডেউকা বতাহত উৰাই লয় আৰু সেই জেৰনেলসকলকো ধ্বংস কৰি দিয়ে যিসকলে তেওঁৰ অসৎ আদেশসমূহ মান্য কৰাৰ হাত আৰু বাহু আছিল।

হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)য়ে কৈছে-

"আমাৰ কেতিয়াও কোনো শত্ৰুৰ মৃত্যুত আনন্দ হোৱা উচিত (এক মৰদে

খুদা,পৃঃ ৩৭৭ ৰ পৰা ৩৮৪)

## কয়েদীসকলৰ মুক্তিৰ বাবে বিশেষ দোৱা

কয়েদীসকলৰ মুক্তিৰ এটা ঘটনা উত্থাপন কৰা হৈ আছে।

ছক্কৰ আৰু ছাহুৱালৰ কয়েদীসকলৰ ৰেহাই হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)ৰ অস্থিৰতাৰ সৈতে কৰা দোৱাৰ ফলত হয়। হুজুৰ আনোৱাৰ (ৰহঃ)য়ে ১৯৯১ চনত জলছা ছালানা কাদিয়ানলৈ গৈ পায়। যেতিয়া হুজুৰ নিজৰ পৰিদৰ্শন পৰিপূৰ্ণ কৰি উভতি লণ্ডনত উপস্থিত হয়,তাতে স্বাগতম জনোৱাৰ সময়ত সদস্যসকলক সম্বোধন কৰি কৈছে-

মই লণ্ডনলৈ উভতি অহাৰ বাবে কাদিয়ানৰ পৰা দিল্লী আহিছিলো আৰু দহ জানুৱাৰীৰ জুমাৰ নমাজ দিল্লীত পঢ়িব লগা আছিল। তাৰ পিছত মই সিদ্ধান্ত লওঁ যে Friday the 10th ৰ জুমা হয়। মই কাদিয়ানলৈ উভতি গৈ এই জুমা তাতে পঢ়োৱা উচিত আৰু ইয়াত কয়েদীসকলৰ মুক্তিৰ বাবে বিশেষ কৰি দোৱা কৰা উচিত। গতিকে মই কাদিয়ানলৈ উভতি আহিলো আৰু জুমাৰ নমাজ তাতে পঢ়ালো আৰু কয়েদীসকলৰ বাবে বহু দোৱা কৰিলোঁ। আগদিনা শনিবাৰ দিনা আমি অমৰিতছৰ ইষ্টেচনত গাড়ীৰ অপেক্ষাত বহি আছিলো যে তেতিয়া সংবাদ পাওঁ যে ছক্কৰৰ কয়েদীসকল মুক্তি পাই গৈছে।

আকৌ যেতিয়া ছাহিৱালৰ কয়েদীসকল ১৯৯৪ চনত মুক্তি পায় আৰু এই খবৰ ইয়াত নমাজে জোহৰৰ আগতে হজৰত খলিফাতুল মছীহ ৰাৱে (ৰহঃ)ৰ খিদমতত পৌচায়। হুজুৰ নমাজে জোহৰ পঢ়োৱাৰ বাবে উপস্থিত হয় আৰু নমাজ জোহৰ পঢ়োৱাৰ পিছত থিয় হৈ জনসাধাৰণক সম্বোধন কৰি কয় যে আজি ছাহুৱালৰ কয়েদীসকল দহ বছৰ পিছত ৰিহা হ'ল

হুজুৰ কয়,মই এই ৰমজানত সেই কয়েদীসকলৰ বাবে বিশেষ দোৱা কৰিছিলোঁ যে হে মোৰ আল্লাহ ! অহা ৰমজান সেই কয়েদীসকলৰ জীৱনত যেন নাহে,অৰ্থাৎ দোৱা ইমান সোনকালে আৰু মৰ্যাদাৰ সৈতে গৃহীত হ'ল যে সেই দোৱাৰ কিছুদিন পিছতেই এই কয়েদীসকল মুক্তি পাই যায়।

(বাহাৱালা আলফজল ইণ্টানেশনাল ২৫ চেপ্তেম্বৰ ২০১৫ চনৰ পৰা অক্টোবৰ

২০১৫ চন লৈ,পৃঃ ১৪)

## দোৱা গৃহীত হোৱাৰ ঈমান উদ্দীপক ঘটনা

হজৰত খলিফাতুল মছীহ ৰাবে (ৰহঃ)য়ে নিজৰ এটা ভাষণত দোৱা গৃহীত হোৱাৰ এক ঈমান উদ্দীপক ঘটনা বয়ান কৰে। হুজুৰ (ৰহঃ)য়ে কয়-

মই যেতিয়া ঘানা গৈ পাওঁ তেতিয়া তাতে এজন মূখ্য নানা আউচিফু চাহাব যিজন খ্ৰীষ্টান ধৰ্মৰ সৈতে সম্পৰ্ক ৰাখিছিল তেওঁ প্ৰথম ৰাতি মোৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিলে আৰু নমাজৰ পিছত বৈঠকত তেওঁ এয়াই ইচ্ছা কৰিলে যে আপোনাৰ হাতত বয়াত গ্ৰহণ কৰিব বুলি প্ৰকাশ কৰিলে। যেতিয়া মই মুৰব্বী চাহাবক কাৰণ সুধিলো তেতিয়া তেওঁ কলে এই (চিফ) সন্দেহৰ পূজাৰী কাহিন জাতিৰ সৈতে সম্পৰ্ক ৰাখে। তেওঁৰ স্ত্ৰীৰ সদায় গৰ্ভপাত হৈ যায়। তেওঁ খ্ৰীষ্টান পাদৰী আৰু দম কৰা সকলৰ ওচৰলৈ যায়, তথাপি কোনো উপকাৰ নহয়। যেতিয়া চাৰিওফালৰ পৰা নিৰাশ হৈ পৰে তেতিয়া ইমাম ওহাব আদম চাহাবৰ ওচৰলৈ যায় আৰু কয় যে মইতো খ্ৰীষ্টান হওঁ কিন্তু মোৰ খ্ৰীষ্টানৰ পৰা দোৱাৰ বিশ্বাস উঠি গৈছে। মই শুনা পাইছো যে খোদা আপোনালোকৰ দোৱা গৃহীত কৰে। আপুনি আপোনাৰ ইমামক মোৰ তৰফৰ পৰা সকলোবোৰ পৰিস্থিতি কৈ লিখক যে আমাৰ বাবে দোৱা কৰে যেন। অৰ্থাৎ ওহাব চাহাবে তেওঁৰ চিঠি মোলৈ প্ৰেৰণ কৰে ...মই তেওঁক উত্তৰত লিখিলো যে আপোনাৰ সন্তান জন্মিব,বৰ ধুনীয়া আৰু দীৰ্ঘ আয়ু প্ৰাপ্ত হ'ব। অৰ্থাৎ তেওঁৰ স্ত্ৰী গৰ্ভধাৰণ কৰিলে তেতিয়া ডাক্তৰে কয় যে এই সন্তান কেৱল মৰিয়েই নেযাব স্ত্ৰীয়ো মৰি যাব এই কাৰণে তুমি এই গৰ্ভধাৰণ নষ্ট কৰি দিয়া। সেই চিফে কলে কেতিয়াও নহয়। মোক জামাতে আহমদীয়াৰ চিঠি অৰ্জিত হৈছে; নে মোৰ স্ত্ৰীৰ কোনো ক্ষতি হ'ব,নে সন্তানৰ কোনো ক্ষতি হ'ব। অৰ্থাৎ খোদা তা'লাই সিহঁতক বৰ ধুনীয়া স্বাস্থ্যবান সন্তান দান কৰিলে আৰু তেওঁৰ বেগম চাহিবাও স্বাস্থ্যবান থাকে। দোৱা গৃহীত হোৱাৰ এই নিদৰ্শন চাই সিহঁতৰ ইচ্ছা হৈছিল যে মোৰ হাতত বয়াত গ্ৰহণ কৰিব,এই কাৰণেই সিহঁতে পলম কৰি থাকিলে।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা অক্টোবৰ ২০১৫ ইং চন, পৃঃ ১৫)

# হজৰত আকদছ খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ঈমান উদ্দীপক ঘটনাসমূহ

খিলাফৎ আহমদীয়াৰ পঞ্চম তাজ আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ পৌত্ৰ (হজৰত মছীহ মাওউদ আঃ ৰ ল'ৰাৰ ল'ৰাৰ ল'ৰা) আৰু হজৰত মিৰ্জা শ্বৰিফ আহমদ চাহাব (ৰাঃ)ৰ নাতি,আৰু হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ ছোৱালীৰ ল'ৰা হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব খলিফাতুল মছীহ পঞ্চম (আইঃ) হয়।

তেখেতেও رَجُلٌ আৰু رِجَالٌ مِن هٰؤُلَاءِ ৰ সত্যায়ন আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ নিম্ন লিখিত দিব্য দৰ্শন আৰু ইলহামবোৰৰ সত্যায়ন আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ সততাৰ উজ্জ্বল নিদৰ্শন হয়।

(১) শ্বৰীফ আহমদক সপোনত দেখে যে তেওঁ পাগৰী বান্ধা হোৱা অৱস্থাত আছে আৰু দুজন মানুহ তেওঁৰ ওচৰতেই থিয় হৈ আছে। এজনে শ্বৰীফ আহমদ চাহাবক ইঙ্গিত কৰি কলে যে,

সেই বাদশ্বাহ আহিছে

আনজনে কলে এতিয়াতো তেওঁ কাজী হ'ব

কৈছে কাজী হুকুমক (আদেশক)ও কোৱা হয়। কাজী সেইজন হয় যিয়ে সত্যৰ সহায়ক হয় আৰু বাতিলক ৰদ কৰে।

(বদৰ জিলদ ৬ নম্বৰ ১১, তাৰিখ ১০ জানুৱাৰী ১৯০৭ ইং পৃঃ ৩, (তজকিৰা পৃঃ ৫৮৪)

(২) আৰু اِنِّیْ مَعَكَ یَا مَسْرُوْرُ (তজকিৰা পৃঃ ৬৩০ বদৰ জিলদ ৬,নম্বৰ ৫১, তাৰিখ ১৯ ডিচেম্বৰ ১৯০৭ ইং পৃঃ ৪-৫)

অৰ্থাৎ হে মছৰুৰ মই তোমাৰ সৈতে আছো। আৰু এতিয়া তুমি আমাৰ ঠাইত বহা আৰু আমি যাওঁ।

(বদৰ জিলদ ৬, নম্বৰ ২০১ তাৰিখ ১০ জানুৱাৰী ১৯০৭ ইং পৃঃ ২,তজকিৰা পৃঃ ৪০১)

তেখেতৰ কল্যাণময় যুগত হজৰত মছীহ মাওউদ (আঃ)ৰ এই ইলহামও মহান মৰ্যাদাৰে পূৰ্ণ হৈছে।

يدعُون لك ابدال الشّام وعباد الله من العرب

অৰ্থাৎ তোমাৰ বাবে শ্বামৰ ওলিউল্লাই দোৱা কৰে আৰু খোদাৰ ভৃত্য আৰবৰ পৰা দোৱা কৰে আৰু

يُصلّون عليك صُلحاء العرب وآبدالُ الشّام

(অৰ্থাৎ চুলহায়ে আৰব আৰু আবদালে শ্বাম (শ্বামৰ ওলিউল্লাহ)য়ে তোমাৰ ওপৰত দৰূদ প্ৰেৰণ কৰে)

আল্লাহ তা'লাই নিজৰ নিয়ত অনুযায়ী আৰব ৰাষ্ট্ৰত প্ৰচাৰ আৰু আহমদীয়ত বিস্তাৰ লাভ কৰাৰ বাবে ঐশ্বৰিক দুৱাৰ মুকলি কৰি দিয়ে। এই ক্ষেত্ৰত ঈমান বৰ্দ্ধক ঘটনা নিম্নত উল্লেখ কৰা হৈ আছে,

মাননীয় মুনিৰ উদা চাহাবে বয়ান কৰিছে যে হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)য়ে এবাৰ আৰবসকলৰ বাবে আৰবী ভাষাত ভাষণ ৰিকাৰ্ড কৰোৱাৰ ইচ্ছা কৰিছিল কিন্তু এয়া কয় যে মোৰ ধাৰণা হয় যে এতিয়া ইয়াৰ বাবে সময় অহা নাই। আনফালে যেতিয়া হজৰত খলিফাতুল মছীহ আল-খামিছ (পঞ্চম) আইঃ ক আল্লাহ তা'লাই খলিফা নিৰ্বাচিত কৰে তেতিয়া হুজুৰ (আইঃ) য়ে কয় যে মোৰ যুগত "আৰবত তবলিগৰ বাবে বাট মুকলি হ'ব আৰু আৰবত আহমদীয়ত বিস্তাৰ লাভ কৰিব..." অৰ্থাৎ হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ কল্যাণমণ্ডিত যুগত এতিয়ালৈ পোনে আঠ বছৰৰ সময়ছোৱাত কেৱল আৰবত তবলিগৰ উদ্ধৃতিত খোদা তা'লাৰ তকদিৰ মতে যি গুৰুত্বপূৰ্ণ কাম হৈছে...এই বিপ্লব আৰু উন্নতিয়ে কৈ আছে যে হুজুৰ আনোৱাৰ (আইঃ)ৰ এই শব্দ মোৰ কাৰ্যকালত "আৰবত প্ৰচাৰৰ বাবে বাট মুকলি হ'ব আৰু আৰবত আহমদীয়ত বিস্তাৰ লাভ কৰিব" খোদা তা'লাৰ তৰফৰ পৰা শুভ-সংবাদ আছিল যি পৰিপূৰ্ণ হোৱাৰ আমি সাক্ষী হওঁ।

(মুচালিহুল আৰব জিলদ দ্বিতীয় পৃঃ ৩৪৯-৩৫১)

প্ৰোগ্ৰাম الحوار المباشر ত ২৭ মে চন ২০০৮ ৰ দিন এক মহান মৰ্যাদা

আৰু কল্যাণমণ্ডিত দিন হয়। সেই দিনা ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) নিজেই এই প্ৰোগ্ৰামত অংশ গ্ৰহণ কৰে আৰু নিজৰ অস্তিত্বৰে তাক কল্যাণমণ্ডিত আৰু সৌন্দৰ্যময় কৰি তোলে।

তাৰ পিছত ৮ জুন ২০০৮ চনৰ দিনা সেই মাহৰ الحوار المباشرৰ শেষ (Episide) আছিল। হুজুৰ এই প্ৰোগ্ৰামত অংশ গ্ৰহণ কৰে আৰু প্ৰায় ১৬ (ষোল) মিনিটলৈকে অংশ গ্ৰহণ কৰি আৰববাসীলৈ ভাষণ প্ৰদান কৰে।

হুজুৰ আনোৱাৰে এই খিতাপৰ বিষয়ে কয় এজন অআহমদী বন্ধু মাননীয় উমাদ আব্দুল বদি চাহাব আফ মিচৰে লিখিছে ঃ-

মই টেলিভিচনৰ সন্মুখত বহু কম বহিছিলো কিন্তু অসুস্থতাৰ কাৰণে এদিন বহি বিভিন্ন চেনেল বদলাই আছিলো ইমানতে তেখেতৰ এই চেনেল পাই যাওঁ,অৰ্থাৎ মোক এক খাজানা প্ৰাপ্ত হ'ল। যদি মই অসুস্থ নহ'ল হয় তেন্তে এই খাজানাৰ পৰা বঞ্চিত থাকিল হয়। ইয়াৰ ওপৰত মই খোদা তা'লাৰ ধন্যবাদ জ্ঞাপন কৰো কাৰণ মোৰ মস্তিষ্কত ধৰ্মৰ বিষয়ে বহু পৰিমাণে প্ৰশ্ন উত্থাপন হৈছিল যাৰ উত্তৰ মোৰ কেতিয়াও জনা নাছিল। আৰু কোনোবাই মোক সন্তুষ্টি কৰিব নোৱাৰিছিল। খোদা সাক্ষী যে এই চেনেল আৰু তাৰ পৰিচালনাকাৰী পুণ্য লোক মোৰ বিষৰ ঔষধ হৈ যায় বৰঞ্চ মই মোৰ বিষম ৰোগৰ সকলোবোৰ কষ্ট পাহৰি গৈ মাহদীৰ খলিফাৰ ভালপোৱাত বাধ্য হৈ ইণ্টাৰনেট কোফালৈ যাওঁ যাতে এই চিঠি প্ৰেৰণ কৰো। তেখেতৰ চেনেল এই দুনিয়াত আশ্বস্ত জগোৱাৰ এক নিৰালা জেউতি হয়। তেওঁৰ ওচৰত মহম্মদী ফয়জেৰ খাজানা আছে।

যেতিয়া হুজুৰ আনোৱাৰ الحوار المباشر ত অংশ গ্ৰহণ কৰে তেতিয়া সেইজন বন্ধুৱে লিখে ঃ-

এইবাৰ যেতিয়া হজৰত খলিফাতুল মছীহ ইষ্টুডিঅত অংশ গ্ৰহণ কৰে তেতিয়া মই নিজৰ উৎসা ধৰি ৰাখিব নোৱাৰিলো আৰু লগাতাৰ কান্দিব ধৰিলো। মোৰ এনেকুৱা অনুতাপ হ'ল যে মই আঁ-হজৰত (ছাঃ)ৰ চাহাবীৰ বৈঠকত উপস্থিত আছো আৰু আঁ-হজৰত (ছাঃ)ৰ কল্যাণময় যুগত আছো।

মোৰ সকলোবোৰ কষ্ট আৰু বেদনা পাহৰি গলো। তেখেতৰ প্ৰোগ্ৰাম বহু ধুনীয়া আৰু মনোহৰ আছিল আৰু এয়া এন্ধাৰক জ্যোতিৰে পৰিপূৰ্ণ কৰিছিল। (মচালিহুল আৰব জিলদ দ্বিতীয়, পৃঃ ৪৩১-৪৩২)

অৰ্থাৎ ছৈয়দিনা হুজুৰ আনোৱাৰ (আইঃ)ৰ খিলাফৎ কালত আৰবত প্ৰচাৰ,ৰুহানি খাজাইন আৰবী ভাষালৈ অনুবাদ,আৰবীত লাইভ প্ৰোগ্ৰাম,এম.টি.এ আলআৰবীয়া ৩ ৰ জাৰি আৰু তেখেতৰ আৰবী ভাষাত ভাষণ প্ৰদান কৰা,সেইবোৰ ঈমান উদ্দীপক ঘটনাসমূহ হয় যিয়ে আমাৰ ঈমানক উন্নতিৰ মাধ্যম আৰু খিলাফতে আহমদীয়া আল্লাহৰ তৰফৰ পৰা জীৱিত প্ৰমাণ হয়। আলহামদুলিল্লাহ আলা জালিকা-

## দোৱা গৃহীত হোৱাৰ এক জীৱিত আৰু পাহৰি নোযোৱাৰ ঘটনাসমূহ

৪ মে চন ২০০৮ বৃহস্পতিবাৰৰ দিন আছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে আন্তৰাষ্ট্ৰত থকা কালীন অৱস্থাত নান্দি ফজিত আছিল। ৰাতি প্ৰায় ২:৩০ মিনিট বাজিছিল যে ৰাবৱা,লণ্ডন আৰু দুনিয়াৰ বিভিন্ন ৰাষ্ট্ৰসমূহৰ পৰা ফোন অহা আৰম্ভ হৈ যায়। সেই সময়ত টেলিভিচনত যি খবৰ আহি আছিল সেইমতে এক বহুত ডাঙৰ ছুনামী তুফান ফজিৰৰ লগতেই এলেকা Tonga ত আহে আৰু এই তুফানৰ শক্তিৰ প্ৰবল ইমান আছিল যে ইণ্ডোনেশিয়াৰ ছুনামীতকৈ ডাঙৰ আছিল। যিয়ে লাখ মানুহক বুৰাই দিছিল; আৰু পৃথিৱীৰ কেইবা ৰাষ্ট্ৰসমূহ ধ্বংস কৰি দিছিল। যেতিয়া টেলিভিচন অন কৰো তেতিয়া এই খবৰেই আহি আছিল যে ছুনামী ধাৰাবাহিক ভাৱে প্ৰবলতা আৰু ভয়ানক ৰূপ লৈ আছে,আৰু ৰাতিপুৱাৰ সময়লৈকে নানদী ফজিৰৰ সকলোবোৰ এলেকা বুৰাই দিব। ৰাতিপুৱা ৪:৩০ বজাত যেতিয়া হুজুৰ ফজৰৰ নমাজৰ বাবে উপস্থিত হয় তেতিয়া হুজুৰ আনোৱাৰৰ খেদমতত এই তুফানৰ বিষয়ে ৰিপোৰ্ট উত্থাপন হয় আৰু যি তুফান নিয়ন্ত্ৰণৰ বাবে সংবাদ ফোনৰ মাধ্যমে অৰ্জিত হৈছিল সেই সম্বন্ধে কলে,হুজুৰ আনোৱাৰ (আইঃ)য়ে ফজৰৰ নমাজ

পঢ়ালে আৰু বৰ দীৰ্ঘ সময়লৈ ছিজদাৰত অৱস্থাত থাকে আৰু খোদাৰ তা'লাৰ আস্থানত প্ৰাৰ্থনা কৰে,নমাজ পঢ়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে জামাতৰ সদস্যসকলক সম্বোধন কৰি কয় যে চিন্তা নকৰিব আল্লাহ তা'লা কৃপা বৰ্ষিত কৰিব,একোৱে নহ'ব।

তাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে উভতি যায়,উভতি অহাৰ পিছত আমি টেলিভিচন অন কৰিলোঁ তেতিয়া টেলিভিচনত এই খবৰ অহা আৰম্ভ হয় যে এই ছুনামীৰ প্ৰবলতা হ্ৰাস পাইছে আৰু লাহে লাহে ইয়াৰ ভয়ানক ৰূপ অন্ত পৰি আছে। আকৌ প্ৰায় দুই আঢ়াই ঘণ্টা পিছত এই সংবাদ আহে যে এই তুফানৰ অস্তিত্বৰ অন্ত পৰিছে। অৰ্থাৎ এই দুনিয়াই আশ্চৰ্যমূলক দৃশ্য দেখিবলৈ পালে যে সেই ছুনামী,যিয়ে অহা কেইঘণ্টাত লাখ মানুহক বুৰাই গোটেই এলেকাৰ অস্তিত্বৰ অন্ত কৰিল হয় যুগৰ খলিফাৰ দোৱাৰ মাধ্যমে কেই ঘণ্টাৰ মাজতেই ইয়াৰ অস্তিত্বৰ অন্ত পৰে। সেই দিনা ফজিৰ পত্ৰিকাই এই সংবাদ প্ৰকাশ কৰে যে ছুনামীৰ অন্ত পৰা কোনো অলৌকিক নিদৰ্শনতকৈ কম নহয়...এই অলৌকিক ঘটনা যুগৰ খলিফাৰ দোৱাৰ মাধ্যমে অন্ত পৰে। গতিকে আজিৰ  উন্নতি জামাত আহমদীয়া মাধ্যম হয়। তাতে দুনিয়াত জীৱন নিৰ্বাহ খিলাফতে আহমদীয়ৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ সৈতে সংলগ্ন বুলি কৰি দিয়া হৈছে।

আজি জামাতে আহমদীয়াৰ প্ৰত্যেক ব্যক্তি হজৰত মছীহ মাওউদ (আঃ)ৰ সেই শব্দৰ সত্যায়নৰ সাক্ষী হৈ পৰিছে।

খোদাৰ শপত ! আজি মছীহ মাওউদ (আঃ)ৰ খলিফাৰ সহায়ত আৰু এটা ভাষা কওঁতে আমি নিজ চকুৰে দেখিছো আৰু নিজৰ কৰ্ণই শ্ৰৱণ কৰিছে। খলিফাতুল  মছীহৰ হাতৰ ক্ষমতাৰ বাবে আৰু এখন হাত আছে যি গোটেই দুনিয়া চাই আছে আৰু দুনিয়াৰ ডাঙৰ ডাঙৰ সহায়কাৰীসকলে নিজৰ মুখেৰে এই সাক্ষী প্ৰদান কৰিছে যে কল্যাণমণ্ডিত অস্তিত্বৰ পিছত খোদাৰ তা'লাৰ হস্ত আছে এয়া খোদা তা'লাৰ সাহায্যকাৰী অস্তিত্ব হয়। গতিকে আমি আজি কিমান সৌভাগ্যবান যে প্ৰত্যেক দিনা নিজৰ  চকুৰে নিজৰ প্ৰিয় আকা

হজৰত আমিৰুল মোমিনুন (আইঃ)ৰ মহান কাৰ্যকালত জামাতৰ উন্নতি আৰু বিপ্লবৰ দৃশ্য প্ৰত্যেক দিনা দেখিবলৈ পাই আছো গতিকে উঠা আৰু নিজৰ আধ্যাত্মিক উন্নতিৰ বাবে খলিফাৰ চৰণত নিজৰ মূৰ ৰাখি দি নিজকে খলিফাৰ হাতত এনেকুৱা বাবে ন্যস্ত কৰক যেনেকুৱা গুচ্ছালৰ (গোচল দিওঁতা সকলৰ) অধীনত মৃতকক দি দিয়ে। ইয়াতে আমাৰ সফলতা আছে আল্লাহ তা'লা সৌভাগ্য প্ৰদান কৰক।

(আজ আহমদী গেজেট কেনেডা মে ২০১৫)

হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে জামাতৰ সদস্যবৃন্দ সকলক দোৱাৰ আবেদন জনাই কয়,

স্মৰণ ৰখা যে সেইজনা সত্য অঙ্গীকাৰকাৰী খোদা হয়। সেইজনা আজিও নিজৰ প্ৰিয় মছীহৰ এই প্ৰিয় জামাতত হাত ৰখা আছে। তেওঁ আমাক কেতিয়াও নেৰিব,কেতিয়াও নেৰিব,কেতিয়াও নেৰিব।

সেইজনা আজিও নিজৰ মছীহৰ সৈতে কৰা প্ৰতিশ্ৰুতিক সেইদৰেই পূৰ্ণ কৰে যেনেকুৱা সেইজনা প্ৰথম খলিফাৰ সৈতে কৰিছে। সেইজনা আজিও সেইদৰেই দান কৰে যিদৰে পূৰ্বতে দান কৰিছিল,আৰু ইনশা আল্লাহ প্ৰদান কৰিয়েই থাকিব। কিন্তু জৰুৰী যে কোনো ব্যক্তি আল্লাহ তা'লাৰ নিৰ্দেশনাৱলীৰ ওপৰত কাৰ্যকৰী নহৈ নিজেই যেন প্ৰবঞ্চনাত নপৰে। নিজৰ পৰিণাম বেয়া নকৰিব,অতএৱ দোৱা কৰি থাকি সেইজনাৰ ফালে অৱনত হ'ব আৰু সেইজনাৰ কৃপা বিচাৰি থাকিব সেইজনাৰ চৰণত পৰি থাকিব আৰু সেই শক্তিশালী ৰচীক ধৰি ৰাখিব তেতিয়া কোনোবাই নিজৰ চুলি পৰ্যন্ত বেকা কৰিব নোৱাৰিব। আল্লাহ তা'লা ইয়াৰ সৌভাগ্য প্ৰদান কৰক।

(খুতবাতে মছৰুৰ জিলদ ২ পৃঃ ৩৫৪)

## অলৌকিক নিদৰ্শন ৰূপে বৰষুণ থমি যোৱাৰ ঘটনা

চন ২০০৪ ত আফ্ৰিকাৰ পৰিদৰ্শনৰ সময়ত যেতিয়া হজৰত খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে নাইজেৰিয়াৰ পৰা বেনাইন গৈ পায় আৰু মিচন হাউচ গৈ পাওতেই নমাজে আচৰৰ সময় হৈছিল। ধাৰাবাহিক ভাৱে

বৰষুণ হৈ আছিল। নমাজৰ বাবে চৌতালত মাৰকী লগোৱা হৈছিল, যি চাৰিওফালৰ পৰা খোলা আছিল আৰু বৰষুণৰ কাৰণে তাতে নমাজ পঢ়া অসুবিধা হৈছিল,বৰং থিয় হ'ব পৰাও নগৈছিল। হুজুৰ বাহিৰত উপস্থিত হৈ নমাজ পঢ়া সম্পৰ্কে কলে,আমিৰ চাহাবে কলে যে এতিয়া ধাৰাবাহিক ভাৱে বৰষুণ হৈ আছে আৰু নমাজৰ বাবে বাহিৰত মাৰকি লগোৱা হৈছে কিন্তু বৰষুণৰ কাৰণে অসুবিধা হৈ আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে আকাশৰ ফালে দৃষ্টি নিক্ষেপ কৰি কলে,দহ মিনিট পিছত নমাজ পঢ়া হ'ব। তাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে উপস্থিত হয় এতিয়া দুই তিনি মিনিট অতিক্ৰম কৰিছিল যে বৰষুণ একেবাৰে থমি গৈছিল। আকাশ পৰিষ্কাৰ হৈ যায়। চাই থাকোতেই ৰ'দ ওলাই আহিল সেই মাৰকীৰ তলত নমাজৰ ব্যৱস্থা কৰা হ'ল। স্থানীয় সদস্যবৃন্দসকলে এই নিদৰ্শন চাই আশ্চৰ্য হয় যে ইয়াত যদি বৰষুণ আৰম্ভ হৈ যায় কেইবা ঘণ্টা চলি থাকে। হুজুৰ দহ মিনিট কলে আৰু এয়া তিনি মিনিটৰ ভিতৰেই অন্ত পৰে আৰু নে কেৱল অন্তই পৰে, বৰং বাদলও অদৃশ্য হৈ গ'ল।

এইদৰে কেনেডাৰ পৰিদৰ্শনৰ সময়ত যেতিয়া কেলগৰি মছজিদৰ বুনিয়াদ ৰাখিবলগীয়া আছিল তেতিয়া এদিন আগতে আমিৰ চাহাবে হুজুৰ আনোৱাৰ (আইঃ)ৰ খিদমতলৈ আবেদন জনায় যে বতৰ বৈজ্ঞানিকৰ ভৱিষ্যদ্বাণী মতে কালিৰ বতৰ বৰ বেয়া,প্ৰচুৰ বৰষুণ আৰু তুফান হ'ব, আৰু কালি পুৱাতে মছজিদৰ বুনিয়াদ ৰখা হ'ব। অতিথিসকলও আহি আছে,আমিৰ চাহাবে দোৱাৰ বাবে আবেদন জনায়।

ইয়াৰ ওপৰত হুজুৰ আনোৱাৰ (আইঃ)য়ে কিছু সময় ৰৈ থাকি কলে যি মছজিদৰ বুনিয়াদ আমি ৰাখিবলৈ গৈ আছো সেইটো খোদা তা'লাৰ ঘৰ হয় আৰু বতৰ খোদাৰ তা'লাৰ হাতত আছে। এই কাৰণে তাক খোদা তা'লাৰ হাতত এৰি দিয়ক। আল্লাই ফজল কৰিব-

অৰ্থাৎ আগদিনা ৰাতিপুৱা বৰষুণৰ কোনো চিহ্ন দেখিবলৈ পোৱা নগৈছিল। বৰ ভাল বতৰ আছিল। মছজিদৰ বুনিয়াদৰ অনুষ্ঠান হয়,প্ৰায় দুই ঘণ্টাৰ প্ৰোগ্ৰাম আছিল। অনুষ্ঠান অন্ত পৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে উভতি অহাৰ বাবে যেতিয়া নিজৰ গাড়ীত বহিলে আৰু গাড়ীৰ দুৱাৰখন বন্ধ হোৱাৰ লগে লগেই হঠাৎ কৰি ইমান জোৰে বৰষুণ আৰম্ভ হয় আৰু লগতে প্ৰবল বতাহ ববলৈ ধৰিলে যি লগাতাৰ তিনি ঘণ্টালৈকে জাৰি থাকিল।

এয়া এটা নিদৰ্শন আছিল যি হুজুৰ আনোৱাৰ (আইঃ)ৰ দোৱাৰ মাধ্যমে প্ৰকাশ পায় আৰু প্ৰত্যেকৰে হৃদয় এই নিদৰ্শনক চাই আল্লাহৰ আস্থানত ছিজদাৰত হৈছিল।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ ২০১৫, পৃঃ ১৪)

## এয়া কেনেকৈ হ'ল ? কোনেও নেজানে

এয়া দুই বছৰ পূৰ্বৰ ঘটনা হয় যে আৰব ৰাষ্ট্ৰত আমাৰ এজন পুণ্যবান নতুন বয়াতকাৰী আহমদী বন্ধুক পুলিচে কেৱল এই কাৰণেই কয়েদ কৰি লৈছিল যে তেওঁ আহমদী গ্ৰহণ কৰিছিল। তেওঁক গধুৰ হাতকড়া পিন্ধাই কাৰাগাৰত সোমাই দিছিল আৰু জমানত নিদিলে আৰু তেওঁৰ সৈতে মিলা-প্ৰীতি বন্ধ কৰি দিলে। অতিশয় অত্যাচাৰমূলক ব্যৱহাৰ কৰিছিল। কোনো স্থানীয় উকিলে গোচৰ ল'বলৈ প্ৰস্তুত নাছিল। বাহ্যিক ৰূপত সকলোবোৰ পাৰ্থিৱ পথ বন্ধ দেখিবলৈ পোৱা গৈছিল। কিন্তু খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে তেওঁৰ মুক্তিৰ বাবে লগাতাৰ দোৱা কৰি আছিল। এদিনাখন হুজুৰ (আইঃ)য়ে কলে,ইনশা আল্লাহ তেওঁ মুক্তি পাই যাব,এফালে হুজুৰৰ দোৱা আছিল আনফালে ৰেহাইৰ সকলোবোৰ বাট বন্ধ আছিল।

হুজুৰ আনোৱাৰৰ দোৱা গৃহীত হোৱাৰ নিদৰ্শন এইদৰে প্ৰকাশ পালে যে সেই আৰব বাদশ্বাহৰ বাদশ্বাহই এটা অনুষ্ঠানৰ সময়ত কিছুমান কয়েদীসকলৰ মুক্তিৰ ঘোষণা কৰে সেই ৰেহাই পোৱা সকলৰ মাজত প্ৰথম নাম আমাৰ নতুন বয়াতকাৰী আহমদী আছিল। এয়া কেনেকৈ হ'ল ? কোনেও নেজানে।

কিন্তু আমি এয়া জানো যে খলিফাৰ মুখৰ পৰা এই শব্দ ওলাইছিল যে ইনশা আল্লাহ মুক্তি পাই যাব।

মহান নিদৰ্শনাৱলী,মহান বিশুদ্ধতাক বিচাৰে।এই আৰব বন্ধুৰ কাৰণে যুগৰ খলিফাৰ দোৱা গৃহীত হোৱাৰ এই নিদৰ্শন এনেই প্ৰকাশ পোৱা নাই অৰ্থাৎ তাৰ কাৰণ তেওঁৰ যুগৰ খলিফাৰ সৈতে বিশুদ্ধ ৰূপে সহানুভূতিৰ সম্পৰ্ক আছিল। যেতিয়া তেওঁক কাৰাগাৰত সোমাই দিয়া হয় তেওঁক বাৰে বাৰে কোৱা হয় যে আহমদী এৰি দিলে তোমাক এৰি দিয়া হ'ব। কিন্তু তেওঁৰ উত্তৰ আছিল, মই প্ৰাণ দি দিম তথাপি আহমদী এৰি নিদিম।

এই আৰবৰ বন্ধুৱে কাৰাগাৰৰ পৰা খলিফাতুল মছীহৰ সেৱালৈ লিখে যে মোৰ এলেকাত ন খন মান পাহাৰ আছে আৰু এই এলেকাৰ দহটা পাহাৰৰ এটা মই হওঁ,কোনো ভাবুকি,কোনো লালসে মোৰ ঈমান দুৰ্বল কৰিব নোৱাৰে। অৰ্থাৎ তেওঁৰ এনেকুৱাই বিশুদ্ধতা আছিল যে যুগৰ খলিফাৰ দোৱাৰ ফলত তেওঁৰ পক্ষে দোৱা গৃহীত হ'ল আৰু আকাশৰ পৰা খোদাৰ তকদিৰে সেই বাদশ্বাহৰ কলমেৰে পোন প্ৰথমে সেই নতুন আৰব আহমদীৰ নাম লিখোৱায় আৰু গোটেই ৰাস্তা বাহ্যিক ৰূপত বন্ধ হোৱাত সেই নিষ্পাপজনৰ মুক্তিৰ বাবে আকাশৰ পৰা বস্তু সৃষ্টি হোৱাৰ ব্যৱস্থা কৰি দিয়ে।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ ২০১৫ চনলৈ পৃঃ ১৪-১৫)

## যদি ল'ৰা জন্ম পায় তেতিয়া আহমদী হৈ যাম

এই বছৰ (অৰ্থাৎ চন ২০১৫-অনুবাদক) জলছা ছালানা জাৰ্মানীত বালগাৰিয়াৰ এজন পুণ্যবান নতুন আহমদী বন্ধু Etem চাহাব নিজৰ পৰিয়ালৰ সৈতে চামিল হয়। ব্যক্তিজনে কেইবা বছৰ আগতে খ্ৰীষ্টানৰ পৰা ইছলাম গ্ৰহণ কৰিছিল। কিন্তু তেওঁৰ স্ত্ৰীয়ে বয়াত কৰা নাছিল।

তেওঁৰ স্ত্ৰীয়ে কৈছিল মোৰ তিনিজনী ছোৱালী আছে। যদি মোৰ ল'ৰা জন্ম হয় তেতিয়া মই আহমদী হৈ যাম। তাই হজৰত খলিফাতুল মছীহৰ সেৱালৈ দোৱাৰ কাৰণে লিখিলে। অহা বছৰ যেতিয়া তেওঁ দ্বিতীয় বাৰ জলছাত

অংশ গ্ৰহণ কৰিলে তেতিয়া তেওঁৰ স্ত্ৰী সাত মাহৰ গৰ্ভৱতী আছিল। সাক্ষাতৰ সময়ত সিহঁতে সন্তানৰ নাম ৰখাৰ বাবে আবেদন জনালে, তেতিয়া হুজুৰ কেৱল ল'ৰাৰ নাম **জাহিদ** ৰাখিলে।

জলছাৰ পৰা উভতি গৈ সেই ব্যক্তিজনে মুবাল্লিগক কলে যে ডাক্তৰে কৈছে যে ছোৱালী জন্ম পাব সেই কাৰণে হুজুৰ আনোৱাৰৰ সেৱালৈ দ্বিতীয় বাৰ আবেদন জনাওক যে ছোৱালী নাম যেন ৰাখে। এই কথাৰ উত্তৰত মুবাল্লিগে কলে যে আপুনি কৈছিলে যে যদি ল'ৰা জন্ম পায় তেতিয়া মই আহমদী হৈ যাম,আৰু হুজুৰ আনোৱাৰে ল'ৰাৰ নাম নিৰ্ণয় কৰিছে,সেই কাৰণে ইনশা আল্লাহ ল'ৰাই জন্ম পাব,ডাক্তৰে যি ইচ্ছা কওঁক,সিহঁতৰ মেচিনে যি ইচ্ছা প্ৰকাশ কৰক কিন্তু আপোনাৰ ল'ৰাই জন্ম গ্ৰহণ কৰিব কাৰণ খলিফাতুল মছীয়ে ল'ৰা নাম ৰাখিছে। এয়া শুনি ক'ব ধৰিলে যে মই প্ৰথমেই আহমদী হৈ গৈছো,অৰ্থাৎ যেতিয়া সন্তানৰ জন্ম পায় তেতিয়া আল্লাহ তা'লাই ল'ৰা দান কৰিলে। তেওঁ জলছাৰ সময়ত সেই ল'ৰাক লগতে লৈ আহিছিল আৰু মানুহক কৈ আছিল যে চাওঁক ! এয়া যুগৰ খলিফাৰ দোৱা গ্ৰহণ হোৱাৰ নিদৰ্শন হয়।

(বাহাৱালা আলফজল ইণ্টানেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ চন ২০১৫ লৈ, পৃঃ ১৫,১৭)

## ঘানাৰ ভূমিৰ পৰা তেল ওলাব

হুজুৰ আনোৱাৰ (আইঃ) যেতিয়া চন ২০০৪ ত ঘানাত উপস্থিত হয় তেতিয়া ভ্ৰমণৰ সময়ত হুজুৰ আনোৱাৰ (আইঃ)য়ে ঘানাৰ বাসিন্দাসকলক সু-সংবাদ দিছিল যে ঘানাৰ ভূমিৰ পৰা তেল ওলাব।

অৰ্থাৎ যেতিয়া ২০০৮ চনত হুজুৰ আনোৱাৰ খিলাফৎ জয়ন্তীৰ সময়ত দ্বিতীয়বাৰ ঘানালৈ যায় তেতিয়া ঘানাৰ ৰাষ্ট্ৰীয় সভাপতিয়ে সাক্ষাতৰ সময়ত হুজুৰক কয় যে হুজুৰৰ দোৱা গৃহীত হৈ আছে আমাৰ ৰাষ্ট্ৰৰ বাবে। হুজুৰ যোৱা পৰিদৰ্শনৰ সময়ত কৈছিল যে ঘানাৰ ভূমিৰ পৰা তেল ওলাব আৰু

ইয়াৰ পৰা তেল ওলাব। হুজুৰৰ এই দোৱা বৰ মৰ্যাদাৰ সৈতে গৃহীত হৈছে আৰু যোৱা বছৰ ঘানাৰ পৰা তেল ওলাই আহিছে।

অৰ্থাৎ এই উদ্ধৃতিত ঘানাৰ বিখ্যাত ৰাষ্ট্ৰীয় পত্ৰিকা Daily Graphic য়ে ১৭ এপ্ৰিল ২০০৮ চনত শুমাৰাত প্ৰথম পৃষ্ঠাত হুজুৰ আনোৱাৰ আৰু সভাপতি ঘানাৰ সাক্ষাতৰ ৰিপোৰ্ট প্ৰকাশ কৰি লিখিছে ঃ

খলিফাতুল মছীহ (আইঃ)য়ে নিজৰ পৰিদৰ্শন ঘানা চন ২০০৪ ত ঘানাত তেলৰ বিষয়ে বৰ প্ৰবলতা আৰু দৃঢ়তাৰ সৈতে প্ৰকাশ কৰিছিল আৰু এই বিশ্বাস যোৱা বছৰ সততালৈ পৰিৱৰ্তিত হৈ যায় আৰু ঘানাৰ ভূমিৰ পৰা তেল ওলায়।

(বাহাৱালা আলফজল ইণ্টাৰনেশনাল ২৫ চেপ্তেম্বৰ চন ২০১৫ ৰ পৰা ১ অক্টোবৰ চন ২০১৫ লৈ পৃঃ ১৭)

## হুজুৰ আনোৱাৰ (আইঃ)ৰ আল্লাহ তা'লাৰ ওপৰত ভৰসা

হজৰত ছৈয়দিনা আম্মাতুল ছবুহ বেগম চাহিবা স্ত্ৰী হজৰত খলিফাতুল মছীহ খামিছ (আইঃ)য়ে কৈছে ঃ-

যেতিয়া আমি টমালে (উত্তৰী ঘানা)লৈ গৈছিলো দীৰ্ঘ সময় হোৱাই নাছিল সেই দিনবোৰতো ডাক্তৰসকলৰ হৰতাল আছিল কেৱল ন বজাৰ পৰা পাঁচ বজালৈকে ডাক্তৰ আহিছিল। ইয়াৰ বাহিৰে বাকী সময় ছোৱাত আৰু শনিবাৰ আৰু ৰবিবাৰ দিনা কোনো মেডিকেল ষ্টাফ উপস্থিত নাথাকিছিল। প্ৰিয় উকাছ سلمها الله (ছালমাহুল্লাহু) কেৱল দুই দিনৰ আছিল তেওঁৰ ভয়ানক ধৰণৰ ডাইৰিয়া হৈ যায়,নতুন ঠাই আৰু হাস্তপাতালৰ নাটনি ব্যৱস্থা,ডাক্তৰৰ হৰতাল অৰ্থাৎ অস্থিৰতাৰ অৱস্থা আছিল। ইমান সৰু শিশুৰ কষ্ট দেখিব পৰা নগৈছিল। প্ৰিয় ফাৰাহ سلمها الله(ছালমাহুল্লাহু)ও সেই সময়ত সৰুৱেই আছিল। এই কাৰণে মই পাকিস্তানৰ পৰা ঔষধ লৈ আনিছিলো সেয়া বৰ তুষাৰ আছিল যাক ডাক্তৰে ইমান কম বয়সৰ শিশুৰ বাবে নিৰ্ধাৰণ নকৰে। কিন্তু আমি বৰ অস্থিৰতা আৰু চিন্তনীয় অৱস্থাত আছিলো। হুজুৰ (আইঃ)য়ে

আল্লাহৰ ওপৰত ভৰসা কৰি দোৱা কৰি নিজৰ সোঁ হাতৰ আঙুলি ভৰ্তি কৰি দুই বাৰ ঔষধ প্ৰিয় ওকাছক যিয়ে সেই সময়ত ডাইৰিয়া অসুখত আক্ৰান্ত গাখীৰ ইত্যাদি একেবাৰেই পান কৰা নাছিল এয়া কৈ চেলেকাব দিলে যে আল্লাহ তা'লাৰ তকদিৰ কি হয়,আমি নেজানো কিন্তু দুঃখিত নহওঁ যে চিকিৎসা নকৰিলো কিছু সময় পিছতেই সুস্থ হৈ উঠে আৰু আল্লাহ তা'লাই অলৌকিক নিদৰ্শন ৰূপে তেওঁক আৰোগ্য প্ৰদান কৰে। আলহামদুলিল্লাহ-

(বাহাৱালা হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ) মুৰাত্তবা আতাউল আলিম ছমৰ-মুদাচ্ছিৰ আহমদ মুজাম্মিল,প্ৰকাশক মজলিছ খুদ্দামুল আহমদীয়া পাকিস্তান)

## মু'জিজা (অলৌকিক ঘটনা) প্ৰথমবাৰ লাইভ চালো

মাননীয় বশাৰত নৱিদ চাহাব মুৰববী ছিলছিলা মাৰাইশিছে লিখিছে ঃ-

মাৰাইশিছত হুজুৰ আনোৱাৰ (আইঃ)ৰ উপস্থিত হোৱাৰ পিছদিনা যেতিয়া আপুনি নমাজে জোহৰ আৰু আচৰ আদায় কৰাৰ বাবে নিজৰ অৱস্থান কেন্দ্ৰৰ পৰা বায়তুজজিকৰ মছজিদ যোৱাৰ বাবে বাহিৰলৈ ওলায় আৰু কাফলা যাত্ৰাৰ বাবে প্ৰস্তুতি হয়,তেতিয়া ডিউটিত থকা খুদ্দামসকলে ইলেকট্ৰেনিকৰ মূল গেটখন ৰিমোটৰ সহায়ত খোলাৰ চেষ্টা কৰে কিন্তু সকলো ধৰণৰ চেষ্টা-প্ৰচেষ্টা কৰা সত্ত্বেও গেট খুলিব নোৱাৰিলে। অৱশেষত খুদ্দামসকলে গেট ভঙাৰ চেষ্টা কৰে কিন্তু তাতেও ব্যৰ্থ হয়। হুজুৰ গাড়ীৰ পৰা বাহিৰলৈ উপস্থিত হৈ কয় ৰিমোট মোক দিয়ক আৰু যেতিয়াই তেখেতে ৰিমোটৰ বটন টিপে গেট খুলি যায়। সেই সময়ত উপস্থিত এজন হিন্দু পুলিচে ছেকুড দ্বিধাবোধ নকৰি কৈ উঠিল যে মুজিজা (অলৌকিক নিদৰ্শন)ৰ বিষয়ে শুনিছিলো কিন্তু আজি নিজৰ চকুৰ সন্মুখত প্ৰথমবাৰ লাইভ দেখিলো।

(তশহিজল আজহান ছৈয়দিনা মছৰুৰ (আইঃ) নম্বৰ ২৮২,(বাহাৱালা হজৰত খলিফাতুল মছীহ আলখামিছ (আইঃ) মুৰাত্তবা আতাউল আলিম ছমৰ-মুদাচ্ছিৰ আহমদ মুজাম্মিল,প্ৰকাশক মজলিছ খুদ্দামুল আহমদীয়া পাকিস্তান)

আল্লাহ্ তা'লা আমাৰ বাবে হজৰত মছীহ মাওউদ (আঃ) আৰু তেখেতৰ মহান খলিফাৰ উল্লেখিত ঈমান উদ্দীপক ঘটনাৱলীৰ পৰা আমাৰ ঈমান বৃদ্ধি কৰক,যাতে আমাৰ আল্লাহৰ সৈতে জীৱিত সম্পৰ্ক স্থাপন হয় আৰু ঈমান শক্তিশালী হ'ব পাৰে। আল্লাহ্ তা'লা সৰ্বদা আমাক জামাতৰ ব্যৱস্থাপনাৰ সৈতে সম্পৰ্ক স্থাপন ৰাখি নিজৰ সন্তুষ্টি অৰ্জন কৰাৰ সৌভাগ্য প্ৰদান কৰক। আমীন-